# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**VOL. I**

**NO. 29**

The 5th May 1988

Price Rs. 29.00

## CONTENTS

**Budget Session**

Volume—I

No. 29

Dated, the 5th May, 1988.


| | | | Page |
|---|---|---|---|
| 1. | Questions and Answers ... ... ... | | 1 |
| 2. | Voting on Demands for Grants ... .. | | 45 |
| 3. | Introduction, Consideration and Passing of the Assam Appropriation ( No. II ) Bill 1988. | | 108 |
| 4. | Adjournment ... ... ... .... | | 127 |
| 5. | Annexure .... ... ... | (I) | 128 |
| | | (II) | 133 |
| | | (III) | 134 |
| | | (IV) | 147 |
| | | (V) A | 148 |
| | | B | 150 |
| | | (VI) | 153 |

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1988

Thursday, the 5th May, 1988

The House met at 9 A. M. in the Assembly Chamer, Dispur with Mr. Speaker in the Chair.

## STARRED
## QUESTIONS AND ANSWERS
( To which oral answers were given )

Starred Question No. 522 was not called for. However written reply deemed to have been laid on the Table as follows.

* বিষয় ঃ পঞ্চায়তীৰাজৰ প্ৰশিক্ষণ কেন্দ্ৰ।

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে ঃ

* ৫২২/ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) জয়সাগৰ পুখুৰীৰ পাৰত পঞ্চায়তীৰাজৰ এটি প্ৰশিক্ষণ কেন্দ্ৰ আছে নেকি ?

(খ) যদি আছে, বৰ্ত্তমান সেই প্ৰশিক্ষণ কেন্দ্ৰটিৰ অৱস্থা কেনেকুৱা ?

(গ) প্ৰশিক্ষণ কেন্দ্ৰটি যি উদ্দেশ্য আগত ৰাখি স্থাপন কৰা হৈছিল সেই উদ্দেশ্য কিমান দূৰ সফল হৈছে, অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় আছে।

(খ) এই প্ৰশিক্ষণ কেন্দ্ৰটি নিয়মীয়া কাৰ্য্যসূচী অনুসৰি চলি আছে।

(গ) পঞ্চায়তৰ নিৰ্ব্বাচিত / মনোনীত সদস্য, সভাপতি, উপসভাপতি আদিৰ প্ৰশিক্ষণৰ বাবে এই কেন্দ্ৰটো স্থাপন কৰা হৈছিল। বৰ্ত্তমানে মহকুমা পৰিষদৰ তদৰ্থ কমিটিৰ সদস্য আৰু সহযোগী অনুষ্ঠানৰ বিষয়ববীয়া সকলক বিভিন্ন উন্নয়নমূলক আঁচনিৰ সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয়।

Starred Question No. 523 was deferred.

**বিষয়ঃ মেডিকেল কলেজত কেন্দ্ৰীয় চাকৰিয়ালৰ ল'ৰা-ছোৱালী।**

শ্ৰীকমলা কলিতাই সুধিছেঃ

* ৫২৪/ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৮৭-৮৮ বছৰটোত এম, বি, বি, এচ পাঠ্যক্ৰমত অসমৰ মেডিকেল কলেজ সমূহত নাম ভৰ্ত্তি কৰোতে সাধাৰণ শ্ৰেণীৰ বাবে ৰখা আসনত কেন্দ্ৰীয় চাকৰিয়ালৰ ল'ৰা-ছোৱালীক ভৰ্ত্তি কৰা কথাটো সঁচানে?

(খ) অসমত কাম কৰা কেন্দ্ৰীয় চাকৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে থকা সংৰক্ষিত আসনৰ বাবে আবেদন কৰা কিমান গৰাকী প্ৰাৰ্থীক সাধাৰণ শ্ৰেণীৰ আসনত ভৰ্ত্তি কৰা হৈছে?

(ভৰ্ত্তি কৰা প্ৰাৰ্থীৰ নাম আৰু ঠিকনা দাখিল কৰিব)

(গ) তেওঁলোকক কি ভিত্তিত কৰা হৈছে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) সঁচা নহয়।

(খ)}
(গ)} প্ৰশ্ন নুঠে।

শ্ৰীকমলা কলিতাঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে আৰু সেই উত্তৰৰ পৰিপ্ৰেক্ষিতত মই এটা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মেডিকেল কলেজ সমূহত নাম ভৰ্ত্তি কৰোতে সাধাৰণ শ্ৰেণীৰ বাবে ৰখা আসনত কেন্দ্ৰীয় চাকৰিয়ালৰ ল'ৰা-ছোৱালীক ভৰ্ত্তি কৰা কথাটো সঁচা নেকি? আৰু এইটো সঁচা নহয় বুলি কৈছে। মোৰ বোধেৰে চিলেক্‌চন বোৰ্ডে যি তালিকা তৈয়াৰ কৰিছে, সেইখন মোৰ হাতত আছে। এই তালিকা মতে কেইবা গৰাকী প্ৰাৰ্থী চেন্‌ট্ৰেল গৰ্ভৰ্ণমেণ্টৰ কোটাত আবেদন কৰা স্বত্বেও তেওঁলোকক সাধাৰণ শ্ৰেণীৰ বাবে ৰখা আসনত ভৰ্ত্তি কৰা কথাটো জনাব লাগে। দ্বিতীয়তে কথা হ'ল মেডিকেল কলেজ সমূহত এড্‌মিচনৰ ক্ষেত্ৰত বিভিন্ন খেলিমেলি হোৱা আমি দেখিবলৈ পাইছো আৰু ৰাইজেও উপলব্ধি কৰিছে। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে এটা স্পষ্ট উত্তৰ দিব লাগে আৰু মেডিকেল কলেজ সমূহত ভৰ্ত্তি কৰাৰ ক্ষেত্ৰত এনট্ৰেঞ্চ এক্‌জামিনেচনৰ ব্যৱস্থা কৰাৰ কাৰণে জনাব নেকি?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কৈছোৱেই যে চেন্ট্ৰেল গভৰ্ণমেন্টত কাম কৰা লোকৰ কেইজনমান ল'ৰা-ছোৱালীক একোমোডেট কৰিব লগা হৈছে। মই কিয় কৰিবলগীয়া হৈছে এই সম্পৰ্কে কবলৈ সময় লাগিব। তথাপিতো মই নাম কেইটা কৈ দিছো। ১ নং Najiur Rahman is a citizen. He is having the P.R.C. এওঁৰ দেউতাক এয়াৰ ফোৰ্চত কাম কৰে আৰু ল'ৰাটো হাজোৰ। তেওঁ হাজোৰ স্থায়ী বাসিন্দা আৰু এম, ও, বি, চি, ত পৰে। তাৰ পাচত দ্বিতীয়টো হ'ল জয়ন্ত কুমাৰ নাথ। তেওঁৰ দেউতাক ডিফেঞ্চত কাম কৰে। তেওঁৰ স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ আছে আৰু ও, বি, চি, ত পৰে। Jayanti. His father is a wing commandant O.B.C. candidate. সেইদৰে লাভ ইন সিন্‌হা claimed as a parmanent citizen. An O.B.C. candidate. Father passed matriculation examination from Hailakandi and permanently settled at Gauhati. আকৌ সুব্ৰত দে আৰু দেবশীষ চক্ৰৱৰ্ত্তী Subrata Dey, born and brought up at Tezpur. A permanent citizen. D.C. Sonitpur issued his P.R.C. 5. Debashis also studied here in the State. Father received Electrical and Wiring Training at Shillong and worked under A.S.E.B. A permanent citizen. Now in Oil India. সেইদৰে আন এগৰাকী প্ৰাৰ্থী নাম হ'ল ৰাকেশ কুমাৰ শ্ৰীবাস্তৱ, 6. Rakesh Kumar Sribastava .. .... Born and brought up at Maligaon. Father is an employee of the Railway. Has been residing here. He is having a permanent resident certificate... ... এই প্ৰাৰ্থী খিনি চেন্ট্ৰেল গভৰ্ণমেন্টৰ চাকৰিয়ালৰ ল'ৰা-ছোৱালী। তেওঁলোক যদি পি, আৰ, চি, আৰু অন্যান্য যাৱতীয় প্ৰমাণ পত্ৰ দিয়াৰ পাচত উপযুক্ত বুলি বিবেচিত হয়, যেনেকৈ এজন এচ, চি, কেণ্ডিডেটে যদি এইট্‌টি পাৰ্চেন্ট পায় তেওঁক মেৰিটৰ ওপৰত সাধাৰণ কোটাত দিয়াৰ কাৰণে বিৱেচিত কৰিব পাৰে। ঠিক সেইদৰে এই কেচ বিলাক ক্লেইম কেচ হোৱাৰ কাৰণে তেওঁলোকৰ নাম লিষ্টত আছে।

দ্বিতীয়তে মাননীয় সদস্য গৰাকীৰ দ্বিতীয় প্ৰশ্নটো হৈছে মেডিকেল কলেজ সমূহত ভৰ্ত্তিকৰণৰ ক্ষেত্ৰত খেলিমেলি হোৱাৰ কাৰণে এনট্ৰেঞ্চ পৰীক্ষা

পাতিব পাৰি নেকি ? যোৱাবাৰ পাতিব লৈছিলো কিন্তু সময়ৰ অসুবিধা হ'ল কাৰণে পাতিব পৰা নহ'ল। এইবাৰ এনট্ৰেঞ্চ এক্‌জামিনেচন পতাৰ কাৰণে চিন্তা কৰি কেবিনেট মেমোৰেনডাম তৈয়াৰ কৰা হৈছে। কেবিনেটত এইটো পাছ হলে পৰীক্ষা পাতিব পৰা হব।

শ্ৰীকমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো যে মিচ চুচমিটা বালা, তেওঁৰ দেউতাকৰ নাম চি, এন, বালা সুব্ৰামনিয়া, অইল ইণ্ডিয়া লিমিটেডত কাম কৰে। তেনে ধৰণৰ কেইজনমান প্ৰাৰ্থীয়ে চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ কোটাত পাবৰ কাৰণে আবেদন কৰিছিল। কিন্তু এই চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ কোটাত আবেদন কৰা প্ৰাৰ্থী সকলক কেনেকৈ সাধাৰণ কোটাত ভৰ্ত্তি কৰা হ'ল ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মিচ চুচমিটা বালা, তেওঁ গুৱাহাটীত থাকে আৰু তেওঁৰ স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ আছে। তেওঁৰ দেউতাক অইল ইণ্ডিয়া লিমিটেড, গুৱাহাটীত কাম কৰে।

শ্ৰীকমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, সেই প্ৰাৰ্থী সকলে চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ কোটাত আবেদন কৰিছিল। কিন্তু তেওঁলোকক জেনেৰেল কোটাত ভৰ্ত্তি কৰাৰ কাৰণে সাধাৰণ শ্ৰেণীৰ কোটাত ভৰ্ত্তি হোৱাৰ ক্ষেত্ৰত আমাৰ অসমৰ ল'ৰা-ছোৱালী ডিপ্ৰাইভ হবলগীয়া হৈছে। ইয়াৰ আগৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল মিচ মৌচুমী বৰুৱা ফ্ৰিডম ফাইটাৰৰ কোটাত আবেদন নকৰিলে। কিন্তু পাচত ক্লেইম কৰিলে কিন্তু তেওঁক দিব পৰা নহ'ল। কিন্তু এতিয়া ইয়াত দেখুওৱা মতে চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ কোটাত আবেদন কৰা স্বত্বেও সেই সংৰক্ষিত আসনত নিদি কিয় সাধাৰণ কোটাত দিয়া হ'ল। সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

Shri Chandra Mohan Patowary, ( Minister ) : Sir, on principle no permanent citizen can be deprived from getting any seat from any Institution under any circumtances.

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে এই তিনিখন মেডিকেল কলেজ অসমত যিটো স্পিৰিটত প্ৰতিষ্ঠিত হৈছিল সেই স্পিৰিটটো মেইনটেইন কৰিব পৰা নাই। মই জনাব বিচাৰিছো এজন মাননীয় ৰাজ্য সভাৰ সদস্যই এখন চিঠি দিছিল। চিঠিখনত এটা কথা আছে--

মোক শিলচৰত লগ পাওঁতে কৈছিল যে কোনোবা এজন মেলহোট্ৰাৰ পৰা ২৫ হাজাৰ টকা লৈ মেডিকেল কলেজত চিট দিছিল। সমগ্ৰ বিষয়টো এই চিঠিখনত আছে। চিঠিখন মোৰ লগতে আছে। চিঠিখনৰ গোটেই কথাখিনি মই পঢ়ি দিব খোজা নাই। অৱশ্যে চিঠিখনৰ কিবা সত্য সত্যতা আছে নে নাই মই নাজানো। ৰাজ্যসভাৰ এজন মাননীয় সদস্যই চিলেকচন বোৰ্ডৰ মেম্বাৰ চেক্ৰেটাৰীলৈ এই চিঠিখন দিছিল। এড্‌মিচন দিছে নে নাই মই কব নোৱাৰো। কিন্তু সদনত মই জনোৱাতো মোৰ দায়িত্ব আছে। সদনত নজনালে এইটো চোচিয়েল ক্ৰাইম কৰা হব বুলি মই ভাবিছো। চেকেণ্ড লিষ্টত জেনেৰেল কোটাত ১৩ জনক এড্‌মিচন দিছে। সেই ১৩ জন প্ৰাৰ্থীৰ ভিতৰত মাত্ৰ তিনিজন প্ৰাৰ্থীহে অসমৰ ইনডিজেনাচ, গুৱাহাটী মেডিকেল কলেজত ৯ জনৰ ভিতৰত এজন ইনডিজেনাচ আৰু শিলচৰ মেডিকেল কলেজৰ বাকী যি তিনিজন আছে তেওঁলোকৰ ঠিকনাটো নাজানো। Out of 13 only 3 indigenous Assamese in Assam Medical College, Guwahati Medical College– out of 9 only 1 indigenous Assamese candidate from Assam. চেণ্ট্ৰেল গৱৰ্ণমেণ্টৰ এম্‌প্লয়ৰ কেইজনমান ল'ৰা-ছোৱালীয়ে অসম মেডিকেল কলেজ, গুৱাহাটী মেডিকেল কলেজত চিট পাইছে। তেওঁলোকে ডাইৰেক্টলি এটা স্পেচিফিক কেটেগৰিত এপ্লাই কৰিছিল। কিন্তু কি স্বাৰ্থত অইন এটা কেটেগৰিত তেওঁলোকক ভৰ্ত্তি কৰোৱা হ'ল। এটা কেটেগৰিৰ পৰা আন এটা কেটেগৰিলৈ কিয় অনা হ'ল। তেওঁলোকে দুখন এপ্লিকেচন কৰিব পাৰিলেহেঁতেন। এই লিষ্ট খনত ইনডিজেনাচ অসমীয়া প্ৰাৰ্থী (Indigenous Assamese candidate) কিমান আছে? ছিপাঝাৰ সমষ্টিত যিবিলাক হস্পিতাল আছে তাত ন-ন এচামিজ ডাক্তৰ নিব নোৱাৰি। এম, বি, বি, এচ, পাচ কৰাৰ পাচত তেওঁ-লোক যেতিয়া ডাক্তৰ হয় তেতিয়া তেওঁলোক গাওঁলৈ যাবলৈ নিবিচাৰে। এই সম্পৰ্কত মই অধ্যক্ষ মহোদয়ৰ পৰা ৰুলিং বিচাৰিছো। যিহেতু এজন আই, এ, এচ, অফিচাৰে পইচা লোৱা বুলি ৰাজ্যসভাৰ এজন মাননীয় সদস্যই জনাইছে। এই বিষয়টোৰ ওপৰত বিশেষ বিচাৰ কৰক। মই মন্ত্ৰী মহোদয়ৰ পৰা, ডিপাৰ্টমেণ্টৰ পৰা জানিব বিচৰা নাই। আপোনাৰ পৰা ৰুলিং বিচাৰিছো যাতে অসমৰ স্বাৰ্থত কোনো প্ৰকাৰে ব্যাঘাট হানিব নোৱাৰে।

Shri A. G. Gulam Osmani : Sir, on a point of order in such session of Questions and Answers it appears that the Question Hour is being converted into discussion and Hon'ble Members are seeking ruling from the chair. I think Sir, this should not be permitted. So far as this Question Hour is concerned the concerned Minister should answer to questions.

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই যেনেকৈ আলোচনা কৰিছো তেখেতেও পাৰ্চ কৰি আলোচনা কৰিছে।

Hon'ble Speaker. : The matter is very very serious. A Committee of the House will enquire into it.

## Re : Distribution of levy sugar.

Shiekh Abdul Hamid, asked :

* 525/ Will the Minister, Food and Civil Supplies be pleased to state :

(a) The quantity of levy sugar distributed in Mandia Development Block of Barpeta District through Public Distribution System in 1986-87 to 1987-88.

(Please furnish figure Gaon Panchayat-wise)

(b) Whether there was any survey as to the requirement of consumers of Barpeta District for levy sugar.

(c) If so, please state the requirement block-wise.

(b) The machinary through which the distribution is made in the Panchayat and Town area ?

Sri Biraj Kumar Sarma, ( Minister, Food & Civil Supplies ) replied :

(a) Quantities of levy sugar distributed in Mandia Development Block of Barpeta District under Public Distribution System during 1986-87 and 1987-88 are as follows :

(figure in quintals)

| | (1986-87) | (1987-88) |
|---|---|---|
| Pub Mandia GPSS | 1356·00 | 1456·00 |
| Pachim Mandia GPSS | 1150·00 | 1334·00 |
| Baghbar GPSS | 1027·00 | 1113·00 |
| Pub Jania GPSS | 1256·00 | 1490·00 |
| Pachim Jania GPSS | 1143·00 | 1276·00 |
| Main-bari GPSS | 956·00 | 989·00 |
| Phulora Chatala GPSS | 1077·00 | 1088·00 |
| Baghmarachar GPSS | 974·00 | 1176·00 |
| | 8939·00 | 9922·00 |

(b) No levy sugar is distributed on the basis of 1971 census population.

(c) Does not arise.

(d) Levy sugar is distributed under Public Distribution System through the agents of the Gaon Panchayat Samabai Samities in rural areas and Fair Price Shops in urban areas of the State.

শ্ৰীশ্বেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে তাৰ পৰা দেখা পাইছো যে কিছুমান জি-পি-এচ-এচ এ যথেষ্ট পৰিমানৰ চেনি কম পায়। বিশেষকৈ বাঘমাৰা আৰু ময়নাবৰী জি-পি-এচ এচৰ কথাটো ইয়াত উল্লেখ কৰিছে। এই দুখন জি-পি-এচ-এচত বহুত মানুহ আছে। কিন্তু প্ৰত্যেক মাহতেই কম পৰিমানৰ বস্তু পায়। গতিকে এই দুখন জি-পি-এচ-এচত চাউল চেনি আদি নিত্য প্ৰয়োজনীয় বস্তুৰ পৰিমান বঢ়াই দিয়াৰ কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিব নেকি ? ১৯৭১ চনৰ পৰা

তাত চেনচাচ কৰা হোৱা নাই। চেনচাচ কৰি প্ৰয়োজনীয় চাউল চেনি আদি যিখিনি নিত্যব্যৱহাৰ্য্য বস্তু লাগে সেই খিনি বঢ়াই দিয়াৰ কাৰণে ব্যৱস্থা কৰিব নে ?

শ্ৰীবিৰাজ শৰ্মা, (মন্ত্ৰী) ঃ তেখেতে কোন তুখন জি-পিৰ কথা কৈছে ? বোধহয় বাঘমাৰা আৰু ময়নপুৰ জি-পি-এচৰ কথা কৈছে। মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমত এই লেভী চেনি বিলাবলৈ আমাক ১০ হাজাৰ মেট্ৰিক টন চেনিৰ আৱশ্যক হয়। কিন্তু আমি পাইছো মাত্ৰ ৯ হাজাৰ তিনিশ ৪ টন মান পাইছো। আমি কেন্দ্ৰীয় চৰকাৰক বঢ়াই দিয়াৰ কাৰণে হেঁচা দি আছো আৰু সেইমতে যদি অলপ বঢ়াই দিয়ে তেতিয়াহলে এই জি-পি-এচ-এচৰ লগতে বাকী বিলাককো দিব পৰা হব। বৰ্ত্তমান যি পৰিমান দিয়া হৈছে সেইটো কম হোৱা বুলি কোৱা হৈছে। সাধাৰণতে জি-পি-এচ এচয়ে কাৰ্ড দিয়ে আৰু সেই কাৰ্ড অনুসৰি ডি-চিয়ে হিচাব এটা কৰি দিছে নে নাই সেইটো চাব লাগিব। ডি-চি সকলক তেওঁলোকৰ দায়িত্ব সম্পূৰ্ণ দিয়া হৈছে। জি-পি-এচ-এচয়ে তেওঁলোকৰ প্ৰয়োজন অনুসৰি হিচাব মতে যিমান পৰিমানৰ লাগে সেইখিনি জনাই আৰু সেইমতে দি থাকে। তাৰ বাহিৰেও তেখেতে যি তুখন, জি-পি এচ-এচৰ কথা কৈছে সেই বিষয়ে মই পৰীক্ষা কৰিম আৰু কি কৰিব পৰা যায় চাম। ভাৰত চৰকাৰক আমি ৭০০ মেট্ৰিক টন চেনি বঢ়াই দিবলৈ দাবী কৰি আছো। সেই খিনি বঢ়াই দিলে অকল এই তুখনতেই নহয় বাকী বিলাক জি পি-এচ-এচত প্ৰয়োজন অনুসাৰে হিচাব মতে দিব পৰা যাব।

বিষয় ঃ গ্ৰামোন্নয়ন আৰু পঞ্চায়ত সঞ্চালকৰ একত্ৰীকৰণ।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

* ৫২৬/ মাননীয় গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

গ্ৰামোন্নয়নৰ বাবে চৰকাৰে ৰাষ্ট্ৰীয় গ্ৰাম্য উন্নয়ন আচনিৰ ( N.R.E.P. ) আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আচনিৰ (R.L.E.G.P.) গাঠনি সহজ কৰণ কৰি আৰ্থ-সামাজিক দিশ উন্নয়নৰ ব্যৱস্থা লব নোৱাৰেনে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, ( পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি (এন আৰ ই পি) আৰু গ্ৰাম্য ভূমিহীন নিয়োগ নিশ্চিত আঁচনি (আৰ এল ই জি পি) দুয়োখন যথা ক্ৰমে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পোষকতা কৰা আঁচনি (Centrally sponsred scheme) আৰু কেন্দ্ৰীয় খণ্ড পৰ্য্যায়ৰ আচনি ( Central sector scheme ) ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আচনি ৰূপায়ণৰ বাবে প্ৰয়োজন হোৱা পূজিৰ শতকৰা ৫০ ভাগ আৰু গ্ৰাম্য ভূমিহীন নিয়োগ নিশ্চিত আচনিৰ শতকৰা ১০০ ভাগেই ভাৰত চৰকাৰে যোগান ধৰে।

ভাৰত চৰকাৰে সময়ে সময়ে প্ৰকাশ কৰা নিয়মাৱলী ( Guidelines ) অনুসৰি এই আচনিৰ মমূহ ৰূপায়ন কৰা হয়। ই এটা ৰাষ্ট্ৰীয় আৰ্হি (National pattern) আৰু সমগ্ৰ দেশতে নিয়মাৱলী একেই।

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ ইয়াত এটা প্ৰশ্ন ড্ৰপ পৰি গৈছে।

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ইয়াত এটা প্ৰশ্ন কোৱা হৈছে। সেই হিচাবে উংত্থাপন কৰা হৈছে। মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটো হ'ল গ্ৰামোন্নয়নৰ বাবে চৰকাৰে ৰাষ্ট্ৰীয় গ্ৰাম্য উন্নয়ন আচনিৰ (এন আৰ ই পি) আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আচনিৰ (আৰ এল-ই জি-পি) গাঠনি সহজ কৰণ কৰি আৰ্থ সামাজিক দিশ উন্নয়নৰ ব্যৱস্থা লব নোৱাৰেনে ? ইয়াৰ উত্তৰটো মই পঢ়ি দিছো— (পঢ়ি দিয়ে)

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই এন-আৰ-ই-পি আৰু আৰ-এল ই-জি-পি আচনি বিলাক ৰূপায়ন কৰিব যাওঁতে অসমৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈছে। এই ক্ষেত্ৰত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য অন্ধ্ৰ প্ৰদেশ তামিলনাডু আদিত আৰ-এল ই-জি-পি ক্ষেত্ৰত নিজাকৈ ব্যৱস্থা কৰিছে। অসমৰ ক্ষেত্ৰত তেনে ব্যৱস্থা কৰিবনে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিষয়ে যথেষ্ট আলোচনা হৈছে আৰু আমি এতিয়া বিভাগৰ ফালৰ পৰা চিন্তা কৰিছো যাতে আচনিখন ভালদৰে ৰূপায়ন কৰিব পৰা যায় তাৰ ব্যৱস্থা লৈছো।

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, স্কুল ঘৰ মেৰামতিৰ বাবে এন-আৰ-ই-পি ৰ যোগে ৮০ হেজাৰ টকা দিয়া হৈছে আৰু আৰ-এল-ই-জি-পি ৰ যোগে ৬১ হেজাৰ ৬৫ টকাকৈ স্কুল ঘৰ সজাৰ কাৰণে দিয়া হৈছে। এই টকাটো স্কুল বোৰ্ডৰ সহযোগত দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰে নে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নটো বনানীকৰণৰ আছিল। তথাপি আমি ইতিমধ্যে বাইজক এটা কথা অনুৰোধ কৰিছো। বনানী-কৰণৰ কাৰণে ইডুকেচন চেক্তৰত টকা লাগে। এই টকা বিভাগীয় ভাবে দিয়াৰ কথা আছে। কাম যাতে সোনকালে হয় তাৰ কাৰণে এখন কমিটি গঠন কৰাৰ কথা চিন্তা কৰিছো। এই কমিটিত বি-এল-চি-চি ৰ চেয়াৰমে-নোকো ৰখা হব।

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ক্ষেত্ৰত যি মডেল স্কুল দিছে সেইটো সৰু হৈছে। এইবিলাক চৰকাৰে লোৱাত অসুবিধা হৈছে। ১৯৮০-৮১ চনৰ যি প্ৰাক্‌কলন উৎথাপন কৰা আছিল সেইটো অসুবিধা হয়, তাৰ মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিব নে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এল, পি, স্কুল বিলাক শাল কাঠৰ কাৰণে টেবুলাৰ কনষ্ট্ৰাক্‌চন কৰিবলৈ লোৱা হৈছে। তেনেকুৱা স্কুল কম আছে। আনহাতে ৮০ ফুট হলে সেইবিলাক কৰা হয়। মই ২৪ টা স্কুল চাইছো। তাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম। ছাত্ৰ-ছাত্ৰী এক ভাগ থাকে, দুই ভাগ খালী থাকে। য'ত ছাত্ৰ-ছাত্ৰী একোমেদ কৰিব পৰা নাই তাৰ ব্যৱস্থা কৰা হব।

শ্ৰীদেৱকুমাৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে তাৰ লগত সংগতি ৰাখি মই অন্য এটা প্ৰশ্ন কৰিব খুজিছো। এই আৰ, এল, ই, জি. পি, আৰু এন, আৰ, ই, পি, ৰ স্কুল ঘৰ নিৰ্মাণ কাৰ্য্যকৰী বন্ধ কৰি দিব পাৰে নেকি ? বিধায়ক সকলৈ স্কুল ঘৰ নিৰ্মাণৰ কাৰণে দৰ্খাস্ত আহে। সেই ঘৰ এন, আৰ, ই, পি, বনাব লয়। কিন্তু তিনি-চাৰি বছৰতো বনোৱাৰ আশা নাথাকে। এই ক্ষেত্ৰত তিনি মাহতে ঘৰ বনাব বিচৰা হৈছে। এই গোটেই কাৰ্য্যসূচী ভালকৈ পৰ্য্যালোচনা কৰিব লগা হৈছে। প্ৰত্যেক বিধায়কে প্ৰতিনিধিত্ব কৰি সেই সভাখনত আলোচনা কৰিলে মোডি-ফিকেচনৰ সম্ভৱ হব। বি, এল, চি, চি, ৰ চেয়াৰমেন হোৱাতে ৰাইজে গালি

পাৰে। সেই কাৰণে এই কাৰ্য্যসূচী বন্ধ কৰি গোটেই modification of the road plan because we are representing as B.L.C.C Chairman. এই ক্ষেত্ৰত এইটো মোডিফিকেচন কৰিব পাৰি নেকি মন্ত্ৰী মহোদয়ে চাব নে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, স্কুলৰ ক্ষেত্ৰত দুই-তিনি বছৰ লগা কথাটো মানি লব নোৱাৰো। ইতিমধ্যে মই বিভিন্ন সমষ্টিত গৈছো। তাত স্কুল বিলাক সম্পূৰ্ণ হৈছে। মই ১৯৮০-৮১ চনত আৰম্ভ কৰা স্কুলৰ কথাহে কৈছো। যদি সদনে এন, আৰ, ই, পি, আৰু আৰ, এল, ই, জি, পি, ত স্কুল বিলাক লব নালাগে বুলি কয় তেনেহলে মই বিভাগীয় মন্ত্ৰী হিচাবে ভালেই পাওঁ।

শ্ৰীগোপীনাথ দাস: মাননীয় অধ্যক্ষ মহোদয়, স্কুল বিলাকৰ কাৰণে ৬১ হেজাৰ ৬৫ টকাকৈ দিয়া হয়। সেই হিচাবে সোনকালে কৰিলে ভাল হয়।

শ্ৰীচন্দ্ৰ আৰান্ধৰা, ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, সেই কথাটোৰ উত্তৰ দি গৈছো।

শ্ৰীকিৰণ গগৈ: মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক স্কুল ঘৰ বনোৱা হৈছে, সেই বিলাক গণ পৰিষদ চৰকাৰৰ দিনৰ নেকি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ১৯৮০-৮১ চনৰ বেকলগ আছে। কৰবাত বেৰ নাই, কৰবাত টিনপাত দিয়া হৈছে। সেই বিলাক আমাৰ দিনত সম্পূৰ্ণ হৈছে। অৱশ্যে গোটেই-খিনি হোৱা নাই। মাননীয় সদস্য শ্ৰীদুৰ্গা দাস বড়োৰ সমষ্টিত সম্পূৰ্ণ হৈছে। মই চাই আহিছো।

শ্ৰীভবেন বৰুৱা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে এন, আৰ, ই, পি, আৰু আৰ, এল, ই, জি, পি, বিত্তীয় ক্ষমতা ব্লকৰ হাতত আছে নেকি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, মই আগতেই কমিটী গঠন কৰাৰ কথা কৈছো। সেই ব্যৱস্থা আছে।

**Re: R. L. E. G. P. Schemes.**

Shri Abdul Jabbar asked:

* 527. Will the Minister, Panchayat & Rural Development be pleased to state :

(a) The R.L.E.G.P. schemes of Dalgaon, Sialmari Development Block for the year 1986-87 and 1987-88 ?

(Please furnish the name of the schemes)

Shri Chandhara Arandhara, (Minister, Panchayat and Rural Development) replied :

(a) The list of schemes taken up under R.L.E.G.P. in Dalgaon-Sialmari Development Block during 1986-87 and 1987-88 is placed in the table of the House. (See the list at Annexure – I)

শ্ৰীআব্দুল জব্বৰ : মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত ১৯৮৬-৮৭ চনৰ আৰু ১৯৮৭-৮৮ চনৰ আৰ, এল, ই, জি, পি, ৰ স্কীমৰ যি তালিকা দিয়া হৈছে, তাত ১৯৮৬-৮৭ চনত ৰোড স্কীম দিয়া হৈছে। অফিচত কিমান চনত আছে সেইটো নহয়। ১৯৮৬-৮৭ চনৰ ব্লকৰ পৰা যি স্কীম পঠিয়াইছে আৰু সদনৰ মজিয়াত যি দিয়া হৈছে সেই স্কীম ১৯৮৬-৮৭ চনত লোৱা নাই। ১৯৮৬-৮৭ চনত কিয় নাই ? ১৯৮৭-৮৮ চনত যে হব সেইটো তাত নাই। মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত মোৰ সন্দেহ হৈছে। ১৯৮৬-৮৭ চনৰ কাৰণে ৰোড স্কীম দুটা লোৱা হৈছিল। সেই দুটা হ'ল, বুঢ়া গাওঁ কাকৈজান আৰু নেচনেল হাইওৱে ওজাগাওঁ ৰাস্তা আছিল। এই ৰাস্তা দুটা ব্লকৰ তলত আছে নে নাই ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি দুটা ৰাস্তাৰ কথা কৈছে সেই ৰাস্তা দুটা তালিকাত খেলি-মেলি আছে। সেইটো চাই শুধৰাৰ ব্যৱস্থা লোৱা হব।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমতে গ্ৰাম্য উন্নয়ন বিভাগে এন, আৰ, পি, আৰু আৰ, এল, জি, পি, আঁচনিৰ কামৰ কাৰণে প্ৰথম কিস্তি টকা দিয়া হ'ল যদিও ২য় কিস্তি আৰু ৩য় কিস্তিৰ টকা দিয়া হোৱা নাই। ইয়াৰ কাৰণে কাম বিলাক আৰম্ভ কৰা হ'ল যদিও ২য় কিস্তি আৰু ৩য় কিস্তিৰ টকা নোপোৱাৰ কাৰণে কাম বিলাক শেষ কৰিব

পৰা নাই। গতিকে ২য় কৃষ্টি আৰু ৩য় কৃষ্টিৰ টকা সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী, পঞ্চায়ত): এইটো কথা মই চাম।

শ্ৰীদুৰ্গা দাস বড়ো: মাননীয় অধ্যক্ষ মহোদয়, দুখীয়া মানুহৰ ঘৰ সজাৰ কাৰণে যি আঁচনি আছে সেইমতে চৰকাৰে ঘৰ সাজি দিছে। কিন্তু দেখা গৈছে যে যিবিলাক মানুহৰ দুটা বা তিনিটা কোঠাৰ ঘৰ আছে সেই বিলাক ভাঙি নতুন ঘৰ কৰা হৈছে আৰু কাৰোবাৰ ১০ ফুটি টিন থাকিলেও কাটি ৮ ফুটি কৰা হৈছে। কিন্তু আগৰ ঘৰ ভাঙি দিয়াৰ কাৰণে আৰু নতুন ঘৰ হোৱাত দেৰি হোৱাৰ কাৰণে মানুহ বিলাকৰ অসুবিধা হৈছে। গতিকে চৰকাৰৰ সিদ্ধান্ত মতে এই মানুহ বিলাকলৈ আগতীয়াকৈ পইচা পঠোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী, পঞ্চায়ত): মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিছিল। তথাপিও প্ৰশ্নটো আহিছে যেতিয়া মই এইটো কথা চাম।

শ্ৰীআব্দুল জব্বৰ: আৰ, এল, জি, পি, আঁচনিত কাম কৰা লোকসকলক কেনেকৈ পইচা দিয়া হয় ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী, পঞ্চায়ত): এই আঁচনিটো আগতেই লোৱা হৈছে আৰু এইটো কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। এই আঁচনি মতে কিছু অংশ টকাৰে দিয়া হয় আৰু কিছু অংশ চাউল দালি আদিৰে দিয়া হয়।

Shri A. F. Gulam Osmani: Sir, in course of questions and answers relating to this Department, it has been observed in the past so many things came up in this House and we do not get opportunity to go into details. In the mean time so many new things have come up and many new things have been introduced in the House at the Chair's instance. I would therefore like to suggest that a consulative Committee be constituted and attached with the Ministry just like that of Lok Sabha and Rajya Sabha so that monitoring of these things could be very easily

done. Sir, whether the Minister would agree to have such type of consultative Committee as in Lok Sabha and Rajya Sabha for better co-ordination which is very necessary so that details can be avoided.

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী, পঞ্চায়ত): মাননীয় অধ্যক্ষ মহোদয়, যিটো পৰামৰ্শ আগবঢ়াইছে সেইটো বিবেচনা কৰি চোৱা হব কি কি কৰিব পৰা যায়। টকাৰ কথা যিটো উত্থাপন কৰিছে সেইটোৰ কাৰণে এপ্ৰপ্ৰিয়েচন বিল পাচ হোৱা নাই। এপ্ৰপ্ৰিয়েচন বিল পাচ হলেই টকা দিয়াৰ ব্যৱস্থা কৰা হব।

শ্ৰীদেবেশ্বৰ বৰা ]
শ্ৰীহলিৰাম টেৰাং ] এইটো যোৱা বছৰৰ কথা। Sir, we are talking about 1985-86.

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী): যদি টকা দিয়া নাই, দিয়াৰ কাৰণে বিবেচনা কৰিম।

Hon'ble Speaker: Now next Question Hon'ble Shri Maziruddin Ahmed.

### Re: Post of Warden.

Shri Maziruddin Ahmed, asked:

* 528. Will the Minister, Health & F. W. Assam be please to state:

(a) Whether the post of a Warden fell vacant in the A. N. M. Training Centre under the Chief Medical and Health Officer, Goalpara?

(b) Whether there were more than one candidate applied for the said post?

(c) Is it a fact that one Reba Devi has been appointed in the said post without calling for an interview of the candidates?

Shri Chandra Mohan Patowari, (Minister, Health & F. W.) replied:

(a) Yes.

(b) Yes.

(c) Yes.

শ্ৰীমাজিৰুদ্দিন আহমেদ: মাননীয় অধ্যক্ষ মহোদয়, বহুত সংখ্যক পোষ্ট খালী থকা স্বত্বেও বিনা ইন্‌টাৰভিউৰে এজনক নিযুক্তি দিব পৰা যায় নেকি ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী, স্বাস্থ্য বিভাগ): বিনা ইন্‌টাৰভিউৰে নিযুক্তি দিব পৰাৰ নিয়ম নাই। কিন্তু এই ক্ষেত্ৰত গোৱালপাৰা নাচিং হোষ্টেলত প্ৰশিক্ষাৰ্থী থকাৰ কাৰণে মনিটৰিঙৰ প্ৰয়োজন হোৱাত এধক বেচিচত এজনক নিযুক্তি দিয়া হৈছে।

**Re: Revenue of Fisheries.**

Shri A. F. Golam Osmani, asked:

* 529. Will the Minister, Fisheries be pleased to State:

(a) The number of fisheries accruing revenue of less than Rs. 5,000.00 (Five thousand) in the State ?

(Please furnish information District wise.)

(b) The amount of Revenue earned from the above fisheries in last 5 years ?

(Please furnish information year wise)

(c) Whether there was policy decision to handover such fisheries to the local bodies like Gaon Panchayats ?

(d) If so, when and whether any steps have been taken in pursuance of the policy decision ?

Shri Nagen Sarmah, (Minister of Fisheries) replied:

(a) 337 (three hundred thirty seven) nos. Fisheries. (Districtwise information enclosed.) See at Annexure—II

(b) Rs. 17,38,639.52 (Rupees seventeen lakhs thirty eight thousand six hundred thirty nine and paise fifty two) only. Yearwise information is being collected and shall be placed on the table of the House when received.

(c) Yes. Policy decision was taken to handover such fisheries to Mahkuma Parishands under section 72 on the Panchayati Raj Act. of 1972.

(d) Steps are being taken since creation of the Mahkuma Parishad and these fisheries are handed over to the Mahkuma Parishad gredually.

Shri A. F. Golam Osmani : Mr. Speaker Sir, in view of the deplorable financial condition of the Mahkuma Parishads it was proposed as early as 1972 during the time of Chief Minister Shri Sarat Candra Sinha that this type of fisheries be handed over to the Mahkuma Parishads and the Gaon Panchayats are to be made responsible for their maintenance. It was a very good proposal but it has not been given effect to so long. Whether Minister can give assurance that he will take immediate step to handover these fisheries to the Mahkuma Parishads so that it can be managed by the respective Gaon Panchayats ?

শ্ৰীনগেন শৰ্মা, ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই ইতিমধ্যে ঘোষণা কৰিছো যে ৪৫ খন দিছো বাকী খিনি দিয়াৰ কাৰণে চেষ্টা কৰিছো।

বিষয় : কদম বগকৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

* ৫৩০/ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কদম বগকৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছে নেকি ?

(খ) যদি আৰম্ভ হৈছে তেন্তে এতিয়া কি পৰ্য্যায়ত কাম চলি আছে ?

(গ) নিৰ্মাণ কাৰ্য্য কেতিয়া শেষ হব অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, ( স্বাস্থ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, আছে। কদম বগকৰা নহয়, কদম বধাকৰাহে।

(খ) বৰ্ত্তমান মূল স্বাস্থ্য কেন্দ্ৰৰ গৃহৰ কাম শতকৰা ৮০ ভাগ আৰু চিকিৎসক ৩য় ও ৪ৰ্থ শ্ৰেণীৰ আবাস গৃহৰ কাম শতকৰা ৭০ ভাগ সম্পূৰ্ণ হৈছে।

(গ) এই বছৰৰ ডিচেম্বৰ মাহৰ ভিতৰত কাম শেষ হোৱাৰ আশা আছে।

**Re : Treatment Tuburculosis,**

Shri Ardhendu Kumar Dey, asked :

* 531. Will the Minister Health & F. W. Assam be please to state.

(a) The total number of Tuburculosis infected case under treatment in the State ( both Pulmonary and extra Pulmonary ) ?

(b) Whether such patients are getting proper facilities for investigations and treatment within the State ?

(c) Whether the X-Ray Machines and other instruments for investigations are properly functioning in all the Chest Hospitals ?

Shri Chandra Mohan Patowari, ( Minister, Health & F. W. ) replied :

(a) Total number of T. B. infected cases under treatment in the State are 61,980. Out of this 60,915 are Pulmonary and 1,065 are extra Pulmonary cases.

(b) Yes.

(c) Yes, except the X-Ray Machine of D. T. C. Dibrugarh which is presently out of order.

শ্ৰীদেৱেশ্বৰ বৰা ঃ X-ৰে মেচিনৰ কাৰণে এপ্ৰণ নোহোৱাকৈ চলি থকা কথাটো জানেনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, ( মন্ত্ৰী ) ঃ ডিব্ৰুগড় দি, টি, চি, ৰ বাহিৰে বাকী বিলাক ঠিকে চলি আছে।

ডাঃ কমলা কলিতা ঃ টি, বি, ৰোগীৰ চিকিৎসাৰ কাৰণে গুৱাহাটীত লোকপ্ৰিয় গোপীনাথ বৰদলৈ যিখন চিকিৎসালয় আছে তাৰ অৱস্থা একেবাৰে বেয়া। এইখনৰ উন্নতি কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লোৱা হৈছে নেকি ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, ( মন্ত্ৰী ) : পইচাৰ ওপৰত নিৰ্ভৰ কৰি লোৱা হব।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : নতুনকৈ সৃষ্টি কৰা জিলা বিলাকত যিবিলাক টি, বি, ক্লিনিক আছে সেই বিলাকত পেচেন্ট ৰখাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, ( মন্ত্ৰী ) : জিলা টি, বি চেন্টাৰ কৰা হৈছে। চাৰিওফালে সিঁচৰিত কৰি দিয়া নাই।

শ্ৰীবলোভদ্ৰ তামুলী : টি, বি, ৰোগী বিলাকক বিনামূলীয়াকৈ বেজী দিয়াৰ যি ব্যৱস্থা আছিল, সেইটো উঠাই দিছে নেকি যিহেতু এনে বেমাৰীয় বহু পইচা খৰচ কৰি বেজী কিনি লব লগা হৈছে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, ( মন্ত্ৰী ) : আচলতে টি, বি, চেন্টাৰত বিনামূলীয়াকৈ বেজী আদি ঔষধ দিয়াৰ ব্যৱস্থা উঠাই লোৱা নাই। অৱশ্যে কেতিয়াবা ঔষধ নাথাকিব পাৰে।

শ্ৰীবলোভদ্ৰ তামুলী : বোকাখাত চিকিৎসালয়ত টি, বি, ৰ কোনো দৰৱ, ইনজেক্‌চন নাই আৰু প্ৰতিষেধক ব্যৱস্থা লোৱা দেখা নাই। মন্ত্ৰী মহোদয়ে এই বিষয়ত লক্ষ্য ৰাখিবনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, ( মন্ত্ৰী ) : এইটো যোৰহাট টি, বি চেন্টাৰত পৰিব আৰু তাত খবৰ কৰিলে গম পাব। প্ৰতিষেধক ব্যৱস্থা হিচাপে বি, চি, জি বেজী, ভেক্‌চীন আদি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীআমিনুল ইচলাম : যোগাযোগ বিচ্ছিন্ন অঞ্চলত টি-বি বেমাৰীৰ বিশেষ ধৰণৰ চিকিৎসাৰ ব্যৱস্থা লবনে ? দক্ষিণ শালমৰা, মানকাচাৰ যোগাযোগত সম্পূৰ্ণ বিচ্ছিন্ন। ধুবুৰী জিলালৈ গৈ চিকিৎসা লোৱাত অসুবিধা লৈছে। গতিকে মন্ত্ৰী মহোদয়ে মানকাচাৰৰ সদৰ ঠাইত এটা টি-বি চেন্টাৰ খোলাৰ ব্যৱস্থা লবনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, ( মন্ত্ৰী ) : এই বিলাক পইচা হলে কৰিব পৰা হয়। ধুবুৰীত টি-বি চেন্টাৰ আছে, তাত ব্যৱস্থা কৰিব পাৰে। টি-বি চিকিৎসাৰ সেৱা বিকেন্দ্ৰীকৃত কৰিবৰ কাৰণে মোৰ এটা ভাৱ হৈছে। এই চিকিৎসাৰ বাবে শতকৰা ৫০ ভাগ কেন্দ্ৰীয় সাহায্য আৰু শতকৰা ৫০ ভাগ ৰাজ্যিক চৰকাৰৰ। বিকেন্দ্ৰীকৃত কৰাৰ কথা ভাবি আছো।

শ্ৰীআমিনুল ইচলাম: এই চিকিৎসাৰ ব্যৱস্থাটো জিলাৰ সদৰত কেন্দ্ৰীভূত হৈ আছে। গতিকে যোগাযোগ বিচ্ছিন্ন অঞ্চলত মন্ত্ৰী মহোদয়ে বিশেষ বিবেচনা কৰিবনে?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী): এই সম্পৰ্কত এটা পলিচি থাকিব লাগিব। মহকুমা ব্লক পৰ্য্যায়লৈ যাম এনে এটা পলিচি থাকিব লাগিব। কাতিগড়া সমষ্টিটো এনে বহু ভিতৰুৱা অঞ্চল আছে। গতিকে ক'ত ক'ত দিব তাৰ এটা পলিচি থাকিব লাগিব। পইচা পালে বিকেন্দ্ৰীকৃত কৰিম।

Starred Question No. 532 was deferred.

বিষয়: বনগাওঁ উন্নয়ন খণ্ডৰ ৰাস্তা।

শ্ৰীগোপী নাথ দাসে সুধিছে:

* ৫৩৩/ মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কামৰূপ জিলাৰ বকো বনগাওঁ উন্নয়ন খণ্ডৰ ১৯৮৬-৮৭ চনত মঞ্জুৰী দিয়া R. L. E. G. P. আঁচনিৰ ৰাস্তাবোৰৰ কাম চৰকাৰী নিয়ম অনুযায়ী কৰা হৈছে নে?

(খ) যদি হোৱা নাই, তেন্তে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে:

(ক) আৰু (খ) মাটিৰ মালিকে ঠায়ে ঠায়ে ১৯৮৬-৮৭ চনৰ আৰ-এল-ই-জি-পি আঁচনিৰ অন্তৰ্ভূক্ত দুটা ৰাস্তাৰ ক্ষেত্ৰত মাটি এৰি নিদিয়া বাবে নিয়ম মতে ৰাস্তা নিৰ্মাণ কৰাত অসুবিধা হৈছে। ৰাইজৰ সহায় সহযোগ লৈ এই বাধা সমূহ আঁতৰাবলৈ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীগোপী নাথ দাস: যোৱা বছৰ বকো বনগাওঁ ব্লকত দুটা ৰাস্তা চেংচন হৈছিল। তাৰ এটা আছিল বকো পয়ৰ ৰঙ্গা কলসীপাৰ। এই ৰাস্তাৰ কামৰ বাবে শ্ৰমীক সকলক কিছু পইচা আৰু চাউল দিয়া হয়। তেওঁলোকক ২/৩ কেজি চাউল টঃ ১.৮৫ হাৰত দিব লাগে। কিন্তু শ্ৰমীকৰ পৰা অভিযোগ পোৱা হৈছে যে টঃ ৩.০০ হাৰত চাউল দিয়া হৈছে। মন্ত্ৰী মহোদয়ে ইয়াৰ অনুসন্ধান কৰি বিহিত ব্যৱস্থা লবনে?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী) ঃ এই অভিযোগ সম্পৰ্কত চোৱা হব।

ডাঃ কমলা কলিতা ঃ বকো বনগাওঁ ব্লকৰ যিটো ৰাস্তাৰ কথা উল্লেখ তাৰ কিছু অংশ ছয়গাওঁ সমষ্টিত পৰে। ১৯৮৫-৮৬, ১৯৮৬-৮৭ চনত ৰাস্তা স্কুলঘৰৰ যি কামৰ অনুমোদন কৰা হৈছিল, সেই বিলাক সম্পূৰ্ণ নোহোৱা কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী) ঃ তেখেতে কোনটো ৰাস্তাৰ কথা কৈছে ধৰিব পৰা নাই। ১৯৮৬ ৮৭ চনৰ অন্তৰ্ভূক্ত আৰ-এল-ই-জি-পি আঁচনিৰ অন্তৰ্ভুক্ত বকো পয়ৰ ৰঙ্গা কলসীপাৰ আৰু কন্দাপাৰা গড়কাপ্তানি ৰাস্তাৰ পৰা মালা-চাপাৰা হৈ হাহিমলৈ যোৱা ৰাস্তা দুটাৰ নিৰ্মাণৰ কাম চলি আছে আৰু প্ৰয়োজনীয় বহল ৰাস্তা দুটাৰ সকলো ঠাইতে কৰিব পৰা হোৱা নাই, কিয়নো ৰাস্তা দুটাৰ ওচৰৰ কিছুমান মাটিৰ মালিকে মাটি এৰি দিয়াৰ ক্ষেত্ৰত অপাৰগতা প্ৰকাশ কৰিছে। ওপৰোক্ত অসুবিধাখিনি আঁতৰাই ৰাস্তাৰ কাম চৰকাৰী নিয়মানুযায়ী কৰাৰ কাৰণে চেষ্টা চলাই থকা হৈছে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক বি-এল-চি-চিৰ সভাপতি হিচাবে আৰু ৰাইজৰ প্ৰতিনিধি হিচাবে এটা সুমীমাংসা সোনকালে হব।

ডাঃ কমলা কলিতা ঃ বকো বনগাওঁ ব্লকত বকো মালাচাপাৰা আ-এল-ই-জি-পি পথত প্ৰায় এক লাখ খৰচ কৰা নাই। কিছু কাম কৰি বাদ দিছে। এই কামটো কিয় সম্পূৰ্ণ কৰা নাই।

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (মন্ত্ৰী) ঃ কামটো সম্পূৰ্ন কৰাৰ ব্যৱস্থা কৰা হব।

## Re : Ashish Transfusion.

শ্ৰীকমলা কলিতাই সুধিছে ঃ

* ৫৩৪/ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আৰু অন্যান্য চিকিৎসালয়ৰ বাবে এশীচ ট্ৰেনচফিউচন চেট ১৯৮৭-৮৮ চনত কিনা কথাটো সত্য নে ?

(খ) উক্ত Traosfusion চেট কোন কোম্পানীয়ে তৈয়াৰ কৰিছে আৰু ইয়াক কোনে যোগান ধৰিছে ?

(গ) উক্ত Tranfusion Set কিনোতে চৰকাৰে কিমান টকা খৰচ কৰিছে ?

(ঘ) উক্ত Transfusion Set টো উপযোগী নে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) সঁচা ।

(খ) উক্ত এশীচ ট্ৰেন্সফিউচন চেট (Ashish Transfusion) টো M/s Asish Sergical and Scientific Co. Delhi যে তৈয়াৰ কৰিছে আৰু যোগান ধৰিছে গুৱাহাটীস্থ North East Surgicals যে ।

(গ) উক্ত এশীচ ট্ৰেন্সফিউচন চেট (Asish Transfusion) টো কিনোতে চৰকাৰে সৰ্ব্বমুঠ ১,৭৩,৪৭২·৭৩ টকা খৰচ কৰিছে ।

(ঘ) ব্যৱহাৰৰ বাবে উপযোগী হয় ।

ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত জনাইছে ট্ৰেন্সফিউচন চেট বিলাক ব্যৱহাৰৰ উপযোগী বুলি কৈছে, কিন্তু মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে নেজানে যে এই চেট বিলাক মানুহৰ বা ৰোগীৰ ব্যৱহাৰ কৰিবৰ কাৰণে উপযোগী নহয় । প্ৰায় বিলাক বেচি সংখ্যক চিকিৎসকে অভিযোগ দিছে যে এই চেট বিলাক ব্যৱহাৰ কৰিব পৰা নাই আৰু বেলেগে চেট ব্যৱহাৰ কৰিবৰ কাৰণে কথা দিছে, এইটো সঁচানেকি ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই এইটো কথা নেজানো 'পাৰচেচ বোড'ৰ এক্সপাৰ্টেহে জানিব, অৰ্থাৎ তেওঁলোকেহে এই বিলাক কিনিছে। তথাপি এইটো কিয় এনে হবলৈ পাইছে মই তদন্ত কৰি চাম ।

ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নজনাটো স্বাভাৱিক। ইয়াত কোনোবা দুৰ্নীতিগ্ৰস্ত লোকে এই কাম বিলাক কৰি আছে। মোৰ হাতত এটা চেট আছে, এই বিলাক তাৰে এটি নমুনা সদনৰ জ্ঞাতাৰ্থে দেখুৱাইছো। এইবিলাক বস্তুৰেই তেওঁলোকে চাপলাই কৰি আছে। গতিকে এই দুৰ্নীতি কৰা বিষয়াৰ বিৰুদ্ধে তদন্ত কৰি বিহিত ব্যৱস্থা লবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে প্ৰকৃতাৰ্থত যদি এনেকুৱা হৈছে, তেনেহলে সেইটো তদন্ত কৰি দোষীৰ ওপৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিম। গতিকে বাৰে বাৰে একেটা কথাকে কৈ থাকিলে কেনেকৈ হব? মই কৈছোৱেই যে ইয়াৰ ওপৰত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিম ।

**Re : Fisheries in Baghbor Constituency.**

Shri Sheikh Abdul Hamid, asked :

* 535. Will the Minister, Fisheries be pleased to state :

(a) The number of Government fisheries in Baghbor Constituency ?

(b) What are the fisheries to be tenderd during 1988-89 and the Government rate for such fisheries ?

Shri Negen Sarmah, (Minister of Fisheries) replied :

(a) 7 ( seven ) nos. of Government Fisheries fall under Baghbor Constituency.

(b) Only 1 ( one ) has been settled by tender for Rs. 15,351·00 for the period 1988-89 and 1900-91.

শ্ৰীশ্বেখ অব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে বিল বিলাক নিবিদা নোহোৱাকৈ পোনপটিয়াভাবে দিয়া হয়। গতিকে মই মন্ত্ৰী মহোদয়ে এনকুৱাৰি কৰি ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীনগেন শৰ্মা, (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ভেলেঙি নদী ফিচাৰী ( ৪০ ভাগ )ৰ ১৯৮৮-৮৯ চনৰ বাবে ৪০,৮১০ টকা বন্দোৱস্তি দিয়া হৈছে। ভেলেঙি ৩ নং ফিচাৰী ১০ ভাগ ৮৮-৮৯ চনলৈ ১৫,৩৫১·০০ টকা। ধেনি, ধুমবুৰ নদী মীন মহল (১০ ভাগ) ৭,১০০ টকাত ৮৮-৯১ চনলৈ তিনিবছৰৰ বাবে দিয়া হয়। ন-খন্দা/বৌৰাচৰা নদী মীন মহল এবছৰ ৮৭-৮৮ ১১,০০০ হেজাৰ টকাত পোনপটিয়া বন্দোৱস্তি ২০/৪২/৪৪/৫৪/৬৯ বনীয়া স্নুতী নদী মীন মহল (৬০ ভাগ) ১৫,১২৫ টকা পোনপটিয়া বন্দোৱস্তি। ২৮/২৯/৬৮ খণ্ড বৰখনা মীন মহল পোনপটিয়া বন্দোৱস্তি এবছৰৰ বাবে ৭৭,০০০ টকাত দিয়া হব। ৬৪ নং বৰমোপা মীন সমবায় সমিতি ৩৫,৭০১ টকাত পোনপটিয়া বন্দোৱস্তি এবছৰৰ বাবে দিয়া হয়। ৮০ নং কুৰাজান মীন সমবায় সমিতি (৬০ ভাগ) পোনপটিয়া বন্দোৱস্তি ২৫,১০৩ টকাত এবছৰৰ বাবে বন্দোৱস্তি দিয়া হয়।

Shri A. F. Golam Osmani : Mr. Speaker, Sir, when the present Government came to power, some noval scheme was introduced for distribution of poultry items as well as fish among the city dwellers. Here a shop was set up in Dispur capital complex for selling poultry items. At the same time a fishery stall was also opened. Now whether the Hon'ble Minister will enlighten us if fish is available always for the consumers in this stall?

শ্ৰীনগেন শৰ্মা, (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, চাহিদা অনুপাতে দি থকা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে বিধায়কৰ কেনটিনত মাছ নাই কিন্তু মিনিষ্টাৰৰ কেনটিনত পোৱা যায়।

শ্ৰীনগেন শৰ্মা, (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অৱশ্যে এম-এল-এ বা মিনিষ্টাৰ বুলি কথা নাই, ৰাইজৰ চাহিদা অনুসৰি আমি দি আছো আৰু কেনেকৈ বেচি দিব পাৰি তাৰ বাবে চেষ্টা কৰি থকা হৈছে।

Hon'ble Speaker : Next Question No. 536 by Hon'ble member Shri Debeswar Bora.

## Undisposed Starred Questions.

(To which oral anwers were not called for. However nither answers deemed to have been laid on the table as follows )

**বিষয় : গ্ৰামোন্নয়ন আৰু পঞ্চায়ত একত্ৰীকৰণৰ কাৰ্য্যকাৰিতা।**

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

* ৫৩৬/ মাননীয় গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলাঘাট জিলা গ্ৰামোন্নয়ন এজেঞ্চি (DRDA Golaghat) গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি?

(খ) যদি কৰিছে গোলাঘাট জিলাত প্ৰকল্প সঞ্চালক নিয়োগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) ভাৰত চৰকাৰৰ পৰা সন্মতি পোৱা গৈছে। সোনকালে গোলাঘাট গ্ৰামোন্নয়ন সংস্থা গঠন কৰা হব।

(খ) হয়। গ্ৰামোন্নয়ন সংস্থা গঠন হোৱাৰ লগে লগে কৰা হব।

**Re : Planting of trees under Matia Block.**

Shri Maziruddin Ahmed, asked :

* 537. Will the Minister, Rural Development be pleased to state :

(a) The amount budgeted under the N.R.E.P. & R.L. E.G.P. scheme for the year 1987-88 for the planting of trees under Matia Block of Goalpara ?

(b) No. of trees planted under each of the schemes ?

(c) The amount spent to fence those trees under each of the scheme ?

(d) Whether any watchman have been appointed to guard those trees and if so please state the number of whether they are paid regularly their wages ?

Shri Chandra Arandhara, (Minister, Rural Development) replied :

(a) (i) N. R. E. P. = Rs. 1,29,000·00
(ii) R.L.E.G.P. = Rs. 88,800·00

(b) (i) N. R. E. P. = 17,200 Nos.
(ii) R.L.E.G.P. = 11,850 Nos.

(c) (i) N. R. E. P. = Rs. 67,070·00
(ii) R.L.E.G.P. = Rs. 45,987·00

(d) Yes

(i) N. R. E. P. = 13 Nos.

(ii) R.L.E.G.P. = 8 Nos.

Paid for six months with the fund made available for the purpose Rs. 100/- P.M.

**Re : 200 bedded Hospital at Mangaldoi.**

Shri Abdul Jabbar, asked :

* 538. Will the Minister Health & F.W. Assam be please to state :

(a) When the foundation of Mangaldoi 200 bedded Hospital was laid down ?

(b) The progress of the work of the said Hospital at present ?

Shri Chandra Mohan Patowary, (Minister Health & F.W.) replied :

(a) Foundation stone not yet laid.

(b) Does not arise.

**বিষয় ঃ ছমৰীয়া উন্নয়ন খণ্ডৰ ৰাস্তা নিৰ্ম্মাণ।**

শ্ৰীগোপী নাথ দাসে সুধিছে ঃ

* ৫৩৯/ মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৬-৮৭ চনত কামৰূপ জিলাৰ ছমৰীয়া উন্নয়ন খণ্ডত R.L.E.G.P. আচনিৰ অধীনত নিৰ্মাণ কৰা ৰাস্তাবোৰৰ কাম টকাৰ অভাবত সম্পূৰ্ণ কৰিব নোৱাৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) যদি ব্যৱস্থা গ্ৰহণ কৰা নাই তেন্তে ইয়াৰ কাৰণটো কি ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা নহয় ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

**Re : Primary Health Centre at Baladmari Char.**

Shri Maziruddin Ahmed, asked :

* 540. Will the Minister Health & F. W. Assam be please to state :

(a) When the Primary Health Centre at Baladmari was established ?

(b) Is there any Doctor or Nurse to treat the patient in the said health centre from its inception ?

(c) If not why ?

(d) Will the Government take immediate steps to appoint a Doctor in the said Primary Health Centre ?

Shri Chandra Mohan Patowary, (Minister Health & F.W.) replied :

(a) No Primary Health Centre at Baladmari Char has yet been established.

(b) (c) & (d) Does not arise.

## UNSTARRED QUESTIONS

বিষয় ঃ মঙ্গলদৈ সমষ্টিত চিকিৎসালয় ।

শ্ৰীনীলমনি দাসে সুধিছে :

১০০৩/ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) দৰং জিলাৰ মঙ্গলদৈ সমষ্টিত বৰ্ত্তমানলৈ কোনো ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় স্থাপিত হোৱা নাই বুলি চৰকাৰ অৱগতনে ?

(খ) দৰং জিলাৰ মঙ্গলদৈ সমষ্টিৰ অন্তৰ্গত এলেকাত এটা স্বাস্থ্য উপকেন্দ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰাৰ কথা চৰকাৰে জানেনে ?

(গ) অঞ্চলটোৰ অনগ্ৰসৰতা আৰু অনুসূচীত জাতি ও জনজাতি লোকক পাবলগীয়া সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি নিম্ন লিখিত স্বাস্থ্য সেৱাৰ সুবিধা-খিনি দিয়াৰ ব্যৱস্থা কৰিবনে ?

১। ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়—

(i) কলাইগাওঁ-চপাই উন্নয়ন খণ্ডৰ জল্‌জলি প্ৰাথমিক চিকিৎসালয়ক নীতি-গত ভাবে ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়লৈ উন্নীতকৰণ ?

(ii) দলগাওঁ-শিয়ালমাৰী উন্নয়ন খণ্ডৰ অনুসূচীত জনজাতি অধ্যুষিত এলেকা ভকতপাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰক ৩০ খন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ।

২। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ—

(i) জনজাতীয় অধ্যুষিত এলেকা তেতেলিগুৰি, ২ নং ঝাৰগাওঁ ( কলিতা পাৰাৰ কাষত )

(ii) জনবসতিপূৰ্ণ অনগ্ৰসৰ এলেকা ঔতলা ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়, জানে। নিজদাহী উপ-স্বাস্থ্য কেন্দ্ৰখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰিবৰ কাৰণে সিদ্ধান্ত লোৱা হৈছে।

(গ) (১) (i) আৰু (ii) জল্‌জলি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ভকতপাৰা ভেষজালয় দুখন ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়লৈ উন্নীতকৰণৰ বাবে প্ৰাক্‌কলন বিচৰা হৈছে।

(২) (i) তেতেলিগুৰিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ কোনো সিদ্ধান্ত লোৱা নাই। বিবেচনা কৰা হব।

ঝাৰগাওঁত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে প্ৰাক্‌কলন বিচৰা হৈছে।

(ii) ঔতলাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে প্ৰাক্‌কলন বিচৰা হৈছে।

বিষয়ঃ করিমগঞ্জ, হাইলাকান্দি ও শিলচর পরিষদের বাজার।

শ্রীরমেন্দ্র দেই জিজ্ঞাছা করিয়াছেন:

১০০৪/ মাননীয় পঞ্চায়েত বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

(ক) করিমগঞ্জ, হাইলাকান্দি ও শিলচৰ মহকুমা পরিষদের নিয়ন্ত্রণে কতটি বাজার আছে আর সেই বাজার বিক্রী করে ১৯৮৩ ইংরেজী থেকে ১৯৮৮ ইংরেজী পর্য্যন্ত কত টাকা আয় হয়েছে? বছর ভিত্তিক বিক্রয় মূল্য সহ বাজারের তালিকা দিতে হইবে।

(খ) ১৯৮৩ ইংরেজী থেকে ১৯৮৮ ইংরেজী পর্য্যন্ত তিনটি মহকুমা পরিষদের নিয়ন্ত্রণাধীন বাজারের উন্নয়নমূলক কাজের জন্য ব্যয় কত টাকা হয়েছে? (বছর ভিত্তিক উন্নয়ন ব্যয় সহ বাজারের তালিকা দিতে হইবে)

শ্রীচন্দ্র আৰান্ধৰা, (পঞ্চায়ত বিভাগৰ মন্ত্রী) যে উত্তৰ দিছে:

(ক) কৰিমগঞ্জত ৫৭ খন, হাইলাকান্দিত ২ খন আৰু শিলচৰত ১১ খন মুঠ ৭০ খন বজাৰ আছে আৰু সেই বজাৰবোৰ বন্দোৱস্তী কৰি ১৯৮৩ চনৰ পৰা ১৯৮৮ চনলৈ কৰিমগঞ্জত ১১,৬৭,৩৬৯.৯৮ টকা, হাইলাকান্দিত ৮৬,৬৪৭.০০ টকা আৰু শিলচৰত ৩,৮৯,৬৫৭.০০ টকা মুঠ ১৬,৪৩,৬৭৩.৯৮ টকা আয় হৈছে। কৰিমগঞ্জ মহকুমা পৰিষদৰ ১৯৮৩-৮৪ বছৰৰ আয় তথ্য পালে সদনত দিয়া হব। বছৰ ভিত্তিক বিক্রয় মূল্য সহ তালিকা লগত গাঠি দিয়া হ'ল।

(See the list at Annexure—III)

(খ) উক্ত তিনিওখন মহকুমা পৰিষদৰ নিয়ন্ত্রণাধীন বজাৰৰ উন্নয়নমূলক কামৰ বাবে মুঠ ২,৮৪,২২৪.৩০ টকা ব্যয় কৰা হয়। বছৰ ভিত্তিক উন্নয়ন ব্যয় সহ বজাৰৰ তালিকা তলত গাঠি দিয়া হ'ল। কৰিমগঞ্জ মহকুমা পৰিষদৰ ক্ষেত্রত ১৯৮৩-৮৪ চনৰ ব্যয়ৰ হিচাপ পালে সদনত দিয়া হব।

**Re: Construction of a road at Dudpatil.**

Shri Altaf Hussain Mazumdar asked:

1005. Will the Minister, Rural Development be pleased to state:

(a) Is it a fact that a road was constructed under N.R.

E.P. at Dudpatil Gaon Panchayat under Udarbond Development Block of Cachar, if so it was in which year's scheme, what was the total amount sanctioned and the amount spent with the date and number of Muster Roll labours and rate and total amount paid muster roll wise?

(b) What was the length covered by estimate and breadth of the road in the estimate and what was estimated length and breadth of the road now in existence on the spot?

(c) How many culverts are there in the road and the amount spent in each culvert and the specification provided in the estimate?

(d) Whether payment to labourers were made either in cash or kind?

Shri Chandra Arandhara, (Minister, Rural Development) replied:

(a) In Dudpatil G. P. area under Udarbond Development Block as many as 10 (ten) N.R.E.P. Roads Projects were taken up during the period from 1981-82 to 1985-86 with varying amounts. The specific Raod Project in respect of which the particulars are required has not been spelt out in the question rendering it difficult to furnish the details.

(b) Does not arise.

(c) Does not arise.

(d) Does not arise.

**Re: Supervising Officer for distribution of Kerosene.**

Shri Sheikh Abdul Hamid asked:

1006. Will the Minister, Food & Civil Supplies be pleased to state :

(a) The system of distribution of Kerosene Oil at the district level ?

(b) Whether there is any official at the Block Development level representing Supply Department to supervise the functioning of the public Distribution System ?

(c) Whether there is any survey to assess the requirment of Kerosene oil required by the consumers ?

(d) If so, what are the modalities ?

(e) The requirement of Kerosene Oil in Barpeta District ?

(f) The quantity of Kerosene Oil distributed in Mandia Development Block in 1986-87 and 1987-88 ?

Sri Biraj Kumar Sarma, ( Minister, Food & Civil Supplies ) replied :

(a) Kerosene Oil is distributed through the agents of the Gaon Panchayat Samabai Samities in rural areas and Fair Price Shops Retail agen's/Hawkers in the urban areas of the State.

(b) There are area officers viz. Inspector/Sub-Inspectors of Food & Civil Supplies to supervise the functioning of Public Distribution System in the Block Development areas.

(c) No.

(d) As per reports received from District/Sub-Divisional authorities the requirement of S. K. Oil is estimated at 20,000 M.T. Kerosene Oil per month for the whole State.

(e) 2000 M.T.

(f) Kerosene Oil distributed in Mandia Development Block areas during 1986-87 and 1987-88 under Public

Distribution System are as follows :

1986-87 = 1450 KL

1987-88 = 1545 KL

**Re : Pension to Freedom Fighters.**

Shri Maziruddin Ahmed asked :

1007. Will the Minister, Pension be pleased to state :

(a) Total number of receipants of State Political Pension for Freedom Fighters in Assam ? (Please state numbers Sub-Division wise.)

(b) Is it a fact that the Government increased the amount of monthly Pension sometime back and after payment for sometime on increased scale stopped payment and the Pensioners were asked to refund the increased sum drawn by them ?

(c) If so, reasons there of ?

(d) Is it a fact that the State Government has dicided to increase the question of Pension of the Freedom Fighters to Rs. 300/- (Rupees three hundred) P. M. ?

(e) If so, when this has been given effect to ?

Shri Prafulla Kumar Mahanta, (Chief Minister) replied :

(a) Total number of receipants of State Freedom Fighter Pension in Assam is 4783. (Sub-Division wise break up is given as per enclosed list)

(See the list at Annexure—IV

(b) Yes. The Government propose to increase the rate of State Freedom Fighter Pension to Rs. 300/- from the existing rate. Government did not pass any order for stoppage of Pension.

(c) Does not arise.

(d) Yes, from 1-1-1988.

**Re : Construction of Latrine.**

Shri A. F. Golam Osmani asked :

1008. Will the Minister, Rural Development be pleased to state :

(a) Names and address of the Householder at whose premises Sanitary Latrines were constructed under Rural Sanitary Latrine scheme in 1985-86, 1986-87 and 1987-88 ?

( Please Supply information Panchayat wise )

(b) The amount spent in the construction of the Latrine in the period under the reference ?

( Please state yearwise )

(c) The cost of per Unit of Latrine yearwise ?

(d) The average quantity of cement, bricks and rods needed per unit ?

Shri Chandra Arandhara, ( Minister, Rural Development ) replied :

(a) & (b) Information is being collected and will be placed in the House as soon as available.

(c) Per Unit Cost Rs. 1030/-

( as per 1985-86, 1986-87 and 1987-88 estimates. )

(d) Roughly one bag of Cement and 250 Bricks subject to minor local variations. No rods are used for this construction.

**Re : Selection of fishery under I. R. D. P.**

Shri A. F. Golam Osmani asked :

1009. Will the Minister, Rural Development be pleased to state :

(a) Number of (i) Fishery
(ii) Cane & Bamboo works and
(iii) M. I. D. C. schemes
(iv) Blacksmith under
I. R. D. Programme were selected in 1985-86 and 1986-87 in Ruposi block of Barpeta district ?

(b) Who are the beneficiaries ?
( Please state scheme wise with description )

Shri Chandra Arandhara, ( Minister, Rural Development ) replied :

| (a) | 1985-86 | 1986-87 |
|---|---|---|
| (i) Fishery | 45 Nos. | 26 Nos. |
| (ii) Cane & Bamboo Works | Nill | 4 Nos. |
| (iii) M. I. D. C. | 15 Nos. | 13 Nos. |
| (iv) Blacksmith | Nil | Nil |

(b) Beneficiary list for the years 1985-86 and 1986-87 are enclosed at Annexure I & II. ( See the list at Annexure – V (A) & V (B) )

**Re : Levy Sugar for Ruposi Block.**

Shri A. F. Golam Osmani, asked :

1010. Will the Minister, Food and Civil Supplies be pleased to state :

(a) The quantity of levy sugar distributed in Ruposi Block of Barpeta District in 1985-86, 1986-87 and 1987-88 ?

(Please stats figures Gaon Panchayat-wise)

(b) The machinary through which levy Sugar is distributed ?

(c) The requirement of levy Sugar for Ruposi Block ?

(b) The quantum at which levy sugar is distributed to the public ?

Sri Biraj Kumar Sarma, ( Minister, Food & Civil Supplies ) replied :

(a) Quantities of Levy Sugar distributed in Ruposi Development Block of Barpeta Sub-division during 1985-86, 1986-87 and 1987-88 are as under :-

(figure in quintals)

| | 1985-86 | 1986-87 | 1987-88 |
|---|---|---|---|
| 1. Dakshin Titapani, GPSS | 1479·00 | 963·00 | 1043·00 |
| 2. Uttar Titapani, GPSS | 1610·00 | 1227·00 | 1109·00 |
| 3. Dakshin Ruposi GPSS | 1254·00 | 1010·00 | 1159·00 |
| 4. Uttar Ruposi GPSS | 1263·00 | 1083·00 | 1301·00 |
| 5. Pub D. C. Bousi GPSS | 1254·00 | 1031·00 | 1305·00 |
| 6. Pachim D. C. Bousi GPSS | 1159·00 | 1031·00 | 1132·00 |

(b) Levy sugar is distributed under Public Distribution System through the agents of the G.P.S.S. in rural areas and Fair Price Shops in urban areas, in our State.

(c) The monthly requirement of Ruposi Development Block is 735 quintals.

(d) The quantum of distribution of levy sugar is 425 grams per capital per month subject to availability and supply position of levy sugar.

## Re : Distribution of Kerosene.

Shri A. F. Gulam Osmani, asked :

1011. Will the Minister, Food and Civil Supplies be pleased to state :

(a) The machinery through which Kerosene Oil is distributed ?

(b) Total requirement of Kerosene Oil in the State and the quantity distributed through Public Distribution system in 1986-87 and 1987-88 ?

(c) Quantity of Kerosene Oil distributed in 1986-87 and 1987-88 in Ruposi Development Block area of Barpeta district ?

(Please furnish information G.P.S.S.-wise)

(d) The description of Authorised Dealers or Agents entrusted with the distribution of Kerosene Oil in Ruposi Development Block ?

(Please furnish information G.P.S.S.-wise)

Shri Biraj Kumar Sarma, (Minister, Food & Civil Supplies ) replied :

(a) Kerosene Oil is distributed through the agents of the Gaon Panchayat Samabai Samities's in rural areas and Fair Price Shops/Retail Dealers/Hawkers in the urban areas of the State.

(b) The requirement and distribution of Kerosene Oil through Public Distribution System in the State during 1986-87 and 1987-88 are as follows :

| | Requirement | Allocation | Distribution |
|---|---|---|---|
| 1986-87 = | 2,40,000 MT | 2,07,610 MT | 2,55,776·2 MT |
| | | | or 1,99,047·7 MT |
| 1987-88 = | 2,40,000 MT | 2,35,635 MT | 2,93,691·6 KL |
| | | | or 2,28,561·6 KL |

(c) Quantities of Kerosene Oil distributed in Ruposi Development Block areas of Barpeta district during 1986-87 and 1987-88 are as follows :

| | 1986-87 | 1987-88 |
|---|---|---|
| 1. Uttar Ruposi GPSS | 190 KL | 194 KL |
| 2. Dakshin Ruposi GPSS | 240 KL | 248 KL |
| 3. Uttar Titapani GPSS | 168 KL | 170 KL |
| 4. Dakshin Titapani GPSS | 140 KL | 145 KL |
| 5. Pub D. C. Bousi GPSS | 240 KL | 246 KL |
| 6. Pachim D. C. Bousi GPSS | 195 KL | 205 KL |
| Total | 1173 KL | 1208 KL |

(d) Kerosene Oil is distributed under Public Distribution System through the agents of the Gaon Panchayat Samabai Samities's in Ruposi Development Block areas of Barpeta District.

বিষয় ঃ মঙগলদৈ অসামৰিক চিকিৎসালয়।

শ্ৰীনীলমণি দাসে সুধিছে ঃ

১০১২/ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অহা বছৰত দৰং জিলাৰ সদৰ মঙলদৈ চহৰৰ অসামৰিক চিকিৎসালয়ৰ পুনৰনিৰ্মান আৰু আধুনিকীকৰণৰ যোগে ২০০ খন বিছনাযুক্ত চিকিৎসালয়লৈ সম্প্ৰসাৰিত কৰাৰ কোনো পৰিকল্পনা স্বাস্থ্য বিভাগে লৈছে নেকি ?

(খ) যদি লৈছে, এই সন্দৰ্ভত খাটাং সিদ্ধান্ত কেতিয়া লোৱা হব ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়। লোৱা হৈছে।

(খ) গড়কাপ্তানী (গৃঃ) বিভাগৰ পৰা প্ৰাক্‌কলন বিচৰা হৈছে। প্ৰাক্‌কলন পালে পুঁজীৰ ওপৰত নিৰ্ভৰ কৰি প্ৰশাসনীয় অনুমোদন দিয়া হব।

**Re : Schools and road constructed under N.R.E,P, and R.L.E.G.P. Schemes.**

Shri Ramendra De, asked :

1013. Will the Minister, Panchayat and Rural Development be pleased to state :

Total number of schemes of Social Forestry under N.R.E.P. and R.L.E.G.P. executed during the year 1983 to 1987 in the District of Cachar and Karimganj ?

(Furnish Blockwise and G.P. wise)

Shri Chandra Arandhara, ( Minister, Panchayat and Rural Development ) replied :

Total number of schemes of social Forestry under N. R. E. P. and R. L. E. G. P. in Cachar and Karimganj District— 788.

(Cachar—N.R.E.P.—219, R.L.E.G.P. – 146. Karimganj N.R.E.P. – 231, R.L.E.G.P.—192).

(Social Forestry Scheme under N.R.E.P. , R.L.E.G.P. was not executed during 1983-84 and 1984-85 in Cachar District).

Block-wise and G.P. wise list are being collected and will be placed in the House as soon as available.

## Re : Construction of N.R.E.P. Road

Shri Altaf Hussain Mazumdar, asked :

1014. Will the Minister, Rural Development be pleased to state :

(a) Is it a fact that Udarbond Development Block of Cachar took up construction of NREP road, from Srinagar M.N.P road to E. & D Bund, if so the scheme of which year, amount of scheme length and breadth of the road and earlier profile i. e. before construction of this road ?

(b) What is the total length and breadth constructed and amount spent date and Muster Roll wise and rate of payment with dates and who was the Junior Engineer in charge of the work ?

(c) Whether the entire amount has been spent and if so how much on earth work and how much on culvert ?

(d) Whether the road is complete according to specification ?

Shri Chandra Arandhara, (Minister, Rural Development) replied :

(a) Udharbond Development Block took up Constrution of N.R.E.P. road from Srinagar Dudpatil MNP road to E & D bund via Chotodudpatil, in 1985-86.

i) Year – 1985-86

ii) Estimated cost Rs. 45,000/-

iii) Estimated length – 690 meteres
Estimated breadth – 6 meteres

iv) Earlier profile— Nil

(b) i) Total length constructed— 448 (meteres)

ii) Total breadth constructed 6 meteres

iii) Total amcunt spent— Rs. 41,967·03

iv) Date and muster Rollwise amount spent with date of payment

| Date | Amount spent | Rate of payment per labour per day |
|---|---|---|
| 5-3-87 | Rs. 11,628·00 | Rs. 12/- |
| 5-3-87 | Rs. 164·65 | – |
| 13-3-87 | Rs. 8,268·00 | Rs. 12/- |
| 13-3-87 | Rs. 6·65 | – |
| 26-3-87 | Rs. 11,820·00 | Rs. 12/- |
| 26-3-87 | Rs. 2·25 | Rs. — |
| 24-4-87 | Rs. 7,460·25 | Rs. 12/- |
| 25-4-87 | Rs. 2,617·23 | Rs. 12/- |

Amounts include some contingency expenditures also.

v) Shri Sashi Bhusan Acharjee, Junior Engineer of the Udarbond Development Block was incharge of the Project.

(c) i) The entire amount has not been spent.

ii) The amount spent on earth work Rs. 41,793·48.

iii) No expenditure made on culvert.

(d) As per information received road completed up to 448 meteres accordingly to specification.

**Re : Construction of R L E G P Road.**

Shri Altaf Hussain Mazumdar, asked :

1015. Will the Minister, Rural Development be please to state :

(a) Is it a fact that Udarbond Development Blcck of Cachar stated construction of a R L E G P road from Haticherra (Hatichera) Maduramukh P.W.D. road to Bajkhal ?

(b) If so which years the scheme was total amount of the estimate, estimated length and breadth, prcfile of the existing road before taking up under R L E G P and the length estimated and the estimated number and anount of culverts ?

(c) The length and width of the road achieved by this time, and number of culverts and the amount already spent and the balance amount ?

(d) Dates of payment and the amount paid the rate paid, number of labourers paid by each Muster Roll ?

(e) Whether payment has been made by cash or food grains ? (Muster Roll of the food grains may be furnished and also of cash payments)

(f) Total length and breadth of the road constructed ?

(g) Is it a fact that a part of the road was in existence and earlier work was done under N R E P and overlapping of the scheme has taken place and if so what amount was spent under N R E P ?

Shri Chandra Arandhara, (Minister, Rural Development) replied :

(a) Yes.

(b) The road Project was sanctioned for 1985-86 under RLEGP and construction was taken up in 1986-87. The total cost as per estimate was Rs. 3.38,100 Estimated length

of the road was 2015 meter and estimated breadth 7·85 meters. There are 7 Nos. culverts of 7·5 meters length at a total estimated cost 56,000/- along the entire length running for 2015 meters.

(c) Total length constructed so far is 1933 meters 6 to 7 meters wide with 2 culverts, at a cost of Rs. 1,759,40·18 lakh. Balance amount required Rs. 1,62159·82 lakh.

| Date of M. R. | Amount | No. of labourers | Rate |
|---|---|---|---|
| 28-5-87 | Rs. 10,200 | 35 Nos. | @ Rs. 17/- per labourer per day |
| 11-6-87 | Rs. 14,790.00 | 51 „ | -do- |
| 12-6-87 | Rs. 12,988.00 | 45 „ | -do- |
| 15-6-87 | Rs. 13,600.00 | 47 „ | -do- |
| 2-7-87 | Rs. 14,483·48 | 56 „ | -do- |
| 23-6-87 | Rs. 6,799·50 | 23 „ | -do- |
| 10-7-87 | Rs. 10,744·50 | 33 „ | -do- |
| 28-7-87 | Rs. 10,380·00 | 36 " | -do- |
| 3-9-87 | Rs. 11,011·00 | 38 " | -do- |
| 28-9-87 | Rs. 4,625·00 | 16 " | -do- |
| 20-10-87 | Rs. 5,180.00 | 18 " | -do- |
| 19-9-87 | Rs. 9,000·00 | 20 " | -do- |
| 31-7-87 | Rs. 1,989·00 | 9 " | -do- |
| 4-12-87 | Rs. 2,525·75 | 10 " | -do- |
| 19-12-87 | Rs. 3,485·00 | 12 „ | -do- |
| 19-1-88 | Rs. 1,292·00 | 5 " | -do- |
| 1-2-88 | Rs· 1,850·00 | 6 " | -do- |
| 3-2-88 | Rs. 2,495·00 | 8 " | -do- |
| 5-2-88 | Rs. 2,958·00 | 10 " | -do- |

| | | | | |
|---|---|---|---|---|
| 9-2-88 | Rs. | 5,405·70 | 9 " | -do- |
| 12-2-88 | Rs. | 2,960·00 | 10 " | -do- |
| 1-3-88 | Rs. | 1,999·00 | 7 " | -do- |
| 8-3-88 | Rs. | 1,479·00 | 5 " | -dc- |
| 10-3-88 | Rs. | 1,479·00 | 5 " | -do- |

(e) Payment was made both in cash and foodgrains.

(f) As per information received 1933 meteres have been constructed with 6 to 7 meteres width.

(g) No part of the Road was in existence.

**Re : Construction of Salitakandi L. P. School.**

Shri Altaf Hussain Mazumdar asked :

1016. Will the Minister, Rural Development be pleased to state -

(a) Is it a fact that Udarbond Development Block (Cachar) took up the construction of 286 Chalita Kandi (Chalitakandi) L. P. School ?

(b) If so under which scheme and which year estimated amount, date of starting construction and the work done upto date, and the upto date expenditure incurred and upto date materials used viz. Cement, Sand, Stones, Bricks, M/S Rods, Timber etc. ?

(c) Amount spent in purchasing bricks, cement, M/S Rod, C. I. Steel Stones and the amount spent in Labour payment and the quality of the above items purchased ?

(d) Whether the entire quantity of the items mentioned in (b) has been used and if not the balance quantity left ?

(e) Is the Government aware that substandard materials such as 2nd, 3rd class bricks have been used ?

(f) The time required for construction of a L. P. Building and when the aforesaid school will be completed ?

Shri Chandra Arandhara, ( Minister, Rural Development ) replied :

(a) Udharbond Development Block took up the construction of 186 Chalitakandi L. P. School.

(b) i) R. L. E. G. P. 1984-85 scheme.

ii) Estimated amount : 45,000/-

iii) Date of starting of construction : 25-2-86.

iv) Work done up to date : Construction completed upto lintel level, roofing structure awaiting fitting.

v) Upto date expenditure incurred : 45,326.75.

vi) Upto date materials used : 1. Cement – 40 bags

2. Sands – 8m³.

3. Chips – 6m³.

4. Bricks – 7000 Nos.

5. Timber – 3.32m³.

6. M.S. Rod–5.22 Qutls.

(c) Amount spent in purchasing Bricks, Cement, M/S Rod, G.C.I. Sheet, chips etc. :— Rs 35,450·25 Amount on labour wages :– Rs. 8,976.50. Quality of the above materials :—As per information received, No substandard materials was purchased and used.

(d) The entire quantity of items mentioned in (b) has been used. However some materials still to be used of the total materials purchased are below :—

1. GCI Sheets – 60 Nos. of 8' ft. length

2. Bricks— 2000 Nos.

3. Chips— 1m³

4. Sand— 1m³
5. Timber— 1m³

(e) As per information received no sub-standard materials such as second and third class bricks appear to have been used.

(f) In normal circumstances it takes one to three month for completion of a school building. As per report of the DRDA, the construction work will be completed soon.

**Re : Bahadurpur L, P. School.**

Shri Altaf Hussain Mazumdar asked :

1017. Will the Minister, Rural Development be pleased to state :

(a) Is it a fact that Uderbond Development Block of Cachar constructed Bahadurpur L. P. School building, if so

i) Under which scheme of which year

ii) When it was started and was it completed,

iii) Sanctioned amount for the school and the amount spent ?

(b) Is it a fact that the construction work of the school was carried on with sub-standard materials and the construction was not in conformity with prescribed specification and a result the school fell down before it could be used ?

(c) If so who were the junior Engineers in-charge of the construction of the said school at the relevant period ?

(d) Whether any enquiry was conducted by any officers of DRDA Cachar by anybody else for the above school, if so report of enquiry may be furnished ?

(e) Is it a fact that responsibility has been fixed on the junior Engineer, if so who is he and what action has

been taken against him and the B.D.O who is incharge of the work ?

Shri Chandra Arandhara, ( Minister, Rural Development ) replied :

(a) Yes sir,

i) Under N-R-E-P for 1986-87.

ii) Construction started on 8-1-88 & not yet completed.

iii) Sanctioned amount Rs. 80,000/- and the amount spent is Rs. 36,770.30 upto 24-2-88.

(b) (d) & (e) An enquiry was made by APO, Technical of Cachar DRDA. A copy of the report is enclosed herewith. The report is not comprehensive. A Directorate level enquiry will be conducted to look into the various points like quality of materials, observance of norms, fixing of responsibilities in case of any lapse, etc.

( See the Report at Annexure – VI )

(c) Shri Anjan Bhattacharjee, Junior Engineer of Udharbond Development Block.

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : Now Item No. 2 Hon'ble Minister Shri Digen Chandra Bora to reply.

* শ্ৰীদীগেন চন্দ্ৰ বৰা, ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, অপৰ্য্যাপ্ত পৰিমানৰ প্ৰাকৃতিক সম্পদ থকা স্বত্বেও ৰাজ্যখনে উদ্যোগিক ক্ষেত্ৰত তুখ লগাকৈ পিচ পৰি থকাত বৰ্ত্তমানৰ চৰকাৰ বিশেষ ভাবে উদ্বিগ্ন। দ্ৰুত উদ্যোগিক উন্নয়নৰ বাবে আৰু লগতে স্বনিয়োজন আঁচনিৰ যোগেদি উপযুক্ত কৰ্ম সংস্থাপনৰ পৰিধি সম্প্ৰসাৰণৰ হেতু ১৯৮৬ চনত বিধান সভাৰ মজিয়াত নতুন উদ্যোগিক নীতি ঘোষণা কৰা হৈছিল।

---

* Speech not corrected

সন্মানিত সদস্য সকলক জনাব পাৰি সুখী হৈছো যে এই নতুন উদ্যোগ নীতিৰ সুফল ইতিমধ্যে আৰম্ভ হৈছে। নতুন উদ্যোগ নীতি ঘোষণা কৰাৰ পাচত ৰাজ্যৰ উদ্যোগিক বাতাবৰণ উজ্জ্বল হৈ পৰিছে। মাননীয় সদস্যসকলে শুনি সুখী হব যে ১৯৮৬ চনৰ উদ্যোগিক নীতি অনুসৰি উদ্যোগ বিভাগে নতুন উদ্যোগ গোট সমূহক নানা প্ৰকাৰৰ সহায় সহযোগ আৰু উদগণি দিয়াৰ কাম ইতিমধ্যে আৰম্ভ কৰিছে।

বহু বছৰ ধৰি মজলীয়া আৰু বৃহৎ উদ্যোগৰ সংখ্যা অপৰিবৰ্ত্তিত অৱস্থাত আছিল। এই চৰকাৰে শাসন ভাৰ লোৱাৰ পৰা ৰাজ্যত—

১। তিনিটা পলিষ্টাৰ স্পিনিং মিলে ব্যৱসায়ীক উৎপাদন আৰম্ভ কৰিছে টিহু, নোৱাপাৰা, জাগীৰোডত।

২। কানপুৰৰ চেনি কলৰ ওপৰিও ব্যক্তিগত খণ্ডত দুটা এইচ, ভি, পি, ওভেন চেক (লাহোৱাল আৰু যোৰহাটত) আৰু নাইট্ৰজেন উৎপাদন গোটে উৎপাদন আৰম্ভ কৰিছে (শিৱসাগৰত)।

আনহাতে সহযোগী গোট হিচাবে (Associated Sector) এটা উন সূতা কলে ব্যৱসায়িক উৎপাদন আৰম্ভ কৰিছে। ইয়াৰোপৰি ব্যক্তিগত খণ্ডত এটা ক্ষুদ্ৰ তীখা উদ্যোগ আৰু কেইটামান ৰি-ৰোলিং মিলে উৎপাদন আৰম্ভ কৰিছে। এই ধৰণৰ আৰু কেইটামান উদ্যোগিক গোটে অলপতে উৎপাদন আৰম্ভ কৰিব বুলি আশা কৰা হৈছে।

ব্যক্তিগত খণ্ডত এটা ক্ষুদ্ৰ বিলাতীমাটি উৎপাদন গোট, (ওমৰা চোত) সমবায় ভিত্তিত তিনিটা পলিয়েষ্টাৰ স্পেনিং মিল (ৰঙিয়া, গোলাঘাট, বৈতামাৰী) আৰু সাহায্য প্ৰাপ্ত খণ্ড আঁচনিৰ অধীনত দুটা গেচ চিলিণ্ডাৰ গোটৰ এটাই উৎপাদন আৰম্ভ কৰিছে আৰু ২য় টোৰ উৎপাদন অতি সোনকালে আৰম্ভ হব বুলি আশা কৰা হৈছে।

চৰকাৰে নতুন উদ্যোগিক নীতি অনুসৰি লোৱা আন এটা পদক্ষেপ হ'ল মূলধনৰ ১০% দি সাহায্যপ্ৰাপ্ত খণ্ড আঁচনিৰ অধীনত স্থানীয় উদ্যোগীৰ দ্বাৰা মজলীয়া উদ্যোগ স্থাপনৰ ব্যৱস্থা। এই আঁচনিৰ অধীনত থলুৱা উদ্যোগীৰ দ্বাৰা মজলীয়া উদ্যোগ স্থাপনৰ বাবে A.I.D.C. যে অপাষ্টেন

উদ্যোগ নামৰ এখন বিশেষ আচনি হাতত লৈছে। ১৯৮৬ চনত প্ৰথম পৰ্য্যায়ত ১৫ জন আৰু ১৯৮৭ চনত ২য় পৰ্যায়ত ২২ জন উদ্যোগীক বাচনি কৰা হৈছে। ইয়াৰে ৯ প্ৰকল্পৰ বাবে ১৯৮৭ চনৰ ডিচেম্বৰ মাহলৈকে দিয়া মঞ্জুৰীৰ পৰিমান ৪৬·২০ লাখ টকা।

মাননীয় সদস্য সকলে উদ্যোগী সকলে পোৱা অসুবিধা সমূহ দূৰ কৰিবৰ বাবে Monitoring কৰাৰ কথা কৈছে।

এই উদ্যোগ কেইটাৰ লাইছেঞ্চৰ বাবে মই নিজে কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী ভেংগল ৰাও আৰু তীখা মন্ত্ৰী M. C. ফাটেদাৰক লগ ধৰি লাইচেঞ্চ পোৱাত কৃতকাৰ্য্য হৈছো। A. I. D. C. য়ে এই উদ্যোগবোৰ Schedule of Implimentation আৰু কি কি অসুবিধা পাইছে তাৰ বাবে Continuous monitoring কৰি আছে। ইতিমধ্যে ৬ বাৰ এই উদ্যোগী সকলক লগ ধৰি যথানিয়মিত ভাবে সহায় দি আছে। মই নিজেও এবাৰ সকলোবোৰ উদ্যোগিক মাতি আনি A.I.D.C. ৰ কাৰ্যালয়ত তেওঁলোকৰ অসুবিধাৰ বুজ লৈ প্ৰয়োজনীয় ব্যৱস্থা লবৰ বাবে বিভাগীয় বিভাগক নিৰ্দেশ দিছো।

আশা কৰিছো ১৯৯০ চনত ইয়াৰ প্ৰায় বিলাক উদ্যোগেই উৎপাদন কৰিবলৈ সক্ষম হব। D.G.T.C. Registration ৰ ক্ষেত্ৰত A.I.D.C. ৰ অধীনত প্ৰত্যেক মাহৰ শেষৰ সোম, মংগলবাৰে D.G.T.C ৰ উচ্চ বিষয়াই আহি যথামতে সহায় আৰু উপদেশ দিয়াত উদ্যোগী সকলৰ বহুতো উপকাৰ হৈছে।

A-I-D-C ৰ জৰিয়তে কাম সমূহ এনে ধৰণৰ—

১। ৩০ কোটী টকা ব্যয় বহুল দৈনিক ১০০ টন উৎপাদন ক্ষমতা সম্পন্ন মেধানল এক্সপানচন প্ৰজেক্টৰ উৎপাদন অতি শীঘ্ৰে আশা কৰা হৈছে।

২। ২.৩৫ লাখ টকা ব্যয়ৰে স্থাপন কৰিব লোৱা প্ৰথম পৰ্য্যায়ৰ উইভিং কমপ্লেক্সৰ কাম আৰম্ভ কৰা হৈছে।

৩। নগাওঁ জিলাৰ কাটিমাৰি পথাৰত ৪৮ খন বিদ্যুৎ চালিত শাল স্থাপনৰ কাম অলপতে সম্পূৰ্ণ হৈছে। এই প্ৰকল্পত প্ৰায় ৭০ জনৰ কৰ্ম সংস্থাপন হব।

৪। নিগমে ৯১৩.১৩ লাখ টকা ব্যয় কৰি দৈনিক ৪০ হাজাৰ মিটাৰ আহ্ উৎপাদন ক্ষমতা সম্পন্ন টেকচ্‌টাইল প্ৰচেচ এটা নলবাৰীত স্থাপনৰ কাম হাতত লৈছে। এই প্ৰকল্পত প্ৰায় ৪০০ জনৰ কৰ্মসংস্থাপনৰ সুবিধা হব।

৫। দৰং জিলাৰ বিজুলীবাৰিত ১০৯.৪৬ কোটী টকা ব্যয় কৰি বছৰি ১৫ হাজাৰ টন উৎপাদন ক্ষমতা সম্পন্ন পলিয়েষ্টাৰ ফিলামেন্ট ইয়াৰ্ণ প্ৰকল্প স্থাপনৰ কাম হাতত লোৱা হৈছে। আৰু এইটো ১৯৯০ চনৰ ভিতৰত সম্পূৰ্ণ হব। ইয়াত ৫৩০ জনৰ প্ৰত্যেক্ষ নিয়োগৰ সুবিধা হব। পৰোক্ষ ভাবে কেইবা শ লোকৰ আত্ম সংস্থাপন হব।

৬। যুটীয়া খণ্ডত ২০ কোটী টকা ব্যয় বহুল গেলভেনাইজ চিট প্ৰকল্পৰ স্থাপনৰ কাম হাতত লোৱা হৈছে আৰু ই ১৯৮৯ ৰ শেষ ভাগত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। ২০০ জনৰ নিয়োগৰ সুবিধা হব।

৭। দৈনিক ১৮৫০০ টন উৎপাদন ক্ষমতা সম্পন্ন বেঙ্ক ক্ৰাফট্ প্ৰকল্পৰ স্থাপনৰ কাম চলি আছে ইয়াত ৪৫০ জনৰ নিয়োগৰ সুবিধা হব।

৮। স্পঞ্জ আইৰণ আৰু বিলাতী মাটি উৎপাদনৰ উদ্যোগ স্থাপনৰ বাবে চিনাক্তকৰণ কৰা হৈছে আৰু এই দুটা উদ্যোগত যথাক্ৰমে ৩০০ আৰু ৫০০ জনৰ কৰ্ম সংস্থাপনৰ সুবিধা হব।

নিগমে ইঞ্জিনিয়াৰ্চ ইণ্ডিয়া লিমিটেড নামৰ প্ৰতিস্থানটোৰ জৰিয়তে গেচ চেপাৰেচন কাম কেকাৰ প্ৰকল্প স্থাপনৰ বাবে পূৰ্ব্ব বিনিয়োগ সম্ভাৱনীয়তা (Pre-investment teasivility report) প্ৰতিবেদন যুগুত কৰিছে। TATA economic consultancy service য়ে ইতিমধ্যে Market report submit কৰিছে। অসমে এই প্ৰকল্পটো লাভজনক হব বুলি কৈছে।

ৰাজ্যিক চৰকাৰে বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰো কেমিকেল মন্ত্ৰণালয়ৰ লগত লেটাৰ অৱ ইনডেন্টৰ বাবে যোগাযোগ কৰি আছে।

অধিক গোৱালপাৰা জিলাৰ নোৱাপাৰাত ASTC ১২ কোটী ২৫ লাখ টকা খৰচ কৰি এটা উইভিং কম্‌প্লেক্স আৰু এটা প্ৰচেচ হাউচ স্থাপনৰ কাম আৰম্ভ কৰা হৈছে। দুয়োটা গোট ১৯৮৯ ৰ ভিতৰত চালু হোৱাৰ সম্ভাৱনা আছে।

অসম ইলেকট্ৰনিক উন্নয়ন নিগমে বৰ্ত্তমান ETST ৰ সহযোগত ৩৬ চেঃ মি: কলাৰগা আৰু ৫২ চেঃ মিঃ ৰঙিণ T-V উৎপাদন কৰি আছে।

এই নিগমে স্বয়ংক্ৰিয় টেলিফোন EPABX প্ৰস্তুতিৰ কাম হাতত লৈছে। এই বছৰৰ ভিতৰত ১২ টা EPADX ৰ আৰ্হি নিৰ্মাণৰ কাম সম্পূৰ্ণ হব। আৰু অহা বছৰৰ February মাহৰ ভিতৰত ইয়াৰ ব্যৱসায়িক উৎপাদন আৰম্ভ হব।

ৰাজ্যৰ তিনিখন বিশেষ ঠাইত ৫ লাখ ইলেকট্ৰনিক পুচ্ বচন টেলিফোন প্ৰস্তুত কৰিবৰ বাবে উদ্যোগিক অনুজ্ঞা পত্ৰৰ বাবে আবেদন কৰি ইয়াৰ বিপৰীতে এক লাখ ৫০ হাজাৰ ক্ষমতা সম্পন্ন দুটা গোট Guwahati আৰু চিলঙত স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিছে। উত্তৰ লক্ষীমপুৰত আৰু এটা এনেধৰণৰ গোট স্থাপনৰ অনুমতিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত পুনৰ যোগাযোগ কৰি থকা হৈছে।

অসম গেচ কোম্পানীঃ গেচ কোঃ দুলীয়াজান আৰু শিৱসাগৰত পাইপেৰে ঘৰুৱা ব্যৱহাৰৰ বাবে গেচ যোগান ধৰাৰ আঁচনি লৈছে।

অসম গেচ কোম্পানীয়ে সোণাৰী গ্ৰিদৰ আচনি হাতত লৈছে আৰু ইয়াৰ ৰূপায়নৰ বাবে বিত্ত ব্যৱস্থাবোৰে ঋণ মঞ্জুৰ দিবলৈ সন্মতি প্ৰকাশ কৰিছে। ১৯৯১-৯২ চনলৈ পাব লগা গেচৰ ওপৰত ভিত্তি কৰি AGC য়ে প্ৰথম পৰ্য্যায়ত দুলীয়াজানৰ পৰা যোৰহাটলৈ নলীৰে Gas সৰবৰাহৰ আচনি যুগুত কৰিছে। অসম গেচ কোম্পানী আৰু গেচ অথৰিটি অৱ ইণ্ডিয়াৰ যুটীয়া সহযোগত এই আচনি ৰূপায়ন কৰিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ চূড়ান্ত সিদ্ধান্তলৈ অপেক্ষা কৰি থকা হৈছে।

পাইপলাইনেৰে গেচ অনা আৰু ঘৰে ঘৰে গেচ দিয়াৰ ব্যৱস্থা গেচ অথৰিটি অৱ ইণ্ডিয়াই কৰিলে আমাৰ আপত্তি নাই। কিন্তু অসম চৰকাৰ ৰিটেলাৰ নহয়। GAIC হলচেলাৰ হব নোৱাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, অশোক কাগজ কল খোলাৰ সম্বন্ধে ভালেমান মাননীয় সদস্যই প্ৰশ্ন কৰিছে। অশোক কাগজ কল খোলা কথাটোৰ অসম চুক্তিৰেই এটা চৰ্ত্ত আছিল।

অশোক কাগজ কলঃ ১৯৫১ চনৰ ইণ্ডাষ্ট্ৰিজ ডেভেল'পমেণ্ট এণ্ড ৰেগুলেচন আইনৰ অধীনত হিন্দুস্থান পেপাৰ কৰ্পোৰেশ্যনক ক্ষমতা প্ৰদান কৰি অশোক কাগজ কলৰ যোগীঘোপা গোটটো পুনৰ্জীৱিত কৰি চালু কৰাৰ দায়িত্ব দিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছে। ৰাজ্য চৰকাৰে ইতিমধ্যে বহুটো ৰেহাই ঘোষণা কৰিছে আৰু এই মৰ্মে কেন্দ্ৰীয় চৰকাৰকো অনুৰোধ কৰা হৈছে। (কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী শ্ৰীভেংগলা ৰাও লৈ দিয়া চিঠিৰ নকল গাঠি দিয়া হ'ল)

অসম চুক্তি অনুসৰি স্থাপন কৰিব লগা তেল শোধনাগাৰঃ কেন্দ্ৰীয় তেল আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰীয়ে তেওঁৰ ৫ জানুৱাৰী ১৯৮৮ চনৰ পত্ৰ মৰ্মে অসমৰ মুখ্য মন্ত্ৰীক জনাইছে যে ৰাজ্য চৰকাৰে কিছুমান চৰ্ত্ত মানিলে কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় ৰাজহুৱা খণ্ডত প্ৰস্তাৱিত শোধনাগাৰটো স্থাপন কৰিবলৈ সন্মত আছে। কেন্দ্ৰীয় চৰকাৰে প্ৰথমতে ব্যক্তিগত খণ্ডত আৰু পিছত যুটীয়া খণ্ডত স্থাপন কৰিবলৈ লোৱা সিদ্ধান্তৰ সলনি হৈছে।

নতুন পঞ্জীভুক্ত সংস্থাৰ লগত অসম চৰকাৰক নিজস্ব মূলধন সহ অংশ গ্ৰহণ কৰিবলৈ অনুমতি দিবৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছে। এতিয়া কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তলৈ অপেক্ষা কৰা হৈছে।

অসম চাহ নিগম ঃ অসম চাহ নিগমৰ অধীনত ১২ খন বাগিছা উৎপাদন-ক্ষম নহয়। ৰাষ্ট্ৰীয় গ্ৰাম্য উন্নয়ন বেংকৰ ( NABARD ) পৰা ঋণ লৈ চাহ বাগিচাবোৰৰ পূৰ্ণ জীৱিত কৰণৰ আঁচনি হাতত লৈছে। ১৯৮৬ চনৰ ৫৪·৪৭ লাখ কেজিৰ বিপৰীতে ১৯৮৭ চনত নিগমে ৬২·০০ লাখ কেজি চাহ পাতৰ উৎপাদন কৰে।

১২·৭৮ কোটি টকা ব্যয় সাপেক্ষে নিগমে বহুতো আশাপ্ৰদ উন্নয়নমূলক আঁচনি হাতত লৈছে। দ্বিতীয় বছৰৰ পৰা পুনৰ্জীৱিত কৰা চাহ বাগিছা-বোৰে সুফল দিব। ৰাষ্ট্ৰীয় গ্ৰাম্য উন্নয়ন বেংকৰ আঁচনিৰ অধীনত সম্প্ৰতি ৫ খন ৰুগ্ন চাহ বাগিছা পুনৰ্জীৱিত আৰু উন্নতি কৰণৰ আঁচনি হাতত লৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অধ্যয়নকাৰী দল আৰু গোস্বামী ওৱাৰ্কিং গ্ৰুপৰ পৰামৰ্শ সমূহ চালি-জাৰি চোৱাৰ পিছত লোৱা ব্যৱস্থাৱলীৰ ভিতৰত এই খনেই প্ৰথম বৃহৎ মূলধন খটোৱাই লোৱা আঁচনি। ৬ কোটি টকা খটোৱাই অধিক চাহ পুলি ৰোৱা আৰু বাগিছাৰ সম্প্ৰসাৰণৰ প্ৰস্তাৱে বাগিছা সমূহৰ উন্নতি আৰু স্ব-বিনিয়োজনত যথেষ্ট সহায় কৰিব। নিগমৰ চাহ বাগিছা সমূহৰ উৎপাদন আৰু লাভত বাধা জন্মোৱা যন্ত্ৰপাতি সমূহ আঁতৰ কৰি নতুন যন্ত্ৰপাতি স্থাপন কৰা আৰু কাৰখানাৰ ঘৰ-দুৱাৰ পুনঃ নিৰ্মাণৰ কামটো বুজন পৰিমানৰ ধন ব্যয় কৰা হব। এনেকুৱা ৰক্ষণশীল আঁচনিত কৰা বায়ে ১৯৯৩ চনৰ ভিতৰত নিগমৰ ৰুগ্ন বাগিছাবোৰৰ পাশ্বৰ্স্থ লাভ হব আৰু চলি থকা বাগিছা সমূহৰ আশাপ্ৰদ লাভ হব।

উদ্যোগ ভেঁটি চোমনি ঃ উদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত উদ্যোগিক ভেঁটি চোমনিৰ সঠিক উন্নয়ন অতি লাগতিয়াল। উদ্যোগিক ভেঁটি চোমনি যেনে—শক্তিৰ যোগান, পথ নিৰ্মাণ, উপযুক্ত মাটি আদি বিষয়ত চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই উদ্দেশ্যে উদ্যোগ বিভাগে বহুতো মহকুমাত মাটি অধিগ্ৰহণ কৰিছে আৰু অধিগ্ৰহণ কৰা মাটি সমূহ নবীন উদ্যোগী-বোৰৰ ব্যৱস্থাৰ উপযোগী কৰিবলৈ পৰ্যায় ক্ৰমে চেষ্টা কৰি আছে।

উদ্যোগিক অঞ্চল ঃ উদ্যোগিক অঞ্চল স্থাপন আঁচনি মতে আমিনগাওঁত টি টাউন শ্বীপ প্ৰজেক্ট পাতিবলৈ ইতিমধ্যে ৯৪·০৫ একৰ মাটি লোৱা হৈছে।

পূৱ আৰু পশ্চিম পিনে বেৰ দি মাটি উন্নয়নৰ কাম কৰি থকা হৈছে। বৃহৎ চাহ ভঁৰাল পাতিবলৈ অসম ৰাজ্যিক পণ্যগাৰ নিগমক ইতিমধ্যে মাটি আৱন্তন দিয়া হৈছে।

চৰকাৰে যোৰহাট, ডিব্ৰুগড় আৰু কামৰূপৰ উদ্যোগিক অঞ্চল সমূহ উন্নয়নৰ আঁচনি হাতত লৈছে। ২২৯·৬০ লাখ টকা ব্যয় সাপেক্ষে ১০০৭ বিঘা মাটি উন্নয়নৰ প্ৰস্তাৱ লোৱা হৈছে।

উত্তৰ কাছাৰ আৰু লক্ষীমপুৰ এই দুখন উদ্যোগ নোহোৱা জিলাৰ উদ্যোগিক ভেঁটি চোমনি উন্নয়নৰ বাবে প্ৰকল্প প্ৰস্তুত কৰা হৈছে। দুয়োটা প্ৰকল্প কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত হব বুলি আমি আশা কৰো। অনুমোদিত হলে চলিত বিত্তীয় বছৰতে কাম আৰম্ভ কৰা হব। বৰপেটা, নলবাৰী, কৰিমগঞ্জ, দৰং আৰু গোৱালপাৰা এই ৫ খন জিলাকো উদ্যোগহীন জিলা হিচাবে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছে।

কেন্দ্ৰীয় খণ্ড আঁচনি : অসম চৰকাৰৰ নেৰা-নেপেৰা অনুৰোধ ক্ৰমে কেন্দ্ৰীয় চৰকাৰে পৰিবহন ৰেহাই আঁচনিত ( Transport Subsidy Scheme ) তলত দিয়া ৰেহাই সমূহ দিছে—

১। ৰেহাই হাৰ ৭৫% পৰা ৯০% লৈ বৰ্দ্ধিত।

২। নিদ্ধাৰিত সময় সীমা ১৯৭১ চনৰ পৰিবৰ্ত্তে ১৯৬১ চন ধাৰ্য্য।

৩। উত্তৰ পূৱ সীমান্ত অঞ্চলত কেঁচা সামগ্ৰীৰ আন্তঃ ৰাজ্যিক পৰিবহনত ৰেহাই।

৪। ইলেকট্ৰনিক্স আহিলা-পাতিৰ ক্ষেত্ৰত উত্তৰ পূৱ সীমান্ত অঞ্চলৰ ৰাজ্যৰ বাবে কলিকতাৰ পৰা নিম্নতম বিমান কোঠলৈ ৭৫% বিমান ভাড়া ৰেহাই। দিল্লী, বোম্বাই, মাদ্ৰাজ আৰু বাংগালোৰ আদি গুৰুত্বপূৰ্ণ চহৰ সমূহৰ ক্ষেত্ৰটো উক্ত সুবিধা প্ৰযোজ্য কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমোক্তাৰ হুছেইন ডাঙৰীয়াই ৰাজহুৱা খণ্ডৰ ৪০ টা প্ৰতিস্থানে লোকচান ভৰাৰ কথা উল্লেখ কৰিছে। মই এই বিষয়ত কব খোজো যে ৰাজহুৱা খণ্ডৰ আটাইবোৰ প্ৰতিস্থান উদ্যোগ বিভাগৰ অধীনত নহয়। উদ্যোগ বিভাগৰ অধীনত থকা এনে ৰাজহুৱা খণ্ডৰ অনুস্থানৰ সংখ্যা হ'ল ৯ টা। এই কেইটা ৰাজহুৱা খণ্ডৰ অনুষ্ঠানৰ উন্নতি কৰাৰ ব্যৱস্থা কৰা হৈছে। ফাৰ্টিকেম, একচনক পুনৰ লাভৱান কৰিবৰ বাবে

ব্যৱস্থা লোৱা হৈছে। এচোচিয়েটেড্ ইণ্ডাষ্ট্ৰিজক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছে। অসম স্পান চিল্ক মিলক পুনৰ লাভৱান কৰিবৰ বাবে ব্যৱস্থা লোৱা হৈছে। এই কেইটা অনুষ্ঠান পুনৰ লাভৱানৰ বাবে এই বছৰ ২২৫ লাখ টকা বাজেটত ধৰা হৈছে। মাননীয় সদস্য শ্ৰীদেৱ কুমাৰ বৰাই ট্ৰেন্সপোৰ্ট চাব-চিদিৰ কথা কৈছে। এই আঁচনিখন ভাৰত চৰকাৰৰ। এই চাবচিদি অসমৰ সকলো ঠাইতে দিয়া হয়। কেৱল গুৱাহাটীত থকা উদ্যোগেই পোৱাটো সঁচা নহয়। তিনিচুকীয়া, ডিব্ৰুগড় আদি ঠাইত থকা উদ্যোগেও এই চাবচিদি পাই আছে। উদ্যোগ বিভাগে মাটি লৈ উদ্যোগিক দিব লাগে বুলি শ্ৰীদেৱ কুমাৰ বৰাই দিয়া পৰামৰ্শ উদ্যোগ বিভাগে আদৰণি জনাইছে। মাননীয় সদস্য শ্ৰীকুমাৰ দীপক দাসে অসমৰ হাতী দাঁত উদ্যোগ বন্ধ হোৱাৰ কাৰণ জানিব বিচাৰিছে। এই বিষয়ত মই কওঁ যে কেন্দ্ৰীয় চৰকাৰে হাতী দাতৰ বিক্ৰী আইন বন্ধ কৰিছে। বন বিভাগত হাতী দাত থকা স্বত্বেও উদ্যোগৰ বাবে এই দাত দিব পৰা নাই। বাহিৰৰ পৰা হলেও হাতী দাত আনি উদ্যোগী সকলক দিব পৰা যায় নেকি এই বিষয়ে চৰকাৰে প্ৰচেষ্টা চলাই আছে। লং লাইত থকা লাইম মাৰকিং ইউনিটটো এ, এম, আই, ডি, চি, অহা এমাহৰ ভিতৰতে হস্তান্তৰ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিছে। মাননীয় সদস্য শ্ৰীকুসুম্বৰ টাই ৰাই গগৈয়ে কেন্দ্ৰীয় চৰকাৰৰ অনুসন্ধান সমূহত নিযুক্তিৰ যিটো বিষয় উত্থাপন কৰিছে এইটো অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অৱগত কৰিব। মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ দেই উত্থাপন কৰা এইচ, পি, চি, ৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হব। ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে লোকচান ভৰাৰ অজুহাতত ব্যক্তিগত খণ্ডক বেছিকৈ উদগণি দিয়াটো আমাৰ চৰকাৰে নিবিচাৰে। কাচাৰ চুগাৰ মিল সম্পৰ্কত কওঁ যে কামিল্লা কমিটিৰ প্ৰতিবেদন যোৱা এমাহৰ ভিতৰত পোৱা হৈছে। চৰকাৰে ইয়াৰ ভিত্তিত সোনকালে প্ৰয়োজনীয় ব্যৱস্থা লব। গ্লাচ ফেক্টৰীৰ বিষয়ত কওঁ যে এই উদ্যোগটোৰ মালিকি স্বত্ব উদ্যোগ বিভাগৰ নহয়। আসাম-মেঘালয় মিনাৰেল ডেভেলপমেন্ট কৰ্পোৰেশ্বনৰহে। এইটো ভায়েবোল উদ্যোগ বুলি ধৰিব নোৱাৰি। এভাৰেষ্ট চাইকেল ফেক্টৰীটো ব্যক্তিগত খণ্ডৰ উদ্যোগ, ইয়াক ৰাজ্যিক চৰকাৰৰ দ্বাৰা চলোৱা হোৱা নাছিল। উদ্যোগ বিভাগে চাইকেল কৰ্পোৰেচন অৱ ইণ্ডিয়াৰ জৰিয়তে ইয়াক পুনৰ প্ৰতিস্থিত কৰিবৰ বাবে প্ৰচেষ্টা চলাই আছে।

মাননীয় অধ্যক্ষ মহোদয়, কেইবাজনো মাননীয় সদস্যই বৰপেটা জুট মিলৰ কথা কৈছে। মই এই বিষয়ত কওঁ যে কনভেনচনেল জুট মিল ভায়েবোল নহয়। উদ্যোগ বিভাগে মৰাপাট ব্যৱহাৰ কৰি অলটাৰনেটিভ ভাবে ইয়াক ব্যৱহাৰ কৰি কেনে ধৰণৰ উদ্যোগ স্থাপন কৰিব পাৰি পৰীক্ষা চলাই আছে। বিশেষজ্ঞৰ ৰিপোর্ট পালেই ইয়াৰ ওপৰত ব্যৱস্থা লোৱা হব। আমাৰ কেইবাজনো মাননীয় সদস্য কেন্দ্রীয় চৰকাৰৰ দ্বাৰা ৰাজহুৱা উদ্যোগ স্থাপনৰ কথা উল্লেখ কৰিছে। কেন্দ্রীয় চৰকাৰে সপ্তম পৰিকল্পনাত অসমত কোনো ডাঙৰ উদ্যোগ স্থাপন কৰাৰ কথা কোৱা নাই। ৰাজ্য চৰকাৰে এই বিষয়ত কেন্দ্রীয় চৰকাৰক হেচা দি আছে। মাননীয় সদস্য শ্রীদেৱ কুমাৰ বৰা আৰু শ্রীজয় নাথ শর্মাই চৰকাৰী কার্য্যালয় সমূহে অসমত থলুৱা উদ্যোগীয়ে উৎপাদন কৰা সামগ্রী নিকিনে বুলি এটা কথা অৱতাৰণা কৰিছে। এই সন্দর্ভত মই কওঁ যে আমাৰ চৰকাৰে এ, আই, ডি, চি, ৰ জৰিয়তে ১৫ টা আইটেমক বাণিজ্যিক সাহায্য দিবৰ বাবে বাছনি কৰিছে। এই কেইটা বস্তু অসম চৰকাৰৰ বিভাগ সমূহ, চৰকাৰৰ স্বীকৃতিপ্রাপ্ত অনুষ্ঠান আৰু সন্থা সমূহক ক্রয় কৰাৰ কাৰণে বাধ্যতামূলক কৰিবলৈ মন্ত্রী সভাৰ বৈঠকত সিদ্ধান্ত লোৱা হৈছে। এ, আই, ডি, চিয়ে এই সকলো উৎপাদিত সামগ্রী স্থানীয় উদ্যোগিক গোটৰ পৰা উৎপাদন কৰিব আৰু ইয়াৰ যোগানৰ মান সুনিশ্চিত কৰিব। চৰকাৰে নির্দিষ্ট কৰা এই ১৫ টা আইটেম হৈছে—জালৰ তাৰ আৰু বেৰৰ তাৰ, চিলাই কল, কেনভাচ আর্টিকোল, ঔষধি দৰৱ ও ঔষধি তৈয়াৰ কৰা কাৰ-খানা আৰু কিনিকেল যন্ত্রপাতি। ষ্টীলৰ আচবাব, আয়ুর্বেদ ঔষধ, ব্লেকবোর্ড আৰু ডাষ্টাৰ, প্লাষ্টিক আইটেম, বেত আৰু বাহৰ সঁজুলি, বৈদ্যুতিক সামগ্রী, কাঠৰ আচবাব, পোচাক, ফাইলবোর্ড-ক, ভাৰ-এনভেলপ, চক পেঞ্চিল আৰু চিয়াহী আৰু লোহাৰ গেট আৰু গ্রীল। এইটো কৰিলে বাহিৰৰ পৰা বস্তু কিনাৰ যি মানসিকতা সেইটো নাইকীয়া হব। উদাহৰণ স্বৰূপে আমাৰ গদ্রেজ আলমিৰা কিনাৰ কথাই কব পাৰি। আমাৰ স্থানীয় উদ্যোগী সকলে গদ্রেজতকৈ ভাল আলমিৰা বনাব পাৰে। মই তেনে আলমিৰা ব্যৱহাৰ কৰিছো কিন্তু টেণ্ডাৰ দিয়াৰ ক্ষেত্রত স্থানীয় উদ্যোগী সকলৰ ৰেট ষ্টেণ্ড কৰিব নোৱাৰাৰ কাৰণেই হয়তো গদ্রেজ কিনিবলগীয়া হয়। আমাৰ কেইবা-জনো মাননীয় সদস্যই যি উদ্দেশ্যত উদ্যোগী সকলক সুবিধা দিয়া হয় তাক সদ ব্যৱহাৰ নকৰে বুলি অভিযোগ কৰিছে। এইটো নোহোৱা নহয়। আমাৰ

যুৱক সকলে নিবনুৱা হৈ এনে সুবিধা বিচাৰি আবেদন কৰে, আচলতে উদ্যোগ স্থাপনৰ মানসিকতা তেওঁলোকৰ বহুতোৰে নাই। আমাৰ বিভাগে এই দিশটোৰ ওপৰত চকু দিছে। যোৱা বছৰ আমাৰ ক্ষুদ্ৰ উদ্যোগৰ টাৰগেট আছিল ২,১৩৮ খন। হস্তশিল্প উদ্যোগ ১,৫০০ খনৰ ভিতৰত ১,৭৯৩ খন স্থাপন কৰা হৈছে। চিভি আচনি ৩১,০০০ খন টাৰগেট আছিল তাৰ ভিতৰত ৩,১১১ খন স্থাপন কৰা হৈছে। ১৯৮৬-৮৭ চনত ৬ হাজাৰৰো অধিক লোকক লোন দিবলৈ সক্ষম হৈছো। আমাৰ উদ্যোগ বিভাগে যোৱা বছৰ কি কি কাম কৰিলে আৰু আমি কি কি কাম হাতত লৈছো এই বছৰৰ কাৰণে তাৰ এটা ছবি দাঙি ধৰা হ'ল। এই আলোচনাত যি সকলে অংশ গ্ৰহণ কৰিলে তেখেত সকলক মোৰ ধন্যবাদ জনাইছো। আশা কৰো তেখেত সকলে কাট-মোচনটো উঠাই লৈ বিভাগটো পৰিচালনা কৰাত সহায় কৰিব।

শ্ৰীতনু কোঁৱৰ: माननीय অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই পলিচিটো কোন ইকোনোমিক চিচ্‌টেম মতে কৰিবলৈ লৈছে? কেপিটেলিষ্ট চিচ্‌টেম নে, চোচিয়েলিষ্ট চিচ্‌টেম মতে কৰিব বিচাৰিছে? নে মিস্ক ইকোনোমিক চিচ্‌টেম মতে কৰিব বিচাৰিছে?

শ্ৰীদীগেন বৰা, (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এইটো বৰ ডাঙৰ কথা কৈছে। আলোচনা কৰিবলৈ তেখেতক মাতি দিম, গোটেই কথা থিনি তেখেতৰ লগত বিষদ ভাবে আলোচনা কৰা হব।

Mr. Speaker: Now Shri Aminul Islam. Will you withdraw your Cut Motion?

শ্ৰীআমিনুল ইচলাম: মই কৰ্তন প্ৰস্তাৱ উঠাই লৈছো।

Mr. Speaker: Is it the pleasure of the House to grant leave to withdraw the Cut Motion? (With the leave of the House, Cut Motion is withdrawn)

Now Shri Muktar Hussain. Will you withdraw the Cut Motion?

শ্ৰীমুক্তাৰ হুছেইন: মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাৰ মৰাপাট উদ্যোগৰ প্ৰতি বিশেষ দৃষ্টি নিক্ষেপ কৰিব বুলি মই মন্ত্ৰী মহোদয়ৰ পৰা এটা আশ্বাস

বিচাৰিছো। উদ্যোগ বিভাগটোৰ উন্নয়ন ইয়াৰ লগত জড়িত সংশ্লিষ্ট বিভাগ তিনিটা লগ লগাই এটা কো-অৰডিনেচন বিভাগ খোলাৰ ব্যৱস্থা কৰিব নে?

শ্ৰীদীগেন বৰা, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, পৰামৰ্শটো বিবেচনা কৰা হব।

Mr. Speaker: Is it the pleasure of the House to grant leave to withdraw the Cut Motion? (With the leave of the House, Cut Motion is withdrawn)

শ্ৰীঅমৃতলাল বসুমতাৰী: মাননীয় অধ্যক্ষ মহোদয়, কাটমোচনটো উঠাই লোৱাৰ আগতে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ যিবিলাক লোকেল উদ্যোগ (Local Industries) আছে সেই বিলাকৰ প্ৰটেকচনৰ কি ব্যৱস্থা লৈছে আৰু লোকেল প্ৰডাক্ট বিলাকৰ কি ব্যৱস্থা কৰা হব? তাৰ উপৰি অসমৰ কাগজ কলটো কেতিয়াৰ পৰা পুনৰ চালু কৰা হব এটা স্পেচিফিক সময় (Specifi· time) দিব লাগে।

শ্ৰীদীগেন বৰা, (মন্ত্ৰী): অসমৰ কাগজ কল সম্পৰ্কে ইতিমধ্যে মই বহলাই কৈছো। তাৰ উপৰি অসমৰ স্থানীয় উদ্যোগৰ বস্তু সমূহ কেনেকৈ কিনিব সেইটোও বহলাই কৈছো।

শ্ৰীঅমৃতলাল বসুমতাৰী: মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কলে তাত মই সম্পূৰ্ণ সন্তুষ্ট হব নোৱাৰিলেও তেখেতে ব্যৱস্থা লব বুলি ভাবি মই মোৰ কাটমোচনটো উঠাই ললো।

Mr. Speaker: Is it the pleasure of the House to grant leave to withdraw the Cut Motion? (With the leave of the House, Cut Motion is withdrawn)

Mr. Speaker: Now Shri Ramendra De.

Shri Ramendra De: Is it the pleasure of the house to grant leave to withdraw the Cut Motion?

Mr. Speaker: Is it the pleasure of the house to grant leave to withdraw the Cut Motion?

(With the leave of the house, Cut Motion is withdrawn)

Now I put the main motion. The Motion is that a sum of Rs. 32,42,92,000 be granted to the Minister in-

charge to complete the sum of Rs. 43,23,92,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1989 for the administration of Industries.

( Motion is passed and Grant is passed )

Grant No. 43

Mr. Speaker : Now the Hon'ble Minister, Co-operation.

শ্ৰীললিত ৰাজখোৱা, ( মন্ত্ৰী ) : অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ খোজো কৰিব যে ১৯৮৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত সমবায় সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ২৭,১২,৮৯,০০০ পৰিমানৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ২০,৩৪,৬০,০০০ টকা মঞ্জুৰ কৰা হওক।

Mr. Speaker : There are 6 Cut Motions in this Grant.

Shri B. K. Basumatari : Absent.

Shri Mosir Uddin Sheikh : I beg to move that the total provision of Rs. 27,12,81,000 under Grant No. 43 in respect of "Co-operation" at pages 1-83 of Volum—II, Part—XI of the Budget be reduced by Rs. 100.00 i. e. the amount of the whole grant of Rs. 27,12,81,000 do stand reduced to Rs. 100.00.

Mr. Speaker : Now Shri Yusuf Ali Ahmed.

শ্ৰীইউচুফ আলি আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খুজিছো যে ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰী দাবীৰ ২য় খণ্ডৰ একাদশ অংশৰ ১—৮৩ পৃষ্ঠাত থকা সমবায় শিতানৰ ৪৩ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ২৭,১২,৮১,০০০ টকা ১০০ টকালৈ হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ২৭,১২,৮১,০০০ টকা ১০০ টকালৈ হ্ৰাস কৰা হওক।

Mr. Speaker : Now Shri Amrit Lal Basumatari.

Shri Amrit Lal Basumatary : I beg to move that the total provision of Rs. 27,12,81,000 under Grant No. 43 in

respect of "Co-operation" at pages 1–83 of Vol.–II, Part—XI of the Budget be reduced by Rs. 100.00 i. e. the amount of the whole grant of Rs. 27,12,81,000 do stand reduced to Rs. 100.00.

Mr. Speaker : Now Shri Ramendra De.

Shri Ramendra De : Sir, I beg to move that the total provision of Rs. 27,12,81,000 under Grant No. 43 in respect of "Co-operation" at pages 1—83 of Volume—II Part–XI of the budget be reduced by Rs. 100.00 i. e. the amount of the whole grant of Rs. 27,12,81,000 do stand reduced to Rs. 100.00.

Mr. Speaker : Now Shri Charan Narzary.

Absent.

Now Hon'ble Mosiruddin Sheikh.

* শ্ৰীমচিৰুদ্দিন শ্বেখ : মাননীয় অধ্যক্ষ মহোদয়, সমবায়ৰ শিতানত আমাৰ কাট মোচনৰ সপক্ষে মই কেইষাৰমান মাত্ৰ কথা কব বিচাৰিছো। মহোদয়, সমবায়ৰ ভূমিকা আমাৰ ৰাজ্যখনত যথেষ্ট। উদ্যোগ মন্ত্ৰী মহোদয়ৰ উত্তৰ দান কালত শুনা ব্যাখ্যাৰ পৰাও এইটো পৰিষ্কাৰ হৈছে যে উদ্যোগ গঢ়াৰ ক্ষেত্ৰতো সমবায়ৰ এক বলিষ্ঠ ভূমিকা আছে। সমবায়ে সেই ভূমিকা পালন কৰি আহিছে। যি বিলাক উদ্যোগ ব্যক্তিগত বা মালিকানা খণ্ডত মজলীয়া বা আন ধৰণৰ উদ্যোগ গঢ়ি উঠিছে সেই বিলাকৰ সৰহ সংখ্যকেই বেমাৰী হৈ আছে কিন্তু সমবায়ৰ ভিত্তিত যিবিলাক উদ্যোগ গঢ়ি উঠিছে সেই বিলাক যি ধৰণৰ উদ্যোগেই নহওক কিয় ভাল দৰে চলি আছে। মন্ত্ৰী মহোদয়ে কৈছে কামপুৰ চেনি কল, বৰুৱা বামুণগাওঁ চেনী কল, শিলঘাট মৰাপাট কল, নাথকুছি পলিয়েষ্টাৰ কল, বৈটামাৰী সূতা কল এই আটাইবিলাক ভাল-দৰে চলি আছে। সেই কাৰণে সমবায় মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনাওঁ যেন সমাবায়ৰ কাৰণে আৰু অধিক প্ৰচাৰ কৰাত গুৰুত্ব দিয়ে। কিয়নো ব্যক্তিগত খণ্ডৰ উদ্যোগ বন্ধ হৈ যায় আৰু তেনে কোটীপতি মালিক পোৱাও নাযায়। কিন্তু সমবায় খণ্ডই সফল ভাবে উৎপাদন কৰিব পাৰে। সেই কাৰণে মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ সমবায়ৰ সম্প্ৰসাৰণৰ বাবে যথেষ্ট

* Speech not corrected.

ব্যৱস্থা লব লাগে যাতে উদ্যোগৰ ক্ষেত্ৰত ই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

( উপাধ্যক্ষ মহোদয়ৰ ঠাইত মাননীয় অধ্যক্ষ মহোদয়ে আসন লয় )

অধ্যক্ষ মহোদয়, আমাৰ গ্ৰামীন অৰ্থনীতিত সমবায়ে উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু সমবায় বিভাগে বিভিন্ন বিভাগৰ লগত সমন্বয় ৰাখিবলগীয়া হৈছে। সমবায় ভিত্তিত কৃষিপাম খোলা হৈছে, মীন পাম ছোচাইটি খোলা হৈছে আৰু সুফল পাই থকা হৈছে। সেই কাৰণে বিভিন্ন বিভাগৰ কাৰণে সমবায় সম্প্ৰসাৰণ কৰিবলৈ সুবিধা হৈছে আৰু নিষ্ঠা আৰু আন্তৰিকতাৰে সমবায় সম্প্ৰসাৰণ কৰাত অগ্ৰাধিকাৰ দিব লাগে। সম্ভৱপৰ সেই সকলো ক্ষেত্ৰতে সম্প্ৰসাৰণৰ ব্যৱস্থা লব লাগে বুলি সমবায় মন্ত্ৰীৰ ওচৰত নিবেদন জনালো। গ্ৰামীন অৰ্থনীতি পঞ্চায়ত পৰ্য্যায়ত থকা সমবায় সমিতি সমূহৰ ওপৰত ঘাইকৈ নিৰ্ভৰ কৰিছে। কিন্তু পৰিতাপৰ কথা যে গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি সমূহ অৰ্থনৈতিক ভাবে বৰ দুৰ্বল। যি দুৰ্য্যোগত এই সমবায় সমিতি বিলাক ভোগে সেইটো অবৰ্ণনীয়। বেছি ভাগ সমবায়েই মহাজনৰ ধাৰ লৈ চলি আছে। তাৰ উপৰিও কিছুমান আকৌ উচ্চমানৰ সুদ লৈ চলিবলগীয়া হয়। মাত্ৰ কেইটামান মুষ্টিমেয় সমবায় সমিতি আছে যি কেইটা নিজৰ পইচাৰে চলিব পাৰে। আত্ম নিৰ্ভৰশীল হব পৰা নাই কাৰণেই সেই সমবায় সমিতি সমূহে কেৱল চাউল চেনী আৰু কেৰাচিনৰ বাহিৰে বাকী বিলাক সামগ্ৰী সংগ্ৰহ কৰিব নোৱাৰে আৰু ফলত ৰাইজকো সম্পূৰ্ণ ৰূপে সকাহ দিয়াৰ পৰা দূৰত থাকিবলগীয়া হৈছে। সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে যোগান বিভাগৰ মন্ত্ৰী বা বিভাগৰ লগত সমন্বয় ৰাখিব লাগে কিয়নো সমবায় সমিতি সমূহৰ লগত যোগান বিভাগৰ সম্বন্ধ ঘনিষ্ঠ। এই সমন্বয় ৰক্ষা কৰিব পাৰিলেহে সমবায় সমিতি বিলাক টনকিয়াল কৰিব পৰা হব। আমি আজি দেখিবলৈ পাইছো যে আমাৰ যি উদ্দেশ্য লৈ গাওঁ পঞ্চায়ত সমবায় সমিতি বিলাক স্থাপন কৰা হৈছিল সেই বিলাক আৰম্ভ কৰা হৈছিল সেই উদ্দেশ্যত। কিন্তু আৰম্ভ কৰাৰ পিচতে কেনা লাগিছে। কেৱল দুৰ্নীতিয়ে বাঁহ লৈছে। মন্ত্ৰী মহোদয়েও জানে আৰু আমিয়ো সকলোৱে এই কথা জানো। কিন্তু দুৰ্নীতি ক'ত ধৰিব লাগে সেইটো আমি নাজানো। ক'ত ধৰিলে পৰিষ্কাৰ হব সেইটো কব পৰা নাযায়। বিশেষকৈ জনজাতীয় এলেকা বিলাকত জনজাতীয় কৃষক ভাই সকলে ধান চপোৱাৰ সময়ত সস্তীয়া দৰৰ চাউল সমবায় সমিতিবোৰৰ পৰা কিনি নাখায় আৰু সেই সস্তীয়া দৰৰ

চাউলবোৰ চেক্রেটাৰী আদি কর্তৃপক্ষই ক'লা বজাৰত বাহিৰে বাহিৰে বিক্রী কৰি আছে। এই বিলাক কথা মন্ত্রী মহোদয়ে দৃষ্টিপাত কৰিব লাগে। পৰাপক্ষত দুর্নীতিৰ পৰা হাত সাৰিবৰ উপায় কৰিব লাগে।

অধ্যক্ষ মহোদয়, সম্প্রতি এটা নতুন সমস্যা উদ্ভৱ হব বুলি আমি ধাৰণা কৰিছো। কিন্তু মন্ত্রী মহোদয়ে কি ভাবে ভাবিছে জানিব পৰা নাই। কথাটো হ'ল আমি ইয়াত পঞ্চায়ত বিল পাচ কৰিছো আৰু ৰাষ্ট্রপতিৰ পৰাও সন্মতি আহিছে। এই পঞ্চায়তী বিলৰ মাধ্যমত গাওঁ পঞ্চায়ত বিলাক পুনৰ গঠন কৰিবলৈ বিচৰা হৈছে। আগৰ গাওঁ পঞ্চায়ত বিলাক পুনৰ গঠিত হৈ দুটা বা তিনিটা বা কোনো কোনো ক্ষেত্রত আঠটা হবগৈ কিন্তু তেনে কৰিবলৈ যাওঁতে গাওঁ পঞ্চায়ত সমবায় যিবিলাকে আগৰ গাঠনি মতে মূলধন অংশ সংগ্রহ কৰিছিল এতিয়া সেই ক্ষেত্রত অসুবিধা আহি পৰিব। কিয়নো মূলধন অংশ সংগ্রহ কৰি গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহ গঢ়ি উঠিছে আৰু সেই মতে সমিতি চলি আছে কিন্তু এতিয়া পুনৰ গঠন কৰাৰ ফলত বিৰাট অসুবিধাই দেখা দিব। সেই ক্ষেত্রত কি পদ্ধতি অৱলম্বন কৰা হব এতিয়াই ভাবিবৰ সময় হৈছে।

(সময়ৰ সংকেত)

গাওঁ পঞ্চায়তৰ মূলধন অংশ যিবিলাক সংগ্রহ কৰা হৈছিল সেই বিলাক কি ধৰণে পুনৰ গঠন হোৱাৰ পিচত ভগাব সেইটো চিন্তাৰ বিষয় হৈ পৰিছে। মই ভাবো এই ক্ষেত্রত এটা খেলিমেলিৰ সৃষ্টি হব। এইটো আগতীয়াকৈ চিন্তা কৰি তাৰ উপায় উদ্ভাৱন কৰা উচিত হব। কিয়নো গাওঁ পঞ্চায়ত বিলাক এই বিলৰ জৰিয়তে পুনৰগঠিত হব। গাওঁ পঞ্চায়ত বিলাক ভাঙি দিয়া যিমান সহজ সমবায় সমিতি বিলাক ভাঙি দিয়া সিমান সহজ নহয়।

(সময়ৰ সংকেত)

এই খিনি কথা কৈয়েই মই কৰ্ত্তন প্রস্তাৱ সমর্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

Mr. Dy Speaker : Shri Yusuf Ali Ahmed.

শ্রীইইচুফ আলি আহমেদ: মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্রস্তাৱ সমর্থন কৰি দুষাৰমান কথা কবলৈ ইচ্ছা কৰিছো। সমবায়ৰ যিটো মূল উদ্দেশ্য যি উদ্দেশ্যৰে সমবায় বিলাক গঠন কৰা হৈছিল আমি দেখিবলৈ পাইছো সেই মূল উদ্দেশ্যৰ পৰা সমবায় আঁতৰি গৈছে। আমাৰ সমবায়ৰ

মূল উদ্দেশ্য আছিল সমবায়ৰ জৰিয়তে খেতিয়ক ৰাইজক ঋণ দিয়া আৰু অধিক খাদ্য শস্য উৎপাদন কৰা। এই ঋণ দিয়া সমবায় বিভাগৰ লগত বেলেগ বেলেগ বিভাগো জড়িত হৈ আছে যেনেকৈ কৃষি, জলসিঞ্চন আদি বিভাগ। এই বিভাগ সমূহে যিখিনি সহায় সহযোগ কৰিব লাগিছিল ঠিক তেনেকৈ কৰা নাই আৰু ঠিক সময়ত সমবায়ৰ ভিত্তিত কৃষক সকলক উপকৃত কৰিব পৰা নাই। গতিকে সেই উদ্দেশ্যৰ পৰা সমবায় আঁতৰি গৈছে। আমাৰ মাননীয় সদস্য শ্ৰীমছিৰুদ্দিন চাহাবে কোৱাৰ দৰে অকল চাউল আৰু চেনী লৈয়ে সমবায় চলি আছে। এই বস্তু বিলাক বিবেচনা কৰি থাকোতে সমবায় বিভাগৰ কৰ্ত্তৃপক্ষৰ পৰা আৰম্ভ কৰি এফ-চি-আই আৰু আজিকালি নতুনকৈ এটা বিভাগ যোগ হৈছে ষ্টেটফেদ এই সকলো বিলাক মিলিজুলি সমভাবে দুৰ্নীতি কৰি ভগাই খাই আছে এইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিয়নো আজি সমবায়ত দুৰ্নীতি হৈছে কোনোবা সম্পাদকে টকা আত্মসাত কৰিছে বিভাগে তৎকালীন ভাবে ব্যৱস্থা লব পাৰে কিন্তু লোৱা নাই। মই উদাহৰণ দিছো যেনে বৰপেটা জিলাৰ দক্ষিণ বগুৰিবাৰী সমবায় সমিতিৰ সম্পাদকে সমবায়ৰ তহবিলৰ পৰা ৮০ হাজাৰ টকা আত্মসাত কৰি গুৱাহাটীৰ হাতী গাওঁত মাটি কিনিছে। সেইটোত ৰাইজে আপত্তি কৰা স্বত্বেও বিভাগক গোচৰ দিয়া স্বত্বেও তেওঁক ৰেহাই দি তেওঁৰ ওপৰত যিটো শাস্তিমূলক ব্যৱস্থা লব লাগিছিল সেই ব্যৱস্থা নলৈ বিভাগে সমবায় সমিতিখনৰ সভাপতি জনৰ ওপৰতহে পুলিচ গোচৰ তৰিলে। সমবায় বিভাগত আমি জনাত কোনোবাখন সমবায় সমিতিত যদি দুৰ্নীতি হৈছে বা কিবা টকাৰ খেলিমেলি হৈছে বিভাগক আপত্তি দিয়াৰ পাচত অডিট কৰায়। কিন্তু দুখৰ বিষয় অডিট কৰাৰ পিছত যিখন বেলেঞ্চ চিট তৈয়াৰ কৰে সেই বেলেঞ্চ চিটখন একে বিভাগৰে বেলেগ বেলেগ বিষয়াৰ লগত অংকটো নিমিলে। কোনোবাই ১০ হাজাৰ যদি লোকচান হোৱা বুলি কয় কোনোবাই ৫ হাজাৰ লোকচান হোৱা বুলি কয়। এই খেলিমেলি বিলাকৰ উদ্দেশ্য কি আমি বুজিব নোৱাৰো। দ্বিতীয় কথা আমাৰ মাননীয় সদস্য মছিৰুদ্দিনে কোৱাৰ দৰে নতুন যি বিলাক গাওঁ পঞ্চায়ত গঠন হব সেই গাওঁ পঞ্চায়তৰ লগে লগে সমবায় সমিতি বিলাকৰো সীমা ঠিক কৰা উচিত হব। আনহাতে আমি আৰু এটা কথা লক্ষ্য কৰিছো আমাৰ সমবায় সমিতি বিলাকৰ যিবিলাক কাৰ্য্যকৰী কমিটী আছে সেই সমবায় সমিতি বিলাকৰ কাৰ্য্যকাল এবছৰীয়া। সম্পাদক বিলাকে যিবিলাক খেলিমেলি

কৰি থাকে এজন সভাপতি বা কাৰ্য্যকৰী কমিটীয়ে এটা বছৰত সেই বিলাক কথা বুজি উঠিব নোৱাৰে যাৰ ফলত কাৰ্য্যকৰী কমিটীয়ে বিভাগৰ সম্পাদকৰ বিৰুদ্ধে একো কৰিব নোৱাৰে। গতিকে এই সমবায় সমিতি বিলাকৰ কাৰ্য্য-কৰী কমিটীৰ কাৰ্য্যকাল কম পক্ষেও দুবছৰ কৰিব লাগে তেতিয়া সমবায় বিলাক ভাল চলিব।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীঅমৃত লাল বসুমতাৰী: মাননীয় উপাধ্যক্ষ মহোদয়, সমবায় অৰ্থাৎ কো অপাৰেটিভ ছোচাইটি আমাৰ নিচিনা সমাজৰ কাৰণে গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰিবলৈ নিতান্ত প্ৰয়োজন আৰু এইযে ইকনোমিক চিস্তেম, সেৱা মিক্স ইকনোমি হোৱাৰ কাৰণে এফালে কেপিটেলিষ্ট আৰু আনফালে ছোচিয়েলিষ্ট এই দুটাৰ মাজত ষ্ট্ৰেইট ফাইট কৰিবলগীয়া হয়। গ্ৰাম্য অৰ্থ-নীতিয়ে কেপিটেলিষ্টৰ লগত ফাইট কৰা অসম্ভৱ। সেই কাৰণে এই লক্ষ্যত উপনীত হবৰ কাৰণে সমবায় আন্দোলন নিতান্ত প্ৰয়োজন হৈ পৰিছে। ১৯৭১ চনৰ পৰা ১৯৭৬ চনলৈ সমবায় আন্দোলন গঢ়ি তুলিবলৈ সেই সময়ৰ চৰকাৰে সমবায় সমিতি খোলাত যথেষ্ঠ অৰিহনা যোগাইছিল। সেই উদ্দেশ্য আগত ৰাখি ছাত্ৰ সমবায় সমিতি, শিক্ষক সমবায় সমিতি আৰু গাওঁ পঞ্চায়ত সমবায় সমিতি খোলা হৈছিল। এই সমবায় সমিতি সমূহ হোৱাৰ কাৰণে দিনক দিনে বাঢ়ি অহা এচেনচিয়েল কমোদিটিজ বিলাকৰ দামৰ পৰা আমাৰ গাওঁৰ ৰাইজে সকাহ পাইছিল। ফেয়াৰ প্ৰাইচ শ্বপ বিলাকৰ যোগেদি চেনী, চাউল, তেল আদি যিবিলাক নিত্য প্ৰয়োজনীয় বস্তু সেইবোৰ উচিত মূল্যত পাবলৈ সুবিধা পাইছিলো। এতিয়া এই সমবায় সমিতি বিলাকে মোৰ বন্ধু মাননীয় সদস্য শ্ৰীমছিৰুদ্দিন শ্বেখ ডাঙৰীয়াই কোৱাৰ দৰে কোনো উপকাৰ সাধিব পৰা নাই। এই সমবায় বিলাকে চাউল, চেনিৰ ব্যৱসায় কৰে কিন্তু বহুত ঠাইত ৰাইজে চাউল চেনী নাপায়। এনেকুৱা সমবায়ো আছে য'ত চেয়াৰমেন বা সম্পাদক বিলাকে ডাঙৰ ডাঙৰ ব্যৱসায়ী বিলাকৰ লগত লগ লাগি ৰাইজক ঠগিবলৈ লৈছে। আমাৰ মন্ত্ৰী মহোদয়ে বাহিৰৰ ফালে অলপ চকু দিলে দেখিবলৈ পাব যে গাওঁ পঞ্চায়ত লেভেল সমবায় সমিতি বিলাক অকল সভাপতি সম্পাদক সকলৰ বেনিফিটৰ কাৰণে চলি আছে তেনেকুৱা উদাহৰণ নহোৱা নহয়। অৱশ্যে বহুত ক্ষেত্ৰত এজেন্ট বিলাকেও অলপ সুবিধা পায়। অসমত ১৯৭১ চনৰ আগতে কিছুমান ডাঙৰ ডাঙৰ মাৰ্কেটিং

ছোচাইটি কৰা হৈছিল। অৱশ্যে এতিয়া সেইবিলাক ধ্বংসপ্ৰাপ্ত হৈছে। সেই বিলাক প্ৰায়ে ৰাইচ মিল কৰিবৰ কাৰণে কৰা হৈছিল। আমাৰ গোসাই-গাওঁতো এখন মাৰ্কেটিং ছোচাইটি আছিল আৰু তাত এটা ৰাইচ মিলো চলিছিল। এবাৰ ময়ো তাৰ চেয়াৰমেন হৈছিলো। মোৰ দিনত ভালে চলিছিল কিন্তু তাৰ পিছত আৰু কোনেও চলাব পৰা নাই। সমবায় বিভাগৰ বিষয়া সকলেই এই মিল চলাব পৰা নহব বা মিলৰ পৰা লাভ নহব বুলি কয়। এনেধৰণৰ অপিনিয়ন থকা স্বত্বেও ১৯৮৫ চনত ৯৫ হেজাৰ টকা কিয় ড্ৰাইং ইটাৰ্ড কৰিবলগীয়া হ'ল নুবুজিলো। আৰু প্ৰায় ২ লাখ ৭৫ হেজাৰ মান টকা খৰছ কৰিছে ৰিমদেলিঙৰ কাৰণে। তাৰ পাচত মিলটো ৰিমডেল কৰিলে যদিও চলাব পৰা নহ'ল। আগৰ চৰকাৰৰ দিনত এইটো চালু কৰিবৰ সময়ত সমবায় সমিতিৰ এখন ডাঙৰ মিটিং পাতিছিল। ইয়াত এটা একাউন্টত আছে সেই মিটিঙত বহুত খৰছ হৈছিল আৰু তাত বহুতো বিষয়া আৰু কংগ্ৰেছ (ই) ৰ লোকো আহিছিল। (ভইচ— এইটো আগৰ নহয়) কিছু দিনৰ আগৰ কথা, এনেদৰে আমাৰ বহুতো মাৰ্কেটিং ছোচাইটি ধ্বংস হৈ গৈছে। গতিকে এই ছোচাইটি বিলাক পুনৰ থন ধৰি উঠিবৰ কাৰণে আৰু উন্নয়নৰ কাৰণে যত্ন কৰিব লাগে। সমবায় সমিতি বিনে আমাৰ নিস্তাৰ নাই। ডাঙৰ ডাঙৰ টেডাৰ্চৰ লগত আমি যুদ্ধ কৰিব নোৱাৰো। এবাৰ ছোচাইটিৰ মিল চলাওঁতে এজন ড্ৰাইভাৰ পঠিয়ালে আৰু মিল চলাই চলাই "পলিচাৰ" বিলাক নষ্ট কৰিলে। এইটো ৰিপেয়াৰ কৰোতে বহুত টকা নষ্ট হৈ গ'ল। তাৰ পাছত এটা কথা চাব লাগিব যে আমি চাউল, দাইল, তেল আদি নিত্য প্ৰয়োজনীয় বস্তু বিলাক আনিবলৈ যাওঁতে বহুত কষ্ট লব লগীয়া হয়। কষ্ট মানে কি জানেই। সদৌ শেষত অসমৰ সমবায় চিষ্টেমতো অধিক উন্নত ধৰণে আগবঢ়াই নিয়াৰ কাৰণে যত্ন কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। কিয়নো এই সমবায় চিষ্টেম নহলে আমি নিত্য প্ৰয়োজনীয় ব্যৱহাৰ্য্য বস্তু বিলাক কম দৰত পাব নোৱাৰো। ফেয়াৰ প্ৰাইচ শ্বপৰ জৰিয়তে যাতে বস্তু বাহানী বিলাকৰ দাম অধিক বৃদ্ধি নহয় কন্ট্ৰোল কৰি কম দামত বা সুলভ মূল্যত ৰাইজক নিত্য প্ৰয়োজনীয় বস্তু বিলাক যোগান ধৰিব পৰা হয় তাৰ প্ৰতি বিশেষ নজৰ দিব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্রীরামেন্দ্র দে ঃ মাননীয় উপাধ্যক্ষ মহোদয়, একটা উন্নয়নশীল গ্রামীন অর্থনীতিতে সমবায় আন্দোলন একটা দেশের অবিচ্ছেদ্য অংশ। কিন্তু বর্ত্তমানে আমরা সমবায় আন্দোলন বলতে যা বুঝিতা হলো বিশেষ করে আসামের ক্ষেত্রে যেন এই সমবায় বিভাগ একটা অনাথ একে দেখা শোনা করার কেউ নাই।

সমবায়র ছুটি দিক আছে। একটা হলো জি পি লেভেল কো-অপারে-টিভের পরিচালনা সমিতি। এটা জনসাধারনের দ্বারা পরিচালিত। তার একটা বাই-ল' আছে। এদের কাজকর্ম হিসাব নিকাশ সব সরকারকে দিতে হয়। এবং সরকারকে নিয়মিতভাবে এই জি পি লেভেল কো-অপারেটিভ সোসাইটি চলছে কি না সেদিকে দৃষ্টি দিতে হয়। যার ফলে অসাম রাজ্যের প্রত্যেকটি কো-অপারেটিভে একজন করে সেক্রেটারী আছেন এবং কো-অপা-রেটিভ সোসাইটিগুলি দেখাশোনা করার জন্য ইন্সপেক্টর, সিনিয়র ইন্সপেক্টর, অডিটর সবেই আছেন। কিন্তু আমরা জানামতে এই কো-অপারেটিভ সোসাইটি গুলিকে দেখা শোনার জন্য কোনেও বিধি বা ব্যবস্থা আসাম রাজ্যে আর ইদানিং কালে নাই। কারন হলো বেশির ভাগ জি পি লেভেল কো-অপারেটিভ বরাদ্দ খাদ্যসামগ্রী নিজে আনতে পারে না অর্থৎ Financial abili y to receive the allotment সেটা নাই। প্রশ্ন হলো— হঠাৎ কেন এটা হয়েছে? যদিও সেগুলিতে রাজ্য চরকারের নিয়ন্ত্রণ আছে কিন্তু বেশীর ভাগ ক্ষেত্রে গ্রামের কো-অপারেটিভ গুলির আর্থিক সঙ্গতি প্রায় শেষ হয়ে গেছে। যাও বা কেপিটেল ইনভেষ্টমেন্ট (Capital investment) ছিল তা শেষ হয়ে গেছে। তাই সরকার এই ব্যবস্থাকে সুচল রাখার জন্য গ্রামে সব রকম সাহায্য যেন দেন। অন্যদিকে আর্থিক যোগান যাতে নষ্ট না হয় সেদিকে যেন সরকার কঠোর ব্যবস্থা অবলম্বন করেন।

মহোদয়, ৩/৪ মাস কো-অপারেটিভের চেক্রেটারীর কাজ করলে এক এক জনের পুরো আর্থিক সঙ্গতি এসে যায়। অন্যদিকে কো-অপারেটিভ সোসাইটি ধীরে ধীরে ধ্বংস হয়ে যায়। আর কাছাড় করিমগঞ্জ জেলাতো এসব ব্যাপারে সিদ্ধ হস্ত। সরকারী তহবিল একেবারে শেষ করে দিয়েছে

---

* Speech not corrected.

এবং বেশীরভাগ কো-অপারেটিভ সোসাইটি শ্রীহীন হয়ে পরেছে। গতিকে এসব দিকে দৃষ্টি দেওয়ার প্রয়োজন। আমি প্রস্তাব রাখব যে কো-অপারেটিভের সেক্রেটারীকে প্রতি তিন বছর অন্তর অন্তর যেন রাজ্যের বিভিন্ন প্রান্তে বদলী করা হয় এবং তাদের উপর যেন কড়া নজর রাখা হয়।

উপাধ্যক্ষ মহোদয়, আরেকটা জিনিষ হলো যে কো-অপারেটিভ সোসাইটিগুলির খাদ্য সামগ্রী বন্টন করার দায়িত্ব কো-অপারেটিভ বিভাগের নাই। যথাযথ ভাবে বন্টন হচ্ছে কি না সেটা দেখবে রাজ্য ফুড এণ্ড সিভিল সাপ্লাইজ (Food and civil supply) বিভাগ। এই ব্যাপারে কোনও গাফিলাতি হলে ডিসি কো-অপারেটিভ রেজিষ্টারকে জানান। তিনি এনকোয়ারী করার জন্য লোক পাঠান্ কিন্তু মুশকিল হলো যে জি পি লেভেল সোসাইটির সিদ্ধান্ত না হলে কারো বিরূদ্ধে ব্যবস্থা নেওয়া যায় না। সুতরাং কি ভাবে এই অবস্থাকে কাটানো যায় এর পথ সরকারকে বের করতেই হবে।

মহোদয়, জি পি লেভেল কো-অপারেটিভ কে বাচাতে হলে সমবায় সিষ্টেমকে আরও কর্মক্ষম করে তুলতে হবে। সরকারকে আমি এদিকে দৃষ্টি দেবার জন্য অনুরোধ করব।

মহোদয়, আর একটা সমস্যার কথা উৎথাপন করে আমি আমার বক্তব্য শেষ করব। কিছুদিন ধরে আসামের বিভিন্ন সংবাদপত্রে এপেক্স ব্যাংক সম্পর্কে নানা সন্দেহ প্রকাশ করা হচ্ছে। আসামের নামকরা পত্রিকা সেন্টিনেলে গত ৭ই এপ্রিল খবরে লেখা হয়েছে (Allegation levelled against the Apex Bank Management) সেখানে বহু অভিযোগ আনা হয়েছে। আমি সম্পূর্ণ সংবাদ পড়ছি না। কিন্তু সরকার তার কন্ট্রাডিক্শন দিয়েছেন ২২ দিন পরে। এতে কিন্তু এম-ডি সম্পূর্ণ কথাকে স্বীকার করেছেন। অভিযোগ গুলির মধ্যে রয়েছে নিয়ম বহির্ভুত ভাবে কর্মচারীদের নিয়োগ করা কর্মচারীদের উপর অযথা হয়রানি করা, তাদের গণতান্ত্রিক অধিকারের উপর হস্তক্ষেপ করা। ( — সময় সংকেত — ) উপাধ্যক্ষ মহোদয়, এপেক্সবেংকে ১৯৮৬ ইং'র ৫ অক্টোবর তারিখে যে লিখিত পরীক্ষা হয় এতে ৪২০ জন পরীক্ষার্থী ছিলেন। এর মধ্যে যারা পাশ করেছিলেন এদের মধ্যে অনেককে বাদ দিয়ে যারা পরীক্ষা দেয়নি এমন ১৩ জনেক নিয়োগ

করা হয়েছে। এই ১৩ জনের সাক্ষাতকার অত্যন্ত ব্যক্তিগত ভাবে হয়েছে। অথচ মেরিট লিষ্টের ২ নং, ২২ নং, ৩১ নং, ৩৭ নং কে চাকরী দেওয়া হয়নি। এটা অত্যন্ত গুরুত্বপূর্ণ কথা কারণ এপেক্স বেংক আসাম চরকারের সবচেয়ে বড় বিত্তীয় অনুষ্ঠান। এ রকম অভিযোগ যদি এর বিরুদ্ধে থাকে তাহলে এটা ধ্বংস হয়ে যাবে। আমি চরকারের কাছে দাবী করব এই ব্যাপারে তদন্ত করে যেন যথাযথ ব্যবস্থা গ্রহণ করা হয়।

তাছাড়া সবচেয়ে বড় কথা যে এপেক্স বেংকের এম ডি নাকি ১৯৮৭ ইং র ২৬ নং চাকু্লার যোগে জানিয়েছেন যে কোন কর্মচারী কোনও অভি-যোগ নিয়ে আদালতে যেতে পারবে না। কোনও গণতান্ত্রিক ৰাষ্ট্রে এটা কি ভাবে চাকু্লারে লেখা যায় আমি বুঝতে পারি না। এটা অত্যন্ত অন্যায় হস্তক্ষেপ বলে আমি মনে করি।

উপাধ্যক্ষ মহোদয়, এই এপেক্স বেংককে সর্বাঙ্গ সুন্দর করে গড়ে তোলার জন্য যেন পত্র-পত্রিকায় তোলা অভিযোগ গুলির ব্যাপারে যথাযথ তদন্ত হয় এবং তদন্তের ফলাফল যেন ঐসব পত্র-পত্রিকায় মাধ্যমেই প্রকাশিত হয় যাতে জনসাধারণ সঠিক তথ্য জানতে পারে। এই বলে আমি আমার বক্তব্য শেষ করছি।

* শ্রীদেব কুমাৰ বৰাঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত কো-অপাৰেচন বিভাগৰ যিটো দাবী মঞ্জুৰী উত্থাপন কৰা হৈছে আৰু ইয়াৰ লগত বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰি অসমৰ সমবায় আন্দো-লনৰ ওপৰত দুষাৰমান কবলৈ আগবাঢ়িছো। মাননীয় উপাধ্যক্ষ মহোদয়, আজি কো-অপাৰেটিভ চেক্টৰটো অসমত যেনে পৰ্য্যায়ত আছে আৰু ইয়াৰ উদ্দেশ্য আৰু ভবিষ্যৎ আৰু ইয়াৰ মূল কাৰ্য্য ক্ৰমনিকা সমূহৰ ওপৰত আজি এই সদনত মই আশা কৰিছো যে উপযুক্ত ভাবে এই বিষয়টো সক্ৰিয় কৰি তোলাৰ কাৰণে কিছু দিহা পৰামৰ্শৰ প্ৰয়োজন হৈছে আৰু সেই কাৰণে মই কেতবোৰ পৰামৰ্শ আগবঢ়াব বিচাৰিছো। এটা কথা হ'ল কো-অপাৰেটিভ মোভমেণ্টটো অসমত বৰ্ত্তমান বিফলতাৰ ফালে গৈ আছে। এটা চেক্টৰত বিফলতা হৈছে আৰু আন এটা চেক্টৰত সফলতা হৈছে। যিখিনি কো-অপাৰেটিভ অনুষ্ঠান কেটেগ'ৰাইজ বেচড্ অফিচিয়েলৰ দ্বাৰা পৰিচালিত হৈছে সেইখিনি কিছু পৰিমানে

* Speech not corrected.

সফলতা অৰ্জন কৰিছে। সেই বিলাকৰ ভিতৰত এপেক্স কো-অপাৰেটিভ বেংকৰ কথাটো উল্লেখ কৰিব লাগিব। এই থলুৱা বেংকটোৱে বহুতো বাধা আৰু বিপত্তিৰ মাজেদি আহিও আজি কিছু পৰিমাণে সফলতা লাভ কৰিছে। কাৰণ ইয়াৰ মেইন্টেনেঞ্চ কেটেগ'ৰিজ অফিচিয়েলৰ দ্বাৰা পৰিচালিত হয়। সেইদৰে ষ্টেটফেদ, আৰ্ট ফেদ, ভিচ ফেদ, হাউচ ফেদ ইত্যাদি তেনে ধৰণৰ কেটেগ'-ৰাইজ বেচড্ অফিচিয়েলৰ দ্বাৰা পৰিচালিত হোৱাৰ কাৰণে কিছু পৰিমাণে সফলতা লাভ কৰিছে। কিন্তু ইয়াৰ বাদে কেৱল চেক্টৰত যিখিনি কো-অপাৰেটিভ ছোচাইটি আছে যিবিলাকে বিশেষকৈ নিত্য ব্যৱহাৰ্য্য বস্তু ইত্যাদি যোগান ধৰিব লাগে সেই বিলাক সম্পূৰ্ণ বিফলতাৰ ফালে গৈ আছে। ইয়াত কাম কি ধৰণে হৈছে সেইটো কোনেও কব নোৱাৰে। যেতিয়ালৈকে কেদাৰ সৃষ্টি কৰিব পৰা নাযায় তেতিয়ালৈকে কো-অপাৰেটিভ মোভমেণ্টটোৰ দিশ নিৰ্ণয় কৰিব পৰা নাযায় তেতিয়ালৈকে যাৰ যি ইচ্ছা তাকেই কৰি থাকিব। আজি কো-অপাৰেটিভ বুলিলে অসমীয়াত এষাৰ কথা আছে 'অধিক বাৰৈত গো ধমনা' অৰ্থাৎ বাৰৈৰ সংখ্যা বাঢ়ি যোৱাৰ কাৰণে গো ধমনা হৈ গৈছে। তাত যথেষ্ট সংখ্যক ইলেকটেড্ মেম্বাৰ আৰু অন্যান্য লোক আছে আৰু এই সকলোখিনি মানুহৰ মাজতেই সমবায় বিলাক চলি থকাৰ ব্যৱস্থা হৈছে আৰু সেই কাৰণেই দুৰ্নীতিয়ে চাটি পেলাইছে। আৰু তাৰ কাৰণে এই সম-বায়ৰ যি মূল উদ্দেশ্য আছিল সেইটো নাইকীয়া হৈ গৈছে। সেই কাৰণে এতিয়া আমাৰ চৰকাৰে এটা টাইম বাউণ্ড প্ৰগ্ৰেম লব লাগে। পঞ্চায়ত লেভেলত যি বিলাক কো-অপাৰেটিভ ছোচাইটি আছে সেই বিলাক নবীকৰণ কৰাৰ ক্ষেত্ৰত নতুন মেম্বাৰশ্বিপ লব লাগে আৰু চেয়াৰ হোল্ডাৰ নতুনকৈ লৈ সংখ্যা বৃদ্ধি কৰিব লাগে নহলে এতিয়াৰ যিখিনি চেয়াৰ হোল্ডৰ আছে সেইখিনিৰ কাৰ্যকলাপে ৰাইজক যথেষ্ট বিপাঙত পেলাইছে আৰু সেই কাৰণে কো-অপাৰেটিভ মোভমেণ্টটো ফেইলৰ হৈছে আৰু ইয়াৰ ভাল ফল লাভ কৰিবলৈ হলে প্ৰত্যেক পঞ্চায়ত লেভেল কো-অপাৰেটিভ ছোচাইটিক এট্ লিষ্ট মিনিমাম এশ জন চেয়াৰ হোল্ডাৰ নতুনকৈ লব লাগে। নহলে একেখিনি মানুহৰ পৰিচালনাত পৰি দুৰ্নীতি পৰায়ন হৈ কো-অপাৰেটিভ ছোচাইটি বিলাক আৰু বিফলে যাব। সেই কাৰণে মই পৰামৰ্শ দিব বিচাৰিছো যে এটা স্পেচিফিক টাইম বাণ্ড প্ৰগ্ৰেম লৈ অহা দুমাহ মানৰ ভিতৰতেই সকলো বিলাক ছোচাইটিক নতুন চেয়াৰ হোল্ডাৰ অন্তৰ্ভুক্তিকৰণ কৰাৰ কাৰ্য্যসূচী লব লাগে।

নতুন ক্লাডেহে কাম কৰিব। পুৰণা ক্লাডেৰ কিছু বিষাক্তজনীত কাৰণত এই কো-অপাৰেটিভ মোভমেন্টটো ফেইলৰ হ'ল। ৰাইজক কো-অপাৰেটিভ মোভমেন্টটোনো কি এই বিষয়ে সাম্যক জ্ঞান দিবলৈ চেষ্টা কৰিব লাগে। স্কুলৰ পাঠ্যপুথিত কোনোবা এটা ক্লাছত এই কো-অপাৰেটিভৰ বিষয়ে এটা চেপ্তাৰ যদি পাঠ্যপুথিত ইনক্লুড কৰা হয় তেতিয়া হলে কিছু বছৰৰ মূৰত ৰাইজৰ এই বিষয়ে কিছু জ্ঞান হব। এইক্ষেত্ৰত স্কুল, কলেজ সমূহত কো অপাৰেটিভৰ বিষয়ে কিছু অভিজ্ঞতা আহিব আৰু অদূৰ ভবিষ্যতে কো-অপাৰেটিভ মোভমেন্টটো সফলতাৰ ফালে অ গবাঢ়ি আহিব পাৰিব বুলি আশা কৰিব পাৰি। কিয়নো ৰাইজে বুজিব সমবায়ে ৰাইজক কেনে ভাবে উপকাৰ কৰিব পাৰে। সেই ক্ষেত্ৰত শিক্ষা বিভাগে এই বিষয়টো লব লাগে। আৰু পাৰিলে কোনোবা ক্লাচত এটা চেপ্তাৰ পঢ়ুৱালে কো-অপাৰেটিভৰ বিষয়ে আইডিয়া হব আৰু সময়ত ই সফলতাৰ ফালে অগবাঢ়ি যাব। ইয়াৰ উপৰিও আমাৰ প্ৰত্যেক সমবায় সমিতিৰ চেক্ৰেটাৰী বিলাকক মেনেজমেন্টৰ বিষয়ে জ্ঞান দিবৰ কাৰণে যি সকলক তাত নিয়োগ কৰা হয় সেই খিনিক এটা কেদাৰ ওৱাইজ কৰিব লাগে। কিয়নো আজি কোন ঠাইত গেঞ্জী পায়, কোন ঠাইত ধুতি পায়, কোন ঠাইত চাবোন পায় আৰু নিত্য প্ৰয়োজনীয় বস্তু বিলাক ক'ত পায় এই সম্পৰ্কত সম্যক জ্ঞান নথকাৰ কাৰণে আৰু সেই বিলাকৰ কাৰণে যোগাযোগ কৰিবলৈ তেওঁলোকে এড্ৰেচেই নাজানে, তেনে ক্ষেত্ৰত এই লোকসকলে কেনেকৈ ৰাইজলৈ সেৱা আগবঢ়াব। সেই কাৰণে এই মানুহ বিলাকক কেদাৰওৱাইজ কৰিব লাগে যি সকলে সমবায়ৰ মেনেজমেন্টৰ কাম কৰিব। বিশ্ববিদ্যালয়ত এই অসমৰ কো-অপাৰেটিভ মেনেজমেন্ট ইনষ্টিটিউটৰ কাৰণে কেদাৰ সৃষ্টি কৰি তাত কো-অপাৰেটিভ চেক্ৰেটাৰী জনৰ কাৰণে উপযুক্ত হোৱাকৈ এটা পাঠ্যক্ৰম কৰিলে ভাল হয়। তেতিয়া হলে কো-অপাৰেটিভ মোভমেন্টৰ বিষয়ে আৰু মেনেজমেন্টৰ অভিজ্ঞতা লৈ কো-অপাৰেটিভ ছোচাইটি বিলাক তেওঁলোকে কাৰ্য্যক্ষম কৰি তুলিব পাৰিব। যেনেকৈ আজি অসমৰ এপেক্স বেংক কো-অপাৰেটিভ ছোচাইটি আছে এই বেংকে বহুত বাধা বিঘিনীৰ মাজেৰে নেচনেলাইজ বেংকৰ লগত ফেৰ মাৰি আজি এই বেংকে ৪২ টা শাখাৰ পৰা ৬০ টা শাখালৈ বৃদ্ধি কৰিছে আৰু এই বেংকত ডিপ'জিত শতকৰা এশ ভাগেই বাঢ়ি গৈছে।

উপাধ্যক্ষ মহোদয়, যিহেতু অসমৰ এপেক্স বেংকত কুৱালিফাইড কেটেগোৰিৰ মানুহ আছে সেয়েহে আজি অসমত এই এপেক্স বেংকৰ শাখা ৪২

টাৰ পৰা ৬০ টালৈ বৃদ্ধি পাইছে আৰু তাত ডিপোজিত শতকৰা বেছি হৈছে। শিক্ষিত মানুহ থাকিলে চাৰ্ভিচ বেছি দিব পাৰে। এনেকুৱা ক্ষেত্ৰত কিছুমানে বাধা দিছে। বহুত মানুহ আছে আৰু সফলতা অনাটো বিভিন্ন মানুহৰ হাতত পৰে। নিৰ্দিষ্ট নিয়ম প্ৰণালী নথকাৰ ফলত কিছুমান বদলি হৈছে। এই বিভাগৰ অধিক ভাবে সফলতা আনিব লাগে। তেনে ধৰণে ব্যৱস্থা লব লাগে। অসমত সমবায় সফল কৰিবৰ কাৰণে বিচৰা হৈছে। অসম চৰকাৰে এই সম্পৰ্কে সহায়ক পল'চি লৈছিল। আনহাতে এই মোভ-মেন্টৰ কিছু পৰিমানৰ কাৰ্য্যসূচী লোৱা হৈছিল।

The history of the first fifty years of the co-operative movement in Assam is one of inefficiency and failures. After 1931 until the begining of the Second Five Year Plan, new business decreased, the proportion of overdues increased, and so did the liquidations. The following table shows the position of agricultural credit societies in Assam in comparison to three of the more successful States in 1955-56.

| | | Assam | Madras | Bombay | Punjab |
|---|---|---|---|---|---|
| I. | Percentage of villages covered | 12.0 | 68.9 | 79.1 | 63.1 |
| II. | Working Capital per society ( in Rs. ) | 1,907 | 8,894 | 17,426 | 7,012 |
| III. | Working Capital per Member ( in Rs. ) | 87 | 83 | 191 | 146 |
| IV. | Average amount advanced by each Society ( in Rs. ) | 1,565 | 5,309 | 11,553 | 3,552 |

In 1948 the Government of Assam formulated a new policy for the reorganisation of the co-operative movement.

তাৰ ভিতৰত আছিল—

(a) To deal in commodities required by the members

(b) To facilitate trade by providing sale and purchase centres.

(c) To export the surplus production of members.

(d) To provide banking facilities to members, and

(e) To provide insurance facilities to members ... ... .....

গতিকে এই অব্‌জেক্‌টিভ খন আমাৰ সফল হৈছে নে নাই? এতিয়া আন আন পেপাৰত শুনা যায় অমুক কো-অপাৰেটিভ ছোচাইটিৰ ইমান চাউল চুৰি হৈছে, তমুকটো নাইকীয়া হ'ল ইত্যাদি। এই গোটেই ব্যৱস্থা সম্পূৰ্ণ বদলি হৈছে। মই ভাবিছো এই বিষয়ত চৰকাৰে মন-কান কমকৈ দিছে। It is entire a neglected sector. এই ক্ষেত্ৰত Socialistic Pattern of the Country. সংবিধানত যিখিনি কথা কৈছিল তাৰ ওপৰত যদি কো-অপাৰেটিভ ছোচাইটিৰ মোভমেন্ট অবনমিত কৰা হয় তেন্তে দোষী কোন হব? নিজে দোষী হব লাগিব। এই ক্ষেত্ৰত গভৰ্ণমেন্টৰ স্পেছিফিক প্ৰগ্ৰেম কি আছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

* শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী: মাননীয় উপাধ্যক্ষ মহোদয়, আজি মাননীয় মন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী বিচাৰিছে তাক মই সম্পূৰ্ণ সমৰ্থন জনাই কবলৈ আগবাঢ়িছো। দেশত যি সমবায় আন্দোলন গঢ়ি উঠিছে সেইটো অসমৰ কাৰণে প্ৰয়োজন। সমবায়ৰ নিৰ্বাচন প্ৰক্ৰিয়াত অলপ ত্ৰুটি আছে বুলি মাননীয় সদস্য শ্ৰীদেব কুমাৰ বৰা ডাঙৰীয়াই কৈছে। একেটা দিনতে নিৰ্ব্বাচন পতাৰ ফলত ৰাতি হৈ যায় আৰু আমাৰ যিবিলাক যোগ্য মানুহ তেওঁলোকে ভোট নিদি গুছি যায়। যিখিনি পুৰণা মানুহ আছে সেই খিনিয়েই নিৰ্বাচনত জয়ী হয়। পুৰণা মানুহে সভাপতি মেম্বাৰ হয়। গাওঁত যিবিলাক সমবায় সমিতি আছে সেই বিলাকত দুৰ্নীতি সোমাই পৰিছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই নিৰ্বাচনৰ কাৰ্য্যসূচী যদি দুদিনীয়া কৰে তেতিয়া হলে বিভিন্ন মানুহে নিৰ্বাচনত যোগদান কৰিব পাৰে। মাননীয় বিৰোধী পক্ষৰ সদস্যই কৈছে যে ইয়াৰ কাৰ্য্যকাল এবছৰ কৰাৰ কাৰণে সেই বছৰটো বুজি লওঁতেই যায়। গতিকে ইয়াৰ কাৰ্য্যকাল দুবছৰ কৰিব লাগে,

---

* Speech not corrected.

তেতিয়াহে বুজি লব পৰা যাব আৰু কামো হব। চেয়াৰমেনক দৰমহা নিদিয়াৰ কাৰণে দুৰ্নীতি কৰিবলৈ বাধ্য হয়। সেই কাৰণে গোটেই বস্তু বিক্ৰী কৰি দিয়ে। সেয়েহে চেক্ৰেটাৰীক দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া নিশ্চয় দুৰ্নীতিৰ পৰা ৰেহাই পাব। সমবায় সমূহত যিবিলাক চাউল, আটা, ময়দা যায় সেই বিলাক উচ্চমান নহয় বুলি গাওঁ বিলাকত অভিযোগ কৰে। সেইবোৰ সময়মতে নেপায় আৰু যিখিনি বিচাৰে তাৰ কম দিয়ে। গাওঁ অঞ্চলত যিবিলাক চাউল দিয়া হয় সেই বিলাক পোকে ধৰা, আৰু জন-সাধাৰণে আপত্তি কৰে। আমি জনাত এই চাউলৰ গোন্ধ পোৱা যায় আৰু সেই বিলাক সমবায় সমিতিৰ গুদামত পঁচি যায়। এই বিলাক বহুত কাৰণত জনসাধাৰণে চাউল নলয়। সেই বিলাক সমবায় সমিতিৰ গুদামত পৰি থাকে আৰু কম দামত বিক্ৰী কৰে। তেনেকৈ গম ধানো কিনা হয় আৰু গুদামত পৰি থাকে। মানুহে গম নিনিয়ে। যদি সমবায় সমিতি সমূহত গম নিদি চাউল দিয়া হয় তাৰ পৰা সকলোৱে লাভৱান হয়।

উপাধ্যক্ষ মহোদয়, কিছুমান সমবায় সমিতিত বহুত দিন ধৰি চেক্ৰেটাৰী, সভাপতি হৈ থাকে। উদাহৰণ স্বৰূপে আমাৰ ৰাজাপুখুৰী সমবায় সমিতিত আছে। পাঁচ কুইন্টল চাউল চুৰি হোৱা বুলি এবাৰ মিটিং পাতিলে। আৰু এন্‌কুৱাৰীৰ কাৰণে প্ৰস্তাৱ কৰিলে। উপায়ুক্তই কেচটো ধৰিছিল আৰু শাস্তি দিছিল। কিন্তু পুৰণা মানুহ হাতত থকা কাৰণে একো নহ'ল। গতিকে নতুনকৈ লোৱাৰ ব্যৱস্থা কৰিব লাগে। যদি নতুনকৈ লোৱা হয় তেতিয়া সমবায় সমিতি সমূহৰ ভাল হব।

উপাধ্যক্ষ মহোদয় সমবায় সমিতিৰ দোকান সমূহত কাপোৰ বিক্ৰী কৰা হয়। যি কাপোৰ ১০ টকা দামত বিক্ৰী কৰা হয় সেই কাপোৰৰ দাম বজাৰত ৮ টকা। সেই কাপোৰ বিলাকৰ মানদণ্ড উচ্চমানৰ নহয়। সেই-দৰে কুৱালিটিও ভাল নহয়। সেই কাপোৰ বিলাক সৌখিন নহয় যাৰ ফলত মানুহ আকৃষ্ট নহয়। এই কাপোৰ উচ্চমানৰ নহয় কাৰণে দোকানত লোক-চান হয়। সেয়েহে কাপোৰ কিনিলে যাতে চাই চিতি কিনা হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। এই ক্ষেত্ৰত সমবায়ৰ দোকানবোৰে মাৰ খাইছে। গতিকে চৰকাৰে ভাল কাপোৰ সমবায়ৰ দোকানবোৰলৈ যোগান ধৰাৰ ব্যৱস্থা কৰিলে ভাল হব বুলি মই ধাৰণা কৰিছো। এটা কথা আমি অনুভৱ কৰিছো যে সমবায় বিভাগৰ যিটো মুখ্য কাৰ্য্যালয় আছে তাত বহুত বিলাক কেৰুণ

থকা বুলি আমাৰ অনুমান হয়। সমবায় বিভাগৰ মুখ্য কাৰ্য্যালয়ৰ কাৰণে যিবিলাক সাজ-সৰঞ্জাম অনা হয় সেই বিলাক দেখা যায় যে বিষয়া সকলৰ ঘৰে ঘৰে হৈ পৰে। এই ধৰণৰ যিবিলাক কাৰ্য্যকলাপ চলি আছে এই কাৰ্য্যকলাপ বিলাকে সমবায় ব্যৱস্থাৰ মূল উদ্দেশ্যত আঘাত হানিছে।

এই বিভাগৰ আৰু এটা ভাল ব্যৱস্থা আছিল যে মাৰকেটিং ছোচাইটি। আগকে এই মাৰকেটিং ছোচাইটিয়ে ধান কিনিছিল। কিন্তু এতিয়া এই ছোচাইটিয়ে ধান নিকিনে। আগতে এই ছোচাইটিয়ে বজাৰৰ পৰা ধান কিনিছিল। কিন্তু আজিকালি এই ছোচাইটিখনে যিবিলাক ধান কিনে সেই বিলাক বজাৰৰ পৰা নিকিনে, সেই বিলাক দালালৰ পৰাহে কিনে। সেইদৰে যি মৰাপাট কিনে সেই মৰাপাট বজাৰৰ পৰা নিকিনে। মৰাপাট কিনে দালালৰ পৰাহে। খাৰুপটীয়াত এই ব্যৱস্থাটো পূৰাদমে চলি আছে। এই ছোচাইটিয়ে এনেদৰে কাম কৰি সমবায়ৰ আচল উদ্দেশ্যৰ পৰা ফালৰি কাটি গৈছে। মন্ত্ৰী মহোদয়ক এই বিলাক বিষয়ত চকু দিবলৈ অনুৰোধ কৰিছো যাতে এই বিভাগটোত যিবিলাক আঁসোৱাহ আছে সেই বিলাক দূৰ কৰি ৰাইজৰ উপকাৰত অহা ধৰণৰ কাম কৰে। ইয়াকে কৈ মই মূল দাবী মঞ্জুৰীটো সমৰ্থন কৰিছো আৰু যিটো কৰ্ত্তন প্ৰস্তাৱ বিৰোধী দলৰ ফালৰ পৰা আনিছে তাৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ ইমানতে সামৰণি মাৰিছো।

Mr. Deputy Speaker : Now, Hon'ble Member Shri Altaf Hussain Mazumdar.

Shri Altaf Hussain Mazumdar : Mr. Deputy Speaker, sir, this Government came to power with an added advantage because of the massive support of the people. At the same time this Government is in a more difficult position because it has raised hopes and expectations in the mind of the people— unprecedented expectations. So it has got to prove its mattle before the people. Though a backward State, Assam's history of co-operative movement is older than many other States of Indian Union ; here co-operatives had been a very old machinery for the service of the people and

its achievement had been greater ; but it is really very unfortunate sir, that presently in this Department of co-operation, corruption has crept in to a great extent, not in its whole part, but in some sector. Sir, in certain ministries, Ministers are honest but some officers, are corrupt. Here in the Co-operation Department the top officers are honest, yet there is corruption in the minister. I would boldly say the Secretary and Commissioner of the Co-operation Department is a very honest officer. He does not even allow the Government car to be used for his family. Inspite of that there are corruption in other levels and as a result the whole co-operative movement has been loosing ground. Not only that, the leadership that has to be available from the ministry level to the co-operation movement in the State to keep it useful for the service of the people, is absolutely lacking. Besides there is too much interference in the working of the honest officers from the ministry level and hence they are treading the path of least resistance. There is a limit to their capacity of resistance. This is the state of affairs going on sir corruption is at Ministers level.

Former Chief Minster, Shri Sarat Chandra Sinha, introduced G. P. level co-operative societies in the State which had to discharge the function of distributing essential commodities among the people in villages. But what is their position now ? May I ask the Hon'ble Minister in-chage of Co-operation through the Hon'ble Deputy Speaker whether the G. P. level co-operatives are functioning properly ? Whether these co-operatives have got the necessary capital

to lift their quota of essential commodities ? Are they being provided with required assistance for doing that ? Sir, as far as my knowledge goes, 75 percent of the G. P. level cooleratives have not got the required capital to enable themselves to lift their quota of essential commodities and as a result their quotas are either going by lapses or some 'Mahajans' come with money, lift the quota in the name of such and such co-operative and earn profit. Sir, distribution of essential commodities through co-operative network is a very important function of the Government in these days, but what the Government is practically doing to strengthen the hands of these G. P. level co-operatives ? I request the Hon'ble Minister to visit in villages and see things for himself ; let him not sit here at Dispur and let him go out and see why these co-operatives are not able to function effectively ; let him see what is the financial position of each such co-operative and how are they actually functioning. Let some enquiry be held into the affairs of the co-operatives to find out what is the capital at the moment at their disposal and whether they are in a position to lift the quota of essential items for the people at the villages or they have passed the business on to the hands of some 'Mahajans' or whether they are in a position to run on profit or 'no profit no loss' basis. This is very important and no time should be lost. Sir, these co-operatives could have been used as an effective machinery for the good of the people of a backward State like ours had there been any policy and had the State Government gained by the experiences of certain successful

States. Sir, in certain States like Maharashtra and Gujrat, they have gained and there is effective co-operation. As I have said earlier, Assam history of co-operative movement is much older than that of many other States, but to-day it has relegated to the background. I am not criticising the Government for critisism's sake. There should not be any attempt at politicalising the institution, but the fact remains that you are not chainging the bodies of the co-operatives by election, and this will boomerang in course of time. You cannot say you made some ad-hoc committees, but you have to show the result. And if you want to show the result, you have got free yourselves from politicalisatsion of the institution. So let there be election, and some effective persons be brought in. Let the term be for two years but let the institution revive again for the greater interest of the people. Let the corrupt persons be removed.

Sir, I just refer to another matter, that is, STATFED. What is going on inside it, probably many do not know. It is a den of corruption. Sir, in other States handling of lifting of various articles there are Civil Supplies corporation and they are effectively using these Civil Supplies Corporations. Money is provided by the Government of India to set up the Civil Supplies Corporations. Here we have got the STATFED, but in it corruption has gone to such a limit that you will be surprised to know. We have heard the reply of the Hon'ble Minister Supply. He repeatedly stated that the STATFED is not in a position to lift the articles like cement etc. In respect of cement,

and such other controlled articles, Assam's quota is going by default because of STATFED's inability to lift the quota, and corruption is rampent in STATFED. In this regard I just refer to in instance, to pin-point how corruption is practiced at the highest level, at the head. Sir, as you all know, fish starts rotting from the head ; so the STATFED has started rotting from its head and it will soon become useless. I do not blame those officers. I refer to the Commissioner of Co-operation again. He is an asset of the Assam cadre officers. I have seen him sponsoring proposals in all India level meettings and also in other places in a strong way. He is a very honest man. But the corruption is somewhere else. It is not with the top officers but somewhere else. They resisted but resistance failed ; they could resist upto a cer.ain level. Sir, STATFED called for tenders for supply of cylinders for oxygen bottling at Amingaon in 1987. The highest tender, i. e. at the rate of Rs. 3000 per cylinder had been accepted by the STATFED management and 1000 cylinders were purchased. There were perfectly valid tenders by other firms-one of them was a public sector undertaking- they quoted rate at the rate of Rs. 2000/- per cylinder, but their tenders were rejected. Officers were helpless in their resistance. They could not resist beyond certain limit. Sir, the ground given will delight you. Highest Higher rate was accepted because they would supply imported cylinders. There would have been a material saving of 10-12 lakhs of rupees had the lower rate been accepted by the STATFED authorities. Sir, the materials used for the cylinders are of the standard as

approved under the Indian Explosive Act, and India-made cylinders are as good as the imported ones. ( Speaker's warning bell rang ) I shall take just one or two minutes more sir. So the higher tender was accepted and the lower tenders were rcjected on such an imaginary ground, and there was an officers in the STATFED who declined to oblige ; then somebody else was brought to clear the tender. Even if it is calculated it comes to Rs. 10 to 12 lakhs. Sir, this particular officer declined to oblige and that is why somebody else was brought to make the deal. (Bell rang) Sir, just one line only, there is one Urban Co-operative Bank at Silchar and probably officers might have seen the signboards of many All-India Political Parties, Labour Units, Mazdoor Unions, as if it is the office of these organisations. Sir, my report is that on 27-4-88 an amount of Rs. $1\frac{1}{2}$ lakhs were taken away. Let the affairs of these organisations be enquired into, let the corruption be rooted out and save the people of Assam.

শ্ৰীমকবুল হুছেইন ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দলৰ পৰা অনা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন জনাই বক্তব্য ৰাখিব বিচাৰিছো। সমবায় ভিত্তিত যিবিলাক উদ্যোগ প্ৰতিস্থান কৰা হৈছে তাৰ দ্বাৰা জনসাধাৰণ বিশেষ ভাবে উপকৃত হব বুলি আশা কৰিব পাৰি। কিন্তু আমাৰ প্ৰয়োজনীয় সমবায় উদ্যোগ প্ৰতিস্থান পূৰা হোৱা নাই। সেয়ে মই অনুৰোধ কৰিছো যাতে সমবায় ভিত্তিত অধিক পৰিমানৰ উদ্যোগ প্ৰতিস্থান কৰি নিবনুৱা যুৱকসকলৰ নিযুক্তিৰ ব্যৱস্থা কৰে। আমাৰ বৰ্ত্তমান সমবায় বিলাকৰ অৱস্থা বৰ দুখজনক। সমবায়ৰ উদ্দেশ্য আছিল যে ব্যৱসায় জনসাধাৰণৰ হাতলৈ আনি মুনাফা আদি জনসাধাৰণে ভোগ কৰিব। কিন্তু আজি দীৰ্ঘদিনৰ পাচত দেখা গল যে সমবায়ৰ মূল লক্ষ্যৰ পৰা আঁতৰি আহি ব্যক্তিগত ন্যাস্ত স্বাৰ্থ জৰিত কিছুমান লোকক মুনাফা লোৱাৰ সুবিধা কৰি দিয়া হৈছে। এই লোক সকলে লাখ

Speech not corrected.

লাখ টকা অৰ্জন কৰি আছে। আৰু তাৰ বিপৰীতে ৰাইজে বছৰে বছৰে লাখ লাখ টকা লোকচান ভৰি আছে। সেয়ে আজি সমবায় বিলাক এটা শোচনীয় অৱস্থাত উপনীত হৈছে। সমবায় সমিতি বিলাকে তেওঁলোকৰ নামত আবন্টন কৰা মাল বস্তু পইচা ধাৰ কৰি লৈহে আনিব পাৰে। সমবায় সমিতিৰ ভাল আচনি নথকা কাৰণে আজি এনে হৈছে বুলি মই ভাবো। দুষ্কৃতিকাৰী স্বাৰ্থজড়িত লোকে সমবায় বিলাকক শোষণ কৰাৰ সুবিধা পাইছে। সমবায়ৰ ভাল আঁচনি থকা হলে আজি এই বিলাকৰ অৱস্থা বহুতো উন্নত হ'লহেঁতেন। সমবায়ৰ লগত জড়িত কৰ্মচাৰীয়ে যাতে টকা আত্মসাৎ কৰাৰ সুবিধা নাপায় তাৰ ব্যৱস্থা কৰিব লাগে। বছৰে বছৰে হোৱা অডিত বিলাকৰ পৰা দেখা যায় যে সমবায় সমিতিৰ ২০/৩০ হাজাৰ টকা সম্পাদক বিলাকৰ হাতত আছে। এই বিষয়ত বিভাগীয় কৰ্তৃপক্ষক অবগত কৰাত তেওঁলোকে কোনো ব্যৱস্থা লব পৰা নাই। এচিচ্ টেণ্ট বা ৰেজিচষ্টাৰক জনালেও কেদাৰ সচিবে সম্পাদকৰ বিৰুদ্ধে ব্যৱস্থা লব পাৰে বুলি কয়। এই দুষ্কৃতিকাৰী সকলৰ বিৰুদ্ধে যদি তৎক্ষণাত ব্যৱস্থা কৰা নহয় তেন্তে সমবায়ৰ জৰিয়তে উন্নতি সাধন কৰাতো এক অপচেষ্টাহে হব। সম্পাদক জনক যাতে বৰ্খাস্ত কৰিব পাৰি তাৰ ব্যৱস্থা সমবায় বডিটোৰ ওপৰত থাকিব লাগিব। তেতিয়াহে বিভাগীয় কৰ্তৃপক্ষই দোষী পালে তদন্ত কৰি ব্যৱস্থা লব আৰু নিৰ্দোষী হলে পুনৰ নিযুক্তি দিব। আজি দেখা যায় সম্পাদক বিলাকে সমবায় বিলাক শোষণ কৰি আছে। সেয়ে এই ব্যৱসায়ৰ জৰিয়তে যাতে জনসাধাৰণৰ উন্নতি সাধন কৰিব পাৰি আৰু সমবায়ত থকা আসোঁৱাহ বিলাক চালি-জাৰি চাই উন্নত কৰিব পাৰি তাৰ ব্যৱস্থা লবলৈ অনুৰোধ জনালো। তেনেহলেহে সমবায়ৰ মুখ্য উদ্দেশ্যত উপনীত হব পাৰিম। এইখিনিকে কৈ মই বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকুমাৰ দীপক দাস: মাননীয় উপাধ্যক্ষ মহোদয়, সমবায় বিভাগৰ দাবী মঞ্জুৰী সমৰ্থন জনাওঁ আৰু কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি সমবায় বিভাগৰ সম্পৰ্কত দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। ১৯৬৪ চনত প্ৰণয়ন কৰা সমবায় আইনত স্পষ্ট ভাবে উল্লেখ আছে যে আৰবান আৰু ৰুৰেল এৰিয়া দুটা ভাগত ভাগ কৰি সমবায় গঠন কৰা হব। ইয়াৰ জৰিয়তে জনসাধাৰণক এই সমবায় আন্দোলনৰ প্ৰতি ধাৱিত কৰি এটা নতুন যুগৰ সূচনা কৰা হব। কথা হ'ল যে সমবায়ৰ ক্ষেত্ৰত অসমৰ ৰুৰেল এৰিয়াত যিমান

মনোনিবেশ কৰিব লাগিছিল, যিমান পৰিকল্পনা হাতত লব লাগিছিল সেই খিনি নোহোৱাৰ ফলত সমবায় আন্দোলনৰ গতি স্তিমীত পৰিবেশত উপনীত হৈছে। আমাৰ জনসাধাৰণ অনুন্নত আৰু বেছি ভাগেই অশিক্ষিত। গতিকে গাওঁ অঞ্চলত সমবায় পদ্ধতি এটা নতুন ৰূপত ৰূপ দান কৰাৰ কাৰণে চৰকাৰ বিশেষ সতর্ক হলে, নতুন পৰিকল্পনালৈ আগবাঢ়ি যাব আৰু তাৰ কাৰণে আজি যি দাবী মঞ্জুৰীৰ টকা বিচাৰিছে তাৰ জৰিয়তে এই ক্ষেত্রত বিশেষ চকু দি কাম আৰম্ভ কৰিব বুলি মই ভাবো। মই এটা কথা কব বিচাৰিছো যে ভাৰতীয় জাতীয় কংগ্রেছৰ নাগপুৰত বহা জানুৱাৰী ১৯৫৯ চেচনত এটা প্রস্তাৱ লৈছিল যে "Indian National Congress at its Nagpur Session ( January, 1959 ) had adopted co-operative farming as the goal of agrarian policy. For the the next three years only the survice co-operatives would be formed. But when real co-operative farming societies are started after a few years, it may be necessary to create a managerial class to manage these societies and to exert more control by the Government on their activities." আজি গোটেই খিনি স্তিমীত হোৱা প্রধান কাৰণ হ'ল যে গাওঁ অঞ্চলত যিবিলাক সমবায় সমিতি কৰা হৈছে তাৰ গাইদেঞ্চ দিবৰ কাৰণে মেনেজিৰিয়েল প্রচেচ আৰম্ভ কৰা নহ'ল। সমবায় আন্দোলন সম্পর্কত অনভিজ্ঞ লোকৰ নেতৃত্বত সমবায় কৰাৰ কাৰণে গোটেই বস্তুটোৰ এনে পৰিবেশ হৈছে। এই সম্পর্কত প্রপাৰ গাইদেঞ্চ দিবৰ কাৰণে সময়ে সময়ে চকু দিব আৰু বিশেষ বিষয়াক দায়িত্ব দিব। মোৰ বৰপেটা জিলাত হাউলী কোপাৰেটিভ প্রচেচিং ছোচাইটি লিমিটেড ১৯৫৭ চনত পঞ্জীভূত হৈছিল আৰু এই ছোচাইটিয়ে যথেষ্ট পৰিমানৰ বিদেশী মুদ্রা ভাৰতলৈ কঢ়িয়াই আনিছিল। ই সমবায়ৰ গতিশীল ৰূপত আগবাঢ়ি গৈছিল। কিন্তু তাত যিজন এক্‌জুকেটিভ অফিচাৰ নিয়োগ কৰা হ'ল তেওঁ কোনোদিনে অফিচত উপস্থিত নথকাৰ কাৰণে এই ছোচাইটি মৃতপ্রায় অৱস্থালৈ গতি কৰিছে। এই কথা বিলাকৰ প্রতি বিশেষ লক্ষ্য ৰাখিব লাগিব। যিজন অফিচাৰক দায়িত্ব দিয়া হৈছিল তেওঁ সপ্তাহত দুদিন অফিচ কৰিলেহেঁতেন তেন্তে ১৯৭২ চনত যিটো অৱস্থা আছিল সেই বিশেষ সফল ৰূপলৈ আনিব পাৰিলেহেঁতেন। এই ছোচাইটিখনৰ চোৱা-চিতা কৰাৰ কাৰণে দায়িত্বশীল

লোকে দায়িত্ব নোলোৱা কাৰণে, গাফিলটি কৰাৰ কাৰণে মৃতপ্ৰায় অৱস্থালৈ গৈছে। মই আশা কৰো মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত বিশেষ চকু দিব আৰু সমবায় আন্দোলনটো অধিক প্ৰসাৰ ৰূপত আগুৱাই নিয়াৰ কাৰণে দৰ্কাৰ হলে বিধায়ক সকলৰ লগত আলোচনা-বিলোচনা কৰক। সমবায় আচনিত নতুন ৰূপ দিয়াৰ প্ৰচেষ্টাত আমি পৰামৰ্শ দিম। এইখিনি কৈ মই বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীতনু কোঁৱৰ : মাননীয় উপাধ্যক্ষ মহোদয়, আজি সমবায় বিষয়ত দুষাৰ কবলৈ ঠিয় হৈছো। সমবায় ক্ষেত্ৰত দেখিছো ১৯০৪ চনত ভাৰতত আইন পাচ কৰিছে। তাৰ পাচত কি ধৰণে দেশখন আগুৱাই লৈ গৈছে সকলোৰে জানে। আজি বহুতে কৈছে যে সমবায়ত দুৰ্নীতি চলিছে, কোনোবাই কৈছে বাঢ়িছে, কোনোৱাই কৈছে কমিছে। মন্ত্ৰী ৰাজখোৱা যি অঞ্চললৈ গৈছে তাত দেখিছো ভালেই হৈছে। উদাহৰণ স্বৰূপে চৰাইদেউ লাইনৰ এখন সমবায় সমিতি, শিমলুগুৰী নাজিৰাৰ সমবায় সমিতি কেইখন মই ভাল দেখিছো। আমাৰ গাওঁৰ শিক্ষিত ল'ৰা-ছোৱালী বিলাকক এই সম্পৰ্কত বুজাব পাৰিলে বোধহয় অনুষ্ঠান বিলাকৰ উন্নতি হব। উদাহৰণ স্বৰূপে নাজিৰা হায়াৰ চেকেণ্ডাৰীৰ আৰু কলেজৰ সমবায় সমিতিয়ে ১৫ হাজাৰ টকালৈকে ঋণ দিয়ে। আমি বিধায়ক সকলে এই বিলাক কামত আগবাঢ়ি যাব পাৰো। যদি উদ্দেশ্য বেলেগ হৈ যায় তেতিয়া হলে কোনোদিন উন্নতি নহব। মই মন্ত্ৰী মহোদয়ক এটা কথা কব বিচাৰিছো যে কেইজনমান বিধায়ক লগত নি ডেনমাৰ্কত কেনেকৈ সমবায় বিলাক চলিছে চাই আহক। সেই দেশত কৰা ধৰণে কৰিলে সমাজবাদী সমাজ প্ৰতিস্থা কৰাত সহায়ক হব। আজি মধ্যবিত্ত শোষণকাৰী সকলক নাইকীয়া কৰিবৰ কাৰণে এই সমবায় গঠন কৰা হৈছে। মাৰোৱাৰী বিলাকে সস্তাত ধান কিনি বেছি দামত বিক্ৰী কৰে। এই কথা বিলাক জনসাধাৰণক কোনোবাই বুজাই জানো ? সমবায়ৰ চেক্ৰেটাৰী, সভাপতিয়ে অন্ততঃ আঠ অনাকৈ ডিভিজন দিয়ক। তেতিয়া ৰাইজে বুজিব যে আমাৰ সমবায়ৰ লাভ হৈছে। শিমলুগুৰিত সমবায়ৰ জৰিয়তে সস্তা দামত মেখেলা আদি কাপোৰ দিছো। আমি বিধায়ক সকলে তেনেদৰে কাম কৰিব পাৰো। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এখন প্ৰচাৰ পত্ৰিকা উলিয়াই দিয়ক যে কি কৰিলে

* Speech not corrected.

দেশৰ উন্নতি হব। স্কুল-কলেজৰ ল'ৰা-ছোৱালীক বুজাই দিয়ক কি কৰিলে ভাল হব। আমাৰ উদ্যোগ এটা কৰিবলৈ হলে ভূমি, শ্ৰম, মূলধন আৰু সংগঠনৰ আৱশ্যক। প্ৰমোটাৰ কিছুমানে ঘটক হিচাবে কাম কৰি উদ্যোগ এটা প্ৰতিষ্ঠা কৰে। গতিকে তেনে ধৰণৰ এটা সমন্বয়ৰ ব্যৱস্থা কৰিলে আমাৰ উন্নতি হব। এটা কথা লক্ষ্য কৰিছো যে কৰ্ত্তন প্ৰস্তাৱ দিয়াৰ হিচাব নাই। ৫০ কোটীৰ ডিমাণ্ড দিছে আৰু ১০০ টকালৈ হ্ৰাস কৰাৰ কৰ্ত্তন প্ৰস্তাৱ দিছে। এইটো কৰ্ত্তন প্ৰস্তাৱ হ'ল জানো? ১০০ টকাৰে দেশখন চলিব পাৰে নে? ইয়াকে কৈ দাবী মঞ্জুৰীটো সমৰ্থন কৰি কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিলো।

* শ্ৰীকৰ্ণেন্দু ভট্টাচাৰ্য্য: মাননীয় উপাধ্যক্ষ মহোদয়, সমবায় বিভাগের ব্যয় মঞ্জুরীতে আমার দলের উত্থাপিত কর্ত্তন প্রস্তাব সমর্থন করে এই সদনে দু-চারটি কথা বলব। আসামে সমবায় বিভাগে ১৯৪৯ ইংরেজী থেকে সমবায় আইনের বিভিন্ন পরিবর্ত্তন ও পরিবর্ধন হয়েছে। বিশেষ করে আসামের প্রাক্তন মুখ্যমন্ত্রী শ্রীশরত চন্দ্র সিংহের মন্ত্রী সভায় সমবায় আন্দোলনে আলোড়নের সৃষ্টি হয়েছিল। সমবায়কে গণমুখী করে তুলতে মাননীয় প্রাক্তন মুখ্যমন্ত্রী সিংহ মহাশয় পঞ্চায়েত ভিত্তিক গ্রাম্য সমবায় সমিতির পত্তন করেছিলেন। বর্ত্তমানে আমরা দেখি গ্রাম পঞ্চায়েত সমবায় সমিতি গুলো চাউল, চিনি, আটা বিতরণ কাজের মধ্যেই সীমিত। কৃষি, কুটির শিল্প উন্নয়নে গ্রাম পঞ্চায়েত সমবায় সমিতি গুলোর কোন কার্য্যধারা চোখে পড়ে না। এটাই সমবায়ের মূল লক্ষ্য নয়। অর্থনৈতিক স্বাধীনতা অর্জনই সমবায়ের মূল লক্ষ্য।

স্যার, আমাদের রাজ্যে সমবায় আন্দোলন সরকারী পরিচালনাধীন। কিন্তু আমাদের রাজ্য পশ্চিমবংগ ও ত্রিপুরা বাদে অন্যান্য রাজ্যে সমবায় আন্দোলন সমবায় ইউনিয়নই পরিচালনা করে।

স্যার, অঃ গঃ পঃ সরকার পঞ্চায়েত পৌর সভার কোনও নির্বাচন করছেন না। কিন্তু সমবায় বিভাগের মন্ত্রী মহাশয়কে ধন্যবাদ জনাই তার বিভাগের সমবায় সমিতি গুলোর যথারীতি নির্বাচনের জন্য কিন্তু দুঃখের বিষয় ২/৩ বছর ধরে রাজ্য সমবায় সংঘের কোনও নির্বাচন হচ্ছে না, অবিলম্বে নির্বাচনের ব্যবস্থার জন্য মন্ত্রী মহোদয়র দৃষ্টি আকর্ষণ করছি। বৈচিত্রের মধ্যে ঐক্য, সমবায়ে রাজনীতির কোনও স্থান নাই। ইহা অর্থনৈতিক উন্নয়নের

* Speech not corrected.

একমাত্র পথ। আমি সমবায় সমিতিগুলোর কার্য্যকাল ১ বছরের পরিবর্ত্তে তিন বছর করার দাবী জানাচ্ছি। তাছাড়া প্রাইমারী হাউসিং সোসাইটির উন্নতির প্রয়োজন। আমি যখন শিলচর প্রাইমারি হাউসিং সোসাইটির সভাপতি ছিলাম তখন এই সোসাইটি থেকে ঋণ নিয়ে ৪০ টি বাড়ী তৈরীর ব্যবস্থা করেছিলাম। আমি প্রাইমারি হাউসিং সোসাইটির উন্নতি করে বিশেষ করে ছাটাই চা বাগান শ্রমিক ও অনুন্নত শ্রেণীকে কম সুদে ঋণ দিয়ে বাসস্থানের সুব্যবস্থা করার জন্য অনুরোধ জানাছি।

আমি এই বিভাগের কাজ কর্মের উন্নতির জন্য কিছু পরামর্শ দিয়ে আমার বক্তব্য শেষ করবো। স্যার, ষ্টেট ফেড, সরবরাহ বিভাগ আর সমবায় বিভাগে যে সমন্বয়ের অভাব তা দূর করা প্রয়োজন। আগে কৃষি বিভাগের মার্কেটিং সোসাইটি রাজ্যে ধান সংগ্রহ করত। বর্ত্তমানে ইহার কার্য্যকারিতা নাই। খাদ্যের ব্যাপারে রাজ্য কেন্দ্রের উপর নির্ভরশীল। ইহার পরিবর্ত্তন প্রয়োজন এবং রাজ্যে ধান সংগ্রহ অভিযান চালু করা প্রয়োজন। ষ্টেট ফেডর ম্যানেজার লক্ষ লক্ষ টাকার ক্রয়-বিক্রয় করে থাকেন। ইহার পরিবর্ত্তনের প্রয়োজন। ষ্টেটফেড পরিচালনার জন্য পরিচালনা কমিটী গঠনের প্রয়োজনীয়তা আমি মনে করি। কমিটী বিধায়কবৃন্দ না হয় আপনাদের দলের সদস্য নিয়েও করতে পারেন যাতে ষ্টেট ফেডের কাজ সুষ্ঠ ভাবে পরিচালিত হয়। আমি এই বলে কর্তন প্রস্তাবের সমর্থন জানিয়ে আমার বক্তব্য শেষ করছি।

* শ্ৰীদীনবন্ধু চৌধুৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সমবায় বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী বিচাৰিছে তাৰ সমৰ্থন কৰি আৰু বিৰোধী দলৰ মাননীয় সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই কেইটামান পৰামৰ্শ দিব খুজিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, এইটো সকলোৰে জানে যে সমবায় আন্দোলনটো এটা ৰাইজৰ আন্দোলন আৰু ই এটা সুকীয়া আদৰ্শ আৰু দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণেই ইয়াৰ কৃতকাৰ্য্যতা বা অকৃতকাৰ্য্যতা চৰকাৰৰ আন আন বিভাগ বিলাকৰ কাম কাজৰ খতিয়ানৰ মাজেৰে কৰিলে এই সমবায়ৰ উচিত মূল্যায়ন নহব। ইয়াৰ উচিত মূল্যায়ন কৰিবলৈ হলে সমবায়ৰ নীতি, দৰ্শন আৰু আদৰ্শৰ ভিত্তিতহে মূল্যায়ন কৰিব লাগিব। এই সম্পৰ্কে সমবায়

---

* Speech not corrected.

আন্দোলনৰ কেইজনমান নেতৃস্থানীয় ব্যক্তিয়ে এনে ধৰণে মন্তব্য কৰিছে—

If it is judged from profit or gains at the society's level, it is wrong at least in principle. If it is judged viewing the co-operation as merely an economic activity confined to the periphery of economic action one has naturally to be bewildered, since the complete co-operative philosophy includes a vast area of educational, social, moral and cultural values. If one thinks of the movement in statistical terms the number of co-operative societies, the quantum of share capitals, the size of membership, the annual turn over and similar other things, he may feel disappointed, since statistics often tells only half the story.

মাননীয় উপাধ্যক্ষ মহোদয়, সমবায়ৰ লাভ-লোকচানৰ ভিত্তিত সমবায়ৰ মূল্যায়ন কৰিলে নচলিব। এজন আন্তৰ্জাতিক খ্যাতিসম্পন্ন নেতৃৰ মতে, সমবায় আন্দোলনটো হৈছে এটা জাতি বা এখন দেশৰ দাপোন। সেই দাপোনত এটা জাতি আৰু দেশৰ নৈতিক চৰিত্ৰটো ভালদৰে প্ৰতিফলিত হয়। মাননীয় উপাধ্যক্ষ মহোদয়, পৰিকল্পনাৰ আচনি সমূহ বাস্তৱত ৰূপায়ণ কৰোতে সমবায়ৰ ভূমিকাক উচিত স্থান দিয়া হোৱা নাই। আচলতে সমবায় আন্দোলনক পৰিকল্পনাৰ বিভিন্ন আঁচনি সমূহ ৰূপায়ণ কৰোতে যি স্থান দিব লাগিছিল সেই স্থান দিয়া হোৱা নাই। তাৰ ফলশ্ৰুতি হিচাবেই পৰিকল্পনাৰ প্ৰগতিত বাধাপ্ৰাপ্ত হৈছে। পৰিকল্পনা আয়োগৰ দৃষ্টিত, In a regime of planned development, co-operative is an instrument which while retaining some of the advantages of decentralisation and local initiative, will yet serve willingly and readily the overall purpose and directive of the plan. The co-operative from of organisation can no longer be treated as only a species within the private sector. It is an indispensable instrument of planned economic action in a democracy.

গতিকে দেখা যায় যে পৰিকল্পনাৰ বাস্তৱ আৰু সফল ৰূপায়ণৰ ক্ষেত্ৰত সমবায় আন্দোলনে যি মৰ্য্যাদা পাব লাগিছিল সেই মৰ্য্যাদা পোৱা আমি

দেখা নাই। সেই কাৰণেই মই এই ক্ষেত্ৰত কেইটামান পৰামৰ্শ আগবঢ়াইছো। ৰাষ্ট্ৰীয় সমবায় নীতিৰ ভিত্তিত থলুৱা পৰিবেশৰ লগত খাপ খোৱাই আমাৰ আঁচনি বিলাক প্ৰস্তুত কৰিব লাগে। দ্বিতীয়তে গণতান্ত্ৰিক সমাজবাদৰ মিশ্ৰিত অৰ্থনৈতিক পুনৰ গঠনৰ লক্ষ্য আগত ৰাখি মিশ্ৰিত অৰ্থনীতিৰ ভাৰসাম্য ৰক্ষা কৰি সমবায় বিলাক কৰিব লাগে। সমবায় খণ্ডক অধিক শক্তিশালী কৰিব লাগে আৰু ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সমূহৰ জৰিয়তে সমবায় সমূহৰ প্ৰগতিক সুবিধা দিব লাগে। কৃষি বিভাগকে আদি কৰি কিছুমান ক্ষেত্ৰত আমাৰ লোকসকল সমবায় খণ্ডত জড়িত হবলৈ নিবিচাৰে। সেই কাৰণেই কৈছো যে এই বিলাক বিভাগত সমবায়ৰ লগত জড়িত কৰি আঁচনি প্ৰস্তুত কৰিব লাগে। ১৯৭৬ চনত যিখন সমবায় আইন প্ৰণয়ন কৰা হৈছিল সেই আইন খনে ৰাইজৰ গণতান্ত্ৰিক চৰিত্ৰ হনন কৰিছে। প্ৰশাসনত ব্যাঘাত জন্মাইছে। সেই সময়ৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীশৰত চন্দ্ৰ সিংহ ডাঙৰীয়াই এইখন কৰিছিল যদিও সমবায় সমিতি আৰু ৰাইজৰ মাজত ব্যৱধান ৰৈ গৈছে। গতিকে এই আইন খনৰ পুনৰ বিন্যাস কৰাৰ প্ৰয়োজন হৈ পৰিছে।

Co-operation has failed but must succeed for if co-operation fails, there will fail the best hope of rural India. এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীশ্বেখ আব্দুল হামিদ : মাননীয় উপাধ্যক্ষ মহোদয়, সমবায় বিভাগৰ ওপৰত বিভাগীয় মন্ত্ৰীয়ে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা কৰ্তন প্ৰস্তাৱ অনা হৈছে। এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই কেইটামান কথা কবলৈ ওলাইছো। উপাধ্যক্ষ মহোদয়, সমবায় সমিতি সমূহ গঠন কৰা হয় জনসাধাৰণক বিভিন্ন প্ৰকাৰে সহায় কৰিবলৈ। কিন্তু দেখা গৈছে অসমৰ গাওঁ পঞ্চায়ত লেভেলত যিবোৰ সমবায় সমিতি কৰা হৈছে গোটেইবোৰ কাৰ্য্যত ব্যৰ্থ হৈছে। ইয়াৰ মূল কাৰণ হৈছে সমবায়ৰ পৰিচালনাৰ ভুল নীতিৰ কাৰণে। দেখা যায় কোনো এখন সমবায় সমিতিৰ বিৰুদ্ধে কিবা অভিযোগ আনি যদি উপ-পঞ্জীয়কৰ হাতত দিয়া যায় তেওঁ সেইবোৰ পুংখানুপুংখ ৰূপে চালি-জাৰি চায় বিচাৰ নকৰে। বগৰিবাৰী সমবায় সমিতিখনৰ চেক্ৰেটাৰীয়ে ৮০ হেজাৰ টকা আত্মসাৎ কৰাৰ পিচতো, ইয়াৰ বাবে অভি-

---

* Speech not corrected.

যোগ দিয়াৰ পিচতো তেওঁক এনে ধৰণৰ গুৰুতৰ অভিযোগৰ পৰা বিভাগে ৰেহাই দিছে। বৰপেটাত যিজন সমবায় বিভাগৰ উপ-পঞ্জীয়ক আছে তেওঁ তাত ১৯৮০ চনৰ পৰাই আছে। ৰাইজে আপত্তি কৰা স্বত্বেও তেওঁক বিভাগে তাতে ৰাখি আছে। বৰপেটাত সমবায়ৰ যিবোৰ খেলিমেলি হৈছে সেইবোৰ বিশেষকৈ এই বিষয়াজনৰ কাৰণেই হৈছে। পশ্চিম মণ্ডিয়া সমবায় সমিতিৰ যিজন চেক্রেটাৰী আছে তেওঁ ১৯৮০ চনৰ পৰাই তাতে আছে। তেওঁক চাৰি বাৰকৈ বদলি কৰা হৈছে, নিলম্বিত কৰা হৈছে তথাপি তেওঁ তাতেই আছে। বৰপেটাৰ উপ-পঞ্জীয়ক আৰু গুৱাহাটীৰ কেডাৰ মেনেজমেণ্টৰ এজন বিষয়াৰ চত্ৰছায়াত উক্ত চেক্রেটাৰী জন তাত থাকিবলৈ পাইছে। তেওঁ মাহত ৪০০ টকা দৰমহা পায় কিন্তু ইয়াৰেই তেওঁ দুখন ট্ৰাক আৰু এটা কেৰাতলাৰ ঘৰ সাজিবলৈ সমৰ্থ হৈছে। এই চেক্রেটাৰী জনৰ নাম হৈছে শ্ৰীআবু হুছেইন। তেওঁক বিভাগে বদলি কৰে কিন্তু পিচত সেই বদলিকৰণ পুনৰ স্থগিত কৰি তাতেই ৰাখে। সম্প্ৰতি সমবায় মন্ত্ৰীৰ পৰামৰ্শত উক্ত ব্যক্তিজনক পুনৰ বদলি কৰা হৈছে বুলি গম পাইছো। মই মাননীয় সমবায় মন্ত্ৰীক অনুৰোধ কৰিছো যাতে এনে কৰ্মচাৰীৰ ওপৰত ড্ৰাষ্টিক এক্চন লয়।

উপাধ্যক্ষ মহোদয়, এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব খুজিছো সেইটো হৈছে বাঘমৰা গাওঁ পঞ্চায়ত। ২৯-১-৮৮ তাৰিখে নিৰ্বাচন পাতিলে আৰু শ্ৰীচামন আলি সৰকাৰক সভাপতি হিচাবে ঘোষণা কৰিলে। নিৰ্বাচনী বিষয়াই নিৰ্ব্বাচন ঘোষণা কৰাৰ কেইদিনমান পিচত কেইজনমান লোকৰ অভি-যোগৰ কাৰণে উক্ত নিৰ্বাচন নাকচ কৰি তাত এখন এড্হক কমিটি গঠন কৰি দিলে। এইটো ৰাজনৈতিক হস্তক্ষেপৰ কাৰণেই হৈছে বুলি ভাবো। সেয়ে অনতি পলমে এইখন ভংগ কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ৰ হস্তক্ষেপ বিচাৰিছো। এই বিষয়ে সংশ্লিষ্ট সকলোকে লেখিও একো কাম হোৱা নাই। দেখা যায় যে অকল এইখনেই নহয় প্ৰায়বোৰ সমবায়ৰ ক্ষেত্ৰতেই নানা ধৰণৰ খেলিমেলি দেখা যায়। এই ক্ষেত্ৰত মই পৰামৰ্শ আগবঢ়াইছো যে ৰাজ্যিক পৰ্য্যায়ত এখন উপদেষ্টা কমিটি গঠন কৰি দিব লাগে। তেনে কৰিলে খেলিমেলি বাৰ নোহোৱা হব আৰু পঞ্চায়তৰ মূল উদ্দেশ্যও সাধন হব। (সময় সংকেত) সমবায়ৰ যোগেদি বিতৰণৰ কাৰণে যিবোৰ সামগ্ৰী যায় সেইবোৰৰ যাতে 'মেল ডিষ্ট্ৰিবিউচন' নহয় তাৰ প্ৰতি মাননীয় মন্ত্ৰীয়ে দৃষ্টি দিব বুলি আশা কৰিলো আৰু ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীকিৰণ কুমাৰ গগৈ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সমবায় বিভাগৰ ওপৰত বিভাগীয় মন্ত্ৰীয়ে যি দাবী মঞ্জুৰী আনিছে তাক সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্য ৰাখিছো। উপাধ্যক্ষ মহোদয়, সমবায়টো সকলোৰে সহযোগত চলা এটা বিভাগ। ইয়াত মন্ত্ৰী, ৰাইজ, বিধায়ক, বিষয়া সকলোৰে সহযোগ লাগিব। বহু ক্ষেত্ৰত দেখা যায় যে আমাৰ ৰাইজে এইবোৰত সহযোগ নকৰে। চেয়াৰ হল্ডাৰৰ মিটিং পাতিলেও হল্ডাৰ সকল মিটিঙলৈ নাহে। জনসাধাৰণে সমবায়ৰ কথাবোৰ বুজি পাব লাগিব, তেতিয়াহে তেওঁলোক ইয়াৰ প্ৰতি আকৃষ্ট হব। ইয়াৰ কাৰণে মেনেজমেন্টৰ পদ্ধতিটো কিছু সালসলনি কৰাৰ প্ৰয়োজন হৈছে, ইয়াৰ ওপৰত বিভাগে চকু দিব লাগে। লগতে ৰাইজৰ মাজত সমবায়ৰ উদ্দেশ্য সম্পৰ্কে বহুল ভাবে প্ৰচাৰ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে যাতে ৰাইজ ইয়াৰ প্ৰতি আকৰ্ষিত হয়। আমি দেখিবলৈ পাইছো প্ৰায় বিলাক সমবায় সমিতিতে কেদাৰ ৰেংকৰ সম্পাদক নাই আৰু এই কেদাৰ ৰেংকৰ সম্পাদক নোহোৱা কাৰণে দুৰ্নীতি বিলাকে বেছি প্ৰশ্ৰয় পাইছে। গতিকে কেদাৰ ৰেংকৰ সম্পাদক দিয়াৰ কাৰণে মই মন্ত্ৰী মহোদয়ক টানি অনুৰোধ কৰিলো। এই ক্ষেত্ৰত আমি আৰু এটা কথা লক্ষ্য কৰিছো যে এই সমবায় সমিতিৰ সম্পাদক সকলৰ অৰ্হতা নাই। বহুত চতুৰ্থ বা পঞ্চম শ্ৰেণী পৰ্য্যন্ত পঢ়া লোক আছে। গতিকে তেওঁলোকৰ অৰ্হতা নোহোৱা কাৰণে বা প্ৰশিক্ষণৰ ব্যৱস্থা নথকাৰ কাৰণে ব্যৱসায়িক লেনদেন পৰিচালনাত অসুবিধা পায়। গতিকে অতি সোনকালে সমবায় বিলাকত কেদাৰ ৰেংকৰ সম্পাদক নিয়োগ কৰিব বুলি মই মন্ত্ৰী মহোদয়ক পুনৰ অনুৰোধ কৰিলো। সমবায় সমিতি বিলাকত আৰু আমি দেখিছো সভাপতি বিলাক, এই সভাপতি বিলাক গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নিৰ্বাচিত হয়। কিন্তু কেতিয়াবা এনেকুৱা সভাপতিও নিৰ্বাচিত হয় যি একেবাৰে একো নুবুজে বা নাজানে সম্পাদকেহে বুজাবলগীয়া হয়। অৰ্থাৎ অন্ধৰ পিঠিত কুজা উঠি যোৱাৰ নিচিনা কথা। উঠাজনে যেনেকৈ চলাব তেনেকৈহে যাব। অৱশ্যে মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত একো কৰিব নোৱাৰে কিয়নো তেওঁলোক গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত হয়। এই ক্ষেত্ৰত আমাৰ জনসাধাৰণৰ দায়িত্ব আছে, ৰাইজৰ প্ৰতিনিধি সকলৰ দায়িত্ব আছে। আনহাতে আমি আৰু এটা কথা দেখিছো ষ্টেটফেডৰ যোগেদি বহুত বস্তু সুলভ

---

* Speech not corrected.

মূল্যত দিয়া হয়। কিন্তু সেই বিলাক সৰ্বসাধাৰণ ৰাইজে পোৱা নাই। গতিকে প্ৰতিখন গাওঁ পঞ্চায়ত লেভেল সমবায় সমিতিকে এই ষ্টেটফেডৰ এজেন্ট হিচাবে ব্যৱহাৰ কৰিব লাগে। তেতিয়া ষ্টেটফেডৰ যিবিলাক সুলভ মূল্যৰ সামগ্ৰী সেই বিলাক জনসাধাৰণৰ মাজত বিতৰণ কৰিব পৰা হব। তাৰ পিচত আমি দেখিছো সমবায় চেক্টৰত যিবিলাক উদ্যোগ গঢ়ি উঠিছে সেই বিলাক যথেষ্ট লাভজনক হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে কো-অপাৰেটিভ চেক্টৰত কিছুমান মেজৰ উদ্যোগ গঢ়াৰ ব্যৱস্থা লয় তেতিয়া সমবায়ক কিছু আগবঢ়াই নিব পৰা হব। আমি এটা কথা লক্ষ্য কৰিছো কিছুমান সমবায়ে মূলধনৰ অভাৱৰ কাৰণে ব্যৱসায় চলাবলৈ অসুবিধা পাইছে আনকি দুৰ্নীতিও হৈছে। সভাপতি সম্পাদক সকলে বাধ্যত পৰি এজেন্ট সকলৰ পৰা আগধন লবলগীয়া হয় যাৰ ফলত তেওঁলোকক সামগ্ৰী বেছি পৰিমানে দিবলগীয়া হয়। এই ধৰণৰ লেনদেন চলি আছে। এই মূলধন চেয়াৰ কেপিটেল বা ওৱাৰ্কিং কেপিটেল বঢাব লাগে বুলি মই মন্ত্ৰী মহোদয়ক অনুবোধ কৰিলো। স্কুল সমূহত সমবায়ৰ শিক্ষা দিয়াৰ কথা মাননীয় সদস্য সকলে কৈছে। মই নিজে স্কুলৰ শিক্ষক আছিলো। স্কুল বিলাকত সমবায় থকাৰ কাৰণে ছাত্ৰ-ছাত্ৰী বিলাকে ষ্টেটফেডৰ বহী, কিতাপ আদি বয়বস্তু কম দামত পাইছিল। আমি যদি চিয়াহী, কাগজ, বহী আদি বস্তু বিলাক যোগান ধৰিব পাৰো কম দামত তেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ নিশ্চয় উপকাৰ হব। আনহাতে এই বিষয়টো স্কুলত থাকিলে ল'ৰা-ছোৱালী বিলাকে ব্যৱসায় কেনেকৈ চলাব লাগে তাক আগধৰিয়ে শিকিব পাৰিব। গতিকে স্কুল-কলেজ বিলাকত সমবায় শিক্ষাৰ পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰাৰ ব্যৱস্থা কৰিবলৈ মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনালো। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ওপৰিও সমবায় সমিতি বিলাকে ঋণৰ ব্যৱস্থাও কৰিছে আৰু তাৰ সম্প্ৰসাৰণৰ ব্যৱস্থা চলি আছে। কিন্তু গাওঁৰ ৰাইজে সেই বিলাক নাজানেই। গতিকে এই বিলাক যাতে চেয়াৰ হোল্ডাৰ বিলাকে জানে তাৰ কাৰণে আমি প্ৰচাৰ মাধ্যমৰ ব্যৱস্থা কৰিব লাগে।

মই আশা কৰিছো যি উদ্দেশ্যৰে সমবায় সৃষ্টি কৰা হ'ল সেই উদ্দেশ্য যাতে সফল হয় তেনে উন্নয়নমূলক আচনি যাতে আমাৰ গণ পৰিষদ চৰকাৰে লয় তাৰ কাৰণে অনুৰোধ কৰি বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে যি ২৭ কোটি ১২ লাখ ৮১ হাজাৰ টকাৰ দাবী মঞ্জুৰী উত্থাপন কৰিছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ বহু আগেয়ে ভাৰতবৰ্ষত সমবায় আন্দোলন গা কৰি উঠিছিল। কিন্তু স্বাধীন হোৱাৰ পাচত ভাৰতবৰ্ষই প্ৰজাতন্ত্ৰ ৰাষ্ট্ৰ নীতি গ্ৰহণ কৰাৰ পাচত সমবায়ৰ ক্ষেত্ৰত কংগ্ৰেছ শাসনে বেছি সুবিধা দিয়াৰ বিপৰীতে এই সমবায়ক ৰাজনৈতিক ষড়যন্ত্ৰৰে হস্তক্ষেপ কৰি ধ্বংস কৰাৰ চেষ্টা চলাইছে। অধ্যক্ষ মহোদয়, বিখ্যাত লিখক লেনিনে এক্ষাৰ কথা কৈছিল, Lenin says, "The socialist economic organisation is impossible without a net work on co-operative organisation operating on democratic principles on co-operation stimulate voluntary unification and facilitate the association and organisation of millions of people."

আমি দেখিবলৈ পাইছো আমাৰ গণ পৰিষদ চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ পাছত প্ৰকৃতাৰ্থত জনসাধাৰণলৈ সমবায় ব্যৱস্থা আগবঢ়াই নিয়াৰ যি প্ৰচেষ্টা হাতত লৈছে আৰু তাৰ কাৰণে যি পদক্ষেপ মন্ত্ৰী মহোদয়ে লৈছে তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। চৰকাৰক এই কাৰণেই ধন্যবাদ জনাইছো যে এই চৰকাৰেই সমবায় সমূহক পুনৰ গঠন কৰিবৰ কাৰণে ইতিমধ্যে ব্যৱস্থা হাতত লৈছে। ১৯৮৭ চনত এই সমবায় বিভাগে ৬ টা জইন্ট্ ৰেজিষ্টাৰ্ডৰ পদ খুলি তেওঁলোকক জোন বেচিচত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছে। অসম কো-অপাৰেটিভ ছোচাইটি এক্ট মতে তেওঁলোকলৈ পাৱাৰ দেলিগেট কৰাৰ সুবিধা দিয়া হৈছে যাতে তেওঁলোক আৰু বেছি ৰাইজৰ ওচৰলৈ যাব পাৰে। সমবায়ৰ এই উন্নতিৰ চেষ্টা কৰা বাবে মন্ত্ৰী মহোদয় ধন্যবাদৰ পাত্ৰ। স্বাধীনতাৰ পিচত দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত অসমত পোন প্ৰথম বাৰৰ কাৰণে সমবায় ভিত্তিত দেৰগাওঁ চেনিকল স্থাপন কৰা হ'ল। এই চেনিকলে কিন্তু বৰ্ত্তমান চৰকাৰৰ আগলৈ লাভ কৰিব পৰা নাছিল। মই মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো এই চৰকাৰৰ বিশেষ পদক্ষেপৰ কাৰণে দেৰগাওঁ চেনিকলে লাভৰ মুখ দেখিবলৈ পাইছো। আনহাতে যিবিলাক উদ্যোগে এতিয়ালৈকে লোকচানৰ সন্মুখীন হৈছে তেওঁলোকৰ কথাও এই চৰকাৰে চিন্তা কৰিব লাগে। শিলচৰ চেনিকল ইতিমধ্যে বন্ধ হৈ গৈছে।

---

* Speech not corrected.

অধ্যক্ষ ডাঙৰীয়া, সেইদৰে এইবাৰ বাজেটত আমি দেখা পাইছো যে ৰাজেটখন সুপৰিকল্পিত ভাবে এখন সমবায় বাজেট হৈছে আৰু সেই কাৰণে মই আদৰণি জনাইছো। কিয়নো বাজেটৰ প্ৰত্যেক দিশতে বিশ্লেষণ কৰি দেখা গৈছে যে সমবায়ে সকলো বিলাক বিভাগৰ লগতে সমন্বয় আৰু অনুদান আগবঢ়াবলৈ চেষ্টা কৰিছে আৰু বিভাগ সমূহক উদগণি দিয়া হৈছে। ৰাজহ শিতানত প্ৰায় চাৰি কোটি নিৰান্নৈ লাখ আঠাশী হাজাৰ টকা ধৰিছে আৰু প্ৰাক্‌কলন বহিভূ'ত ভাবে প্ৰায় পাঁচ কোটি সাতচল্লিশ লাখ নবৈ হাজাৰ টকা ধৰিছে। তাৰ উপৰি ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ষষ্ঠ অনুচ্ছেদত প্ৰায় একান্নৈ লাখ তেৰ হাজাৰ টকা আৰু ত্ৰিশ লাখ একান্নৈ হাজাৰ টকা ধৰা হৈছে। মূলধন শিতানত আঠ কোটি ছয়ষষ্ঠি লাখ তিৰাশী হাজাৰ ধৰা হৈছে আৰু ষষ্ঠ অনুসূচীত চৈধ্য লাখ পচান্নৈ হাজাৰ টকা ধৰা হৈছে। তাৰ উপৰিও ঋণ শিতানত ছয় কোটি পয়ত্ৰিশ লাখ উন্‌ত্ৰিশ হাজাৰ টকা ধৰিছে। ষষ্ঠ অনুসূচীত পাৰ্ব্বত্য শিতানৰ কাৰণে বাইশ লাখ বত্ৰিশ হাজাৰ ধৰি সৰ্বমুঠ সাতাইশ কোটি বাৰ লাখ আশী হাজাৰ টকা ধৰা হৈছে। ইতি-মধ্যে বাজেটখন বিশ্লেষণ কৰি পাইছো যে ৰাজহ শিতানত চৰকাৰে গুৰুত্ব দিছে আৰু তাৰ কাৰণে চৰকাৰক আমি সকলোৰে ধন্যবাদ জনাইছো। কাৰণ দেখিবলৈ পাইছো যে সামাজিক আৰু অৰ্থনৈতিক সেৱা আগবঢ়োৱাৰ দিশত আৰু পশু পালন, দুগ্ধশালা উন্নয়ন. মীন পাম আদিৰ ক্ষেত্ৰতো ব্যৱস্থা লৈছে আক সেইদৰে টকা ধাৰ্য্য কৰা হৈছে। বাজেটৰ বিভিন্ন শিতানত এই ধৰণে ধন ধাৰ্য্য কৰা দেখি আমি আদৰণি জনাইছো। ঋণ শিতানত দেখা গৈছে যে মূলধন অংশ হিচাবে দিয়াৰ ব্যৱস্থা ৰাখিছে আৰু তাৰ উপৰিও ঋণ ৰেহাইৰো ব্যৱস্থা ৰাখিছে। এই ব্যৱস্থা সঁচাকৈয়ে সুন্দৰ হৈছে। ইয়াৰ উপৰিও হাউচফেডৰ যোগেদিও সমবায় আগবঢ়াই নিবলৈ চেষ্টা চলাইছে। এই সকলো বিলাকৰ কাৰণে আমি মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ভঁড়াল ঘৰ তৈয়াৰ কৰিবলৈ যিটো টকা দিছে সেই ক্ষেত্ৰতো ঋণ ৰেহাই দিয়া হৈছে। কিন্তু ভঁড়াল ঘৰ নিৰ্মাণৰ কাৰণে মূলধন দিয়াৰ সময়ত বহুতো গাওঁ পঞ্চায়ত সমবায় সমিতি দুৰ্নীতিত লিপ্ত হোৱাৰ উদাহৰণ আছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে অধিক নজৰ দিব বুলি আশা ৰাখিছো। আমাৰ কাৰ্বি লাং পি গাৱঁলীয়া বেংকৰ কাৰণে সাত লাখ টকা মূলধন ধৰা হৈছে ৰাইজৰ সুবিধাৰ কাৰণে। কিন্তু এই

ক্ষেত্ৰত ৰাইজে যাতে উপকৃত হব পাৰে তাৰ প্ৰতি নজৰ ৰাখিবলৈ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনালো। কাৰ্বি আৰু উত্তৰ কাচাৰ জিলাৰ জনসাধাৰণৰ কৃষক ৰাইজে সুবিধা যাতে পাব পাৰে তাৰ প্ৰতি মনোযোগ দিবলৈ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনালো। শিৱসাগৰ জিলাৰ কেন্দ্ৰীয় বেংকৰ জৰিয়তে ৰাইজক যি ভাবে সহায় কৰিবলৈ আগবাঢ়ি আহিছে সেইটো ভাল কথা হৈছে। এই ক্ষেত্ৰত ৰাইজে যাতে সেই সুবিধা পাব পাৰে তাৰ প্ৰতি নজৰ দিবলৈ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনালো আৰু যাতে ইয়াৰ ওপৰত অলপ নিয়ন্ত্ৰণ ৰাখে তাৰ প্ৰতিও দৃষ্টি আকৰ্ষণ কৰিলো। প্ৰয়োজন সাপাক্ষে কেন্দ্ৰীয় চৰকাৰৰ লগত বিশেষ ব্যৱস্থা লৈ এই ক্ষেত্ৰত নিৰ্বাচনৰ ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰিবলৈ মন্ত্ৰী মহোদয়ৰ প্ৰতি আহ্বান ৰাখিলো। সমবায় সংঘৰ নিৰ্বাচনৰ ক্ষেত্ৰত বিৰোধী দলৰ মাননীয় সদস্যই কোৱা কথা মই সমৰ্থন কৰিছো। অসম সমবায় সংঘৰ মকৰ্দ্দমা বৰ্ত্তমান হাইকোৰ্টত আছে। ইয়াৰ লগত শ্ৰীঅপূৰ্ব বৰুৱা সংশ্লিষ্ট আছে। এই নিৰ্বাচন হোৱাটো বাঞ্ছনীয়। মই আশা ৰাখিছো অসম সমবায় সংঘৰ নিৰ্বাচন হোৱাৰ প্ৰতি মন্ত্ৰী মহোদয়ে চকু দিব। অধ্যক্ষ মহোদয়, আমাৰ দেৰগাওঁত চেনি কল স্থাপন কৰা হ'ল যদিও আৰম্ভৰে পৰা আজি পৰ্য্যন্ত তাত ৰাজহুৱা সভা হোৱা নাই। দেৰগাওঁ চেনি কলৰ সাধাৰণ সভা পাতি ৰাইজৰ পৰা দিহা-পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিবলৈও এই সুযোগতে মই মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনালো। তাৰ পিচত আমাৰ গোলাঘাটৰ ডাবিডুবি সমবায় খনৰ যিটো শ্বহীদ কুশল কোঁৱৰ সূতা কল স্থাপন কৰিবলৈ লোৱা হৈছে সেইটো যাতে সুচাৰুৰূপে হয় তাৰ প্ৰতি নজৰ ৰাখিবলৈ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ কৰিলো। আমি আজি ইয়াতে শ্বহীদৰ কথা স্মৰণ কৰি থাকো। কুশল কোঁৱৰৰ দৰে স্বাধীনতা যুঁজাৰু শ্বহীদ এগৰাকীৰ নামত সমবায় খণ্ডত গঢ়ি উঠিব খোজা প্ৰকল্পটো যাতে সুচাৰু ৰূপে কৰিব পৰা হয় তাৰ প্ৰতি বিশেষ নজৰ দিবলৈ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ ৰাখিলো। এই বছৰতে এই প্ৰকল্পটোত উৎপাদন আৰম্ভ কৰাৰ কথা আছিল যদিও প্ৰতিষ্ঠানটোৱে এতিয়ালৈকে কাম আৰম্ভ কৰিব পৰা নাই। সেয়েহে এই ক্ষেত্ৰত অধিক মনোযোগ দিয়াৰ কাৰণে অনুৰোধ জনাইছো। তাৰ পিচত অনুৰোধ জনাইছো তাত যিবিলাক বাহ্যিক খৰচ হৈছে সেই বাহ্যিক খৰচ বিলাক যাতে কমাব পাৰি সেই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যেন চোকা নজৰ দিয়ে। তাৰ পিচত আৰু এটা অনুৰোধ জনাইছো

ষ্টেটফেডৰ জৰিয়তে যিটো বিশেষ ব্যৱস্থা বিতৰণৰ ক্ষেত্ৰত লৈছে সেইটো যেন অধিক ফলপ্ৰসু কৰা হয় আৰু গাওঁ পঞ্চায়ত সমবায় সমিতি যি সমূহে লোকচানৰ সন্মুখীন হৈছে সেই বিলাকৰ প্ৰতি চকু ৰাখিব লাগে। কিছু কিছু ক্ষেত্ৰত লোকচান কমাই দিয়াৰ কাৰণে কিছু ৰেহাই দি ঋণ ৰেহাইৰ (চাবচিডি) ব্যৱস্থা কৰিব পাৰি নেকি চিন্তা কৰি চাব পাৰি। এই দিশত ব্যৱস্থা লবলৈ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনালো। ১৯৭৮ চনত জনতা চৰকাৰৰ দিনত কিছুমান সমবায়ৰ যোগেদি কিছুমান ঋণ দিয়াৰ ব্যৱস্থা কৰিছিল। এতিয়া সেই ঋণ সুদসহ বহুত অংকৰ পৰিমান পাইছেগৈ। বানপানী বা আন দুৰ্দশাগ্ৰস্ত ৰাইজৰ মাজত বা তেনেকুৱা এলেকা সমূহৰ প্ৰতি লক্ষ্য ৰাখি সেই ঋণ সুদসহ আদায় কৰাৰ পৰিবৰ্ত্তে ৰাইজক সুদৰ পৰা ৰেহাই দি কেৱল মূলধনৰ ওপৰত ঋণখিনি আদায় কৰাব ব্যৱস্থা কৰিবলৈও মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনালো। ইয়াৰ দ্বাৰা সেই ৰাইজক সকাহ দিয়া হব বুলি ভাবিয়েই এইটো কৰা উচিত হব। এই দিশত মন্ত্ৰী মহোদয়ৰ লগত যোগাযোগ আদিও কৰা হৈছে আৰু ৰাইজৰ পৰা অহা প্ৰস্তাৱ আদিও মন্ত্ৰী মহোদয়ক দিয়া হৈছে। আশা ৰাখিছো সমবায় মন্ত্ৰী মহোদয়ে ইয়াৰ ওপৰত ব্যৱস্থা লব। অধ্যক্ষ মহোদয়, সদৌ শেষত সমবায় আন্দোলনৰ ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ লোৱাৰ কাৰণে আদৰণি জনাইছো আৰু আমাৰ সমবায় মন্ত্ৰী মহোদয়ৰ নেতৃত্বত সমবায় আন্দোলনে বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা ৰাখিছো। আৰু আমি আশা ৰাখিছো দেশৰ ভিতৰতে পঞ্জাব, হাৰিয়ানাৰ দৰে এই সবল নেতৃত্বই অসমতো এক অভিলেখ স্থাপন কৰিবলৈ সক্ষম হব। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ : এতিয়া এই মঞ্জুৰীৰ ওপৰত সমবায় বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

* শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত সমবায়ৰ ওপৰত যিটো দাবী মঞ্জুৰী উত্থাপন কৰা হৈছে আৰু তাৰ ওপৰত কেবাজনো বিৰোধী পক্ষৰ মাননীয় সদস্যই কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছে আৰু বহু কেইজন মাননীয় সদস্যই এই বিতৰ্কত অংশ গ্ৰহণ কৰি বিভিন্ন পৰামৰ্শ আৰু অভিযোগ দাঙি ধৰি এই সমবায় আন্দোলনটোৰ সম্পৰ্কত

---

* Speech not corrected.

বক্তব্য ৰাখিছে। এই ক্ষেত্ৰত যিখিনি টকা বিচৰা হৈছে এই টকা খিনি প্ৰয়োজন অনুসাৰে নিশ্চয় প্ৰত্যেকেই উপলব্ধি কৰিছে আৰু মই নিজেও এই বিভাগৰ মন্ত্ৰী হিচাৱে এই কথাটো প্ৰথমতে কব লাগিব যে এই বিভাগটো ৰাইজৰ লগত জড়িত আৰু ইয়াৰ এখন বাই-ল আছে। এই সমবায় আন্দোলনটো পৰিচালিত হয় এই বাই-ল খনৰ যোগেদি। ইয়াত প্ৰত্যেকৰে এটা লিমিট আছে, মন্ত্ৰীৰো লিমিট আছে। গতিকে ই কোনো কোনো ৰাইজৰ মাজত আৰু অংশীদাৰ সকলৰ মাজত ন্যস্ত হৈ থাকে। তথাপিতো যিখিনিৰ ক্ষেত্ৰত সচেতন হোৱাতো প্ৰয়োজন সেই খিনিৰ ক্ষেত্ৰত সচেতনতা অৱলম্বন কৰা হৈছে আৰু ভবিষ্যতেও কৰা হব। এই ক্ষেত্ৰত যিখিনি হস্তক্ষেপ কৰাতো প্ৰয়োজন সেইটো কৰা হৈছে আৰু ভবিষ্যতেও কৰা হব। সমবায় বিভাগটো যাতে পলিটিকেলাইজদ কৰা নহয় তাৰ বাবে মই অধিক সচেতন। মই এই কথাটো এই কাৰণে কৈছো যে ইয়াৰ আগতে এনেকুৱা ব্যৱস্থা বিলাক যিবিলাক আগতে চলি আছিল সেইবিলাক নাইকীয়া কৰিবৰ কাৰণে আমাৰ তৰফৰ পৰা ব্যৱস্থা কৰা হৈছে। সেয়েহে যদিও ইয়াত আসোঁৱাহ আছে আমি ইয়াক ভাল কৰি লব লাগিব আৰু ৰাইজেও ভাল কৰি লব লাগিব। যিহেতু আমাৰ এই অনুষ্ঠানটো ৰাইজৰ অনুষ্ঠান আৰু যিহেতু মন্ত্ৰীয়ে ইয়াত প্ৰত্যক্ষ ভাবে কোনো কাম কৰি দিব নোৱাৰে। কিন্তু যিখিনি হস্তক্ষেপ কৰাটো প্ৰয়োজন সেইখিনি কৰা হৈছে। ইয়াৰ আগতে ১৯৮৬ চনত মই এটা কথা কৈছিলো, সেই কথাটো অকল কোৱাই নহয় এক্সিডিটো কৰা হৈছে। সমবায় আন্দোলনটো ৰাইজৰ আন্দোলন। গতিকে সময় মতে নিৰ্বাচন পাতিবলৈ আৰু অডিট ৰিপোৰ্ট দাখিল কৰিবলৈ কোৱা হৈছে। যাতে ৰাইজে জানে অমুক কো-অপাৰেটিভখনত ইমান টকা লোকচান হৈছে বা লাভ হৈছে। যিয়ে অডিট ৰিপোৰ্ট দাখিল নকৰিব তেওঁলোকৰ ওপৰত শাস্তিমূলক ব্যৱস্থা নিশ্চয় লব লাগিব। এই সমবায় আন্দোলনটো আমি শক্তিশালী কৰি তুলিব লাগিব। ১৯৮৬ চনত সমবায় আন্দোলনৰ সাধাৰণ নিৰ্বাচন আমি জনোৱা মতে হৈ হৈছে। আপোনালোকে জানে যে আমাৰ ৰাজ্যখনত যোৱা ৫ টা বানপানীয়ে বহুখিনি অসুবিধাৰ সৃষ্টি কৰিলে। গতিকে এনেকুৱা কাৰণত বহুতো আসোঁৱাহ আৰু বাধা থাকি যাব পাৰে তথাপিতো আমি সাধাৰণ নিৰ্বাচন পতাৰ কাৰণে আৰু অডিট ৰিপোৰ্ট নিয়মীয়াকৈ দাখিল কৰাৰ কাৰণে সদায় প্ৰেচাৰ দি আহিছো। যাতে ৰাইজে এই অডিট ৰিপোৰ্টৰ দ্বাৰা সমবায় সমিতি বিলাকৰ

কিমান লাভ-লোকচান হোৱা কথাটো জানিব পাৰে। আমাৰ মাননীয় সদস্য সকলে দুৰ্নীতিৰ কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত মই কব বিচাৰিছো যে নিৰ্দিষ্ট যদি অভিযোগ থাকে আৰু সেই অভিযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় তেতিয়াহলে তাৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হব। যিখিনি দুৰ্নীতিৰ কথা ইয়াত কোৱা হৈছে সেই দুৰ্নীতি বিলাক আগৰে পৰা চলি আছে আৰু সেইবিলাক নিৰ্মূল কৰিবৰ কাৰণে যথেষ্ট সময়ৰ প্ৰয়োজন হব। আমাৰ দিনত আমি যিবিলাক অফিচাৰক দুৰ্নীতি কৰা দেখিবলৈ পাইছো বা আঙুলিয়াই দিছে তেওঁলোকৰ ওপৰতে ব্যৱস্থা লোৱা হৈছে। এই ক্ষেত্ৰত আমি হস্তক্ষেপ নকৰো। আৰু যিসকলে বেয়া কাম কৰিছে নিশ্চয় সেই সকলৰ ওপৰত আমি শাস্তিমূলক ব্যৱস্থা লবই লাগিব। সমবায় আন্দোলনটো শক্তিশালী কৰি তুলিব লাগিব। এই আন্দোলনটোৰ কাম, কাজ ইত্যাদি ৰাইজৰ ওপৰত নিৰ্ভৰ কৰে। এখন সমবায় নিৰ্ব্বাচিত হয় গাওঁ পঞ্চায়ত লেভেলত আৰু তাৰ কাৰণে ৰাইজৰ আগ্ৰহ লাগিব, অংশীদাৰ সকলৰ আগ্ৰহ থাকিব লাগিব আৰু পৰিচালনাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিব লাগিব। মই নিজেই কেতিয়াবা সমবায় সমিতি বিলাকৰ ওচৰেদি গলে তাত সোমাই বুজ লওঁ কিমান লাভ-লোকচান হৈছে আৰু কোন কোন লোক সেই সমবায় সমিতিৰ লগত জড়িত আছে। গতিকে মোৰ যেনে ধৰণে দায়িত্ব আছে ঠিক তেনেকৈ আপোনালোকৰো দায়িত্ব আছে। আপোনালোকেও এই সমবায় সমিতি বিলাকৰ বুজ লব পাৰে। এই সমবায় বিভাগটোৰ উন্নতিৰ কাৰণে আমি সকলোৱে গুৰুত্ব আৰোপ কৰিব লাগে। এই সমবায় সমিতি বিলাকৰ কিমান টকা লাভ হৈছে আৰু সমবায় সমিতি বিলাকৰ কাম-কাজ থিক মতে চলিছে নে নাই সেই সকলো বিলাক আপোনালোকে চাব লাগিব। তেনে ধৰণে চালেহে মই ভাবো সমবায় আন্দোলন বা সমবায় যিটো বিভাগ, এই বিভাগৰ কাম কাজখিনি সুচাৰু ৰূপে পৰিচালনা কৰাত সহায় হব আৰু তাৰ দ্বাৰা ৰাইজৰ উপকাৰ সাধন হব। ৰাইজৰ কল্যাণৰ অৰ্থে এই সমবায় আন্দোলনটো অধিক সক্ৰীয় আৰু সম্প্ৰসাৰণ কৰাৰ কাৰণে যোৱা দুটা বছৰত গুৰুত্ব সহকাৰে কেনেদৰে বিবেচনা ও পৰিচালনা কৰা হৈছে বিশেষকৈ কৃষি ঋণ আগবঢ়োৱাৰ ক্ষেত্ৰত তাৰ এটা থুল মূল ব্যাখ্যা দিবলৈ গৈ মই দাঙি ধৰিব বিচাৰিছো ঃ

(বিবৃতি পঢ়ি দিয়ে)

এইটো স্বীকাৰ কৰিবই লাগিব যে ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত সমবায় আন্দোলনৰ ক্ষেত্ৰত অসমে এতিয়া সৰ্বাধিক অগ্ৰগতি লাভ কৰিছে। এই

অগ্ৰগতিৰ এটি সম্যক পৰিচয় পোৱা যাব যদিহে আমি তলত উল্লেখ কৰা পৰিসংখ্যাটোত এবাৰ চকু ফুৰাই চাওঁ। যেনে : ১৯৪৬-৪৭ চনত অৰ্থাৎ ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত অবিভক্ত অসমত মুঠ সমবায় সমিতিৰ সংখ্যা আছিল ১৯৪০ খন। কিন্তু এতিয়া বৰ্ত্তমান অসমত সেই সংখ্যা বাঢ়ি গৈ প্ৰায় ৯ হাজাৰৰো অধিক হৈছে গৈ। সেইদৰে উক্ত চনত সমিতি সমূহৰ সদস্য আছিল ১ লাখ ৩৬ হাজাৰ জন। কিন্তু আজি সেই সংখ্যা হৈছে গৈ প্ৰায় ৩০ লাখৰো অধিক। সেইদৰে ইয়াৰ অন্যান্য শিতানত লাভ কৰা অগ্ৰগতিৰ খতিয়ান হ'ল এনে ধৰণৰ :

**অংশপ্ৰাপ্ত মূলধন :** ১৯৪৬-৪৭ চনত ৩৫ লাখ টকা, বৰ্ত্তমান প্ৰায় ৩৫ কোটি টকা।

**পৰিচালনা মূলধন :** ১৯৪৬-৪৭ চনত ১ কোটি ৩ লাখ, বৰ্ত্তমান প্ৰায় ৩.০০ কোটি টকা।

অসমৰ সমবায় আন্দোলনৰ এই অগ্ৰগতিৰ পৰ্য্যালোচনা কৰি চালে দেখা যায় যে অসমৰ জনসাধাৰণৰ অৰ্থনৈতিক প্ৰগতিৰ প্ৰায় প্ৰতিটো দিশকেই আজি ই সামৰি লৈছে আৰু জনসাধাৰণৰ স্বতঃস্ফূৰ্ত্ত সঁহাৰিৰে আজি ই জনজীৱনৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে আৰু ইয়াৰ ফলশ্ৰুতি হিচাবে অসমৰ সমবায় বিভাগে সমবায়ী ৰাইজৰ আগ্ৰহ, সমৰ্থন আৰু সক্ৰীয় সহযোগত এতিয়ালৈকে প্ৰধানকৈ নিম্নোক্ত কাৰ্য্যসূচী সমূহ সম্পাদন কৰিছে :

৫৬ টা শাখাৰে সৈতে অসম সমবায় শীৰ্ষ বেংক ( Assam Co-operative Apex Bank Ltd. ), ২১ টা প্ৰাথমিক মাটি বন্ধকী বেংকৰ সৈতে অসম সমবায় কেন্দ্ৰীয় মাটি বন্ধকী বেংক লিঃ, ৮ টা নগৰীয়া বেংক, ৭০১ খন গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ বহুমুখী সমবায় সমিতি আৰু পাৰ্বত্য জিলা দুখনত ৩৮ খন বৃহত্তৰ বহুমুখী সমবায় সমিতি ( LAMPS ), ৩০৩ খন প্ৰাথমিক গ্ৰাহক সমবায় সমিতিৰ সৈতে ৩১ খন পাইকাৰী গ্ৰাহক সমবায় সমিতি, গ্ৰাহক আৰু বেচা-কিনা ক্ষেত্ৰত শীৰ্ষস্থানত অসম ৰাজ্যিক সমবায় মাৰ্কেটিং আৰু কন্‌জুমাৰ্চ ফেডাৰেচন লিঃ, ৫০৮ খন সমবায় কৃষিপাম, ৭৩ খন গৃহ নিৰ্মাণ সমবায় সমিতি সহ শীৰ্ষস্থানত অসম সমবায় গৃহ নিৰ্মাণ ফেডাৰেচন লিঃ, ১৬৯৯ খন স্কুল-কলেজ ঋণ দান আৰু সঞ্চয় সমবায় সমিতি, ২৯৯ খন প্ৰাথমিক দুগ্ধ উৎপাদক সমবায় সমিতিৰ সৈতে আঞ্চলিক ভিত্তিত ৩ খন সমবায় দুগ্ধ উৎপাদন সংঘ, ৫২ খন প্ৰক্ৰিয়কৰণ ( Processing ) সমবায় সমিতি, ( এই সমিতি

সমূহৰ ভিতৰত ২ টা সমবায় চেনিকল, ১ টা সমবায় মৰাপাট কল, ৩১ টা ধান কল, ১০ টা তেল কল, ২টা ফলমূল প্ৰক্ৰিয়কৰণ গোট, ১ টা বনস্পতি কাৰখানা আৰু ৪ টা সমবায় সূতাকল ), ১ টা ৰাজ্যিক সমবায় সংঘ আৰু ২৬ টা মহকুমা সমবায় সংঘ। এই সমিতি সমূহৰ উপৰিও ৰাজ্যখনত বিভিন্ন বিধৰ অন্যান্য ৩৬২০ খন সমবায় সমিতিয়ে কাম-কাজ চলাই আছে।

অসম সমবায় মাৰ্কেটিং আৰু কন্‌জুমাৰ্চ ফেডাৰেচন লিমিটেডে তৃপ্তি বনস্পতি উৎপাদন কৰাৰ উপৰিও অত্যাৱশ্যকীয় সামগ্ৰী সুলভ মূল্যত যোগান ধৰি ভোক্তা সকলক যথেষ্ট সকাহ দি মূল্যমান স্থিৰে ৰখাত সহায় কৰিছে। উক্ত সমিতিয়ে প্ৰত্যেক মহকুমাত শাখা আৰু উপশাখাৰ উপৰিও ভ্ৰাম্যমান বিক্ৰী কেন্দ্ৰৰ জৰিয়তে নিত্য প্ৰয়োজনীয় দ্ৰব্য সমূহ সুলভ মূল্যত যোগান ধৰি আছে। উক্ত সমিতিৰ সেৱা চহৰ, নগৰত সীমাবদ্ধ।

যোৱা ১৯৮৬৮৭ সমবায় বছৰটোত ষ্টেটফেডে মুঠতে ১০৩ কোটি ৭১ লাখ টকাৰ সামগ্ৰী ভোক্তা ৰাইজলৈ সৰবৰাহ কৰি সমবায়ৰ যোগেৰে নিৰ্দিষ্ট মূল্যমানত নিত্য ব্যৱহাৰ্য্য সামগ্ৰী সৰহবৰাহৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পদ-ক্ষেপ গ্ৰহণ কৰিছে। ষ্টেটফেডৰ এই ভূমিকা বিশেষ ভাবে উল্লেখযোগ্য এই কাৰণেই যে যোৱা বছৰত ৰাজ্যখনত নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ অভাৱ আৰু উচ্চ মূল্যৰ প্ৰকোপৰ বাবে যি দুৰ্য্যোগৰ সন্মুখীন হৈছিল, সেই দুৰ্য্যোগৰ মুখামুখী হৈ ষ্টেটফেডে ৰাজ্যৰ বাহিৰৰ পৰা দক্ষতাৰে আৰু কম সময়ৰ ভিতৰতে এই বস্তু আনি ৰাইজক দুৰ্য্যোগৰ মূলৰ পৰা ৰক্ষা কৰাৰ লগতে ৰাজ্যখনত সহায় কৰিছিল তাক আমি স্বীকাৰ কৰিবই লাগিব।

আনহাতে গ্ৰাম্য অঞ্চলত গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ বহুমুখী সমবায় সমিতি সমূহে ভৈয়াম অঞ্চলত সৰ্বসাধাৰণ ৰাইজ আৰু পাৰ্বত্য এলেকাত বৃহত্তৰ বহুমুখী সমবায় সমিতি সমূহে নিত্য ব্যৱহাৰ্য্য সামগ্ৰী সমূহ সুলভ মূল্যত যোগান ধৰাৰ উপৰিও কৃষি ঋণ, সাৰ, বিধান, কীট নাশক দৰৱ ইত্যাদি সফলতাৰে বিতৰণ কৰি আছে।

গাওঁ পঞ্চায়ত আৰু লেপ্‌ছ সমবায় সমিতি সমূহে বৰ্ত্তমান অসমত এটা বিশেষ ভূমিকা পালন কৰিছে আৰু সেইটো হৈছে অসমৰ গাওঁ অঞ্চলত সুলভ মূল্যত নিয়ন্ত্ৰিত মূল্যৰ ভোগ্য সামগ্ৰী সৰবৰাহ। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ এই প্ৰচেষ্টা হাতত লোৱাৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰত অসমেই হ'ল বাটকটীয়া আৰু ১৯৭৫ চনৰ পৰা এই প্ৰচেষ্টাৰে এই সমবায় সমিতি সমূহে

দায়িত্ব সহকাৰে সাফল্যমণ্ডিত কৰি আহিছে আৰু যাৰ ফলত আজি এইখিনি সমবায় অনুষ্ঠান অসমৰ ৰাজহুৱা জীৱনৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে।

এই ক্ষেত্ৰত যোৱা সমবায় বছৰটোত এই সমবায় সমিতি সমূহে মুঠতে ৬৪ কোটি ৬৪ লাখ টকাৰ সামগ্ৰী ৰাজ্যখনৰ ৰাইজলৈ সৰবৰাহ কৰিছে আৰু বৰ্ত্তমান বছৰটোত এই সংখ্যা অতিক্ৰম কৰিব বুলি অনুমান কৰা হৈছে।

কৃষক ৰাইজৰ কৃষি ঋণৰ চাহিদা অনুযায়ী কৃষি উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে ভৈয়াম এলেকাত গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতিৰ জৰিয়তে কৃষি ঋণ যোগানত গুৰুত্ব আৰোপ কৰা হৈছে। এই ক্ষেত্ৰত যোৱা দুটা বছৰত লাভ কৰা সমিতিৰ অগ্ৰগতিৰ খতিয়ন দিয়া হ'ল :

| | ১৯৮৫-৮৬ | ১৯৮৬-৮৭ |
|---|---|---|
| (ক) অল্পম্যাদী | ২৯১·১১ লাখ | ৪২৬·১৬ লাখ |
| (খ) মধ্যম্যাদী | ১১২·০১ ” | ১১১·৪৬ ” |
| (গ) দীৰ্ঘম্যাদী | ৪৫·৬৬ ” | ৩৭·০০ ” |

খিলাপী ঋণৰ পৰিমান যথেষ্ট বৃদ্ধি পোৱাত উক্ত ঋণ আদায়ৰ কাৰণে সমবায় বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ধৰুৱা সকলক বুজাই-বঢ়াই নাইবা কঠোৰ ব্যৱস্থা প্ৰয়োগ কৰি ঋণ আদায়ৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে যাতে সমিতি সমূহে পুনৰ ঋণৰ লাভৰ যোগ্যতা অৰ্জন কৰিব পাৰে আৰু ইচ্ছুক কৃষকক পৰ্য্যাপ্ত পৰিমান ঋণ যোগান ধৰিব পাৰে। ইয়াৰ ফলস্বৰূপে খিলাপী ঋণ আদায়ৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে। ১৯৮৪-৮৫ চনত ১৩৬·০৪ লক্ষ টকাৰ বিপৰীতে ১৯৮৫-৮৬ চনত ১৮২·৭৪ লক্ষ টকা খিলাপী ঋণ আদায় কৰা হৈছে। যোৱা বছৰতে হোৱা অভূতপূৰ্ব বানপানী আৰু খৰাং বতৰৰ বাবে খিলাপী ঋণ আদায় খুব সন্তোষজনক নহয়।

বানপানী আৰু খৰাং বতৰত হোৱা শস্য হানি পূৰণ কৰিবলৈ ভাৰত চৰকাৰৰ আঁচনি অনুযায়ী কৃষক ৰাইজক সকাহ দিয়াৰ উদ্দেশ্যে শস্যবীমা আঁচনি ১৯৮৪ চনৰ খৰিদ বতৰৰ পৰা অসমত প্ৰৱৰ্ত্তন কৰা হয়।

ইয়াৰোপৰি অসম চৰকাৰে খৰাং আৰু বান পীড়িত ৰাইজলৈ আগবঢ়োৱা হ্ৰস্বম্যাদী কৃষি ঋণ যাতে মধ্যম্যাদী কৃষি ঋণলৈ পৰিবৰ্ত্তন কৰিব পৰা যায় অথবা পৰিস্থিতি অনুযায়ী সেই ঋণ বাদ দিব পৰা যায় সেই সম্পৰ্কে ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে ৰাজ্যখনৰ প্ৰতিখন জিলাতে উপায়ুক্তক সভাপতি হিচাবে

লৈ একোখন কমিটী প্ৰথম বাৰৰ বাবে বৰ্ত্তমান বছৰত গঠন কৰা হৈছে। এই উদ্দেশ্য আগত ৰাখি Agricultural Credit Stabilisation Fund আৰু Agricultural Credit Relief and guarantee Funds নামৰ দুটা Fund খোলা হৈছে আৰু এই দুটা Fund ত বৰ্ত্তমান বছৰত যথাক্ৰমে ১০ লাখ আৰু ৫ লাখ পৰিকল্পনা শিতানত ধাৰ্য্য কৰা হৈছে।

সমবায় সমূহক পুনৰ সঞ্জীৱিত কৰাৰ বাবে বৰ্ত্তমান চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সমূহৰ ভিতৰত প্ৰথম পদক্ষেপ হিচাৱে অসম চুক্তিৰ ভিত্তিত শিলঘাটৰ অসম সমবায় মৰাপাট কলটো যোৱা ১-১-৮৬ তাৰিখৰ পৰা পুনৰ চলোৱা হৈছে। বৰ্ত্তমান এই মৰাপাট কলত সাতশৰো অধিক কৰ্মচাৰী নিয়োজিত হৈ আছে আৰু ই প্ৰতিদিনে ১০ মেট্ৰিক টন সামগ্ৰী উৎপাদন কৰি আছে।

ৰাজ্যখনত বৰ্ত্তমান ৩ টা সমবায় সূতা কল প্ৰকল্প কাৰ্য্যকৰী কৰাৰ বাবে ক্ষিপ্ৰ গতিত কাম চলি আছে। ইয়াৰ ভিতৰত ৰঙিয়া ( তুলসীবাৰী ) ত প্ৰতিষ্ঠিত হব ধৰা সূতা কলটো অহা জুন-জুলাই মাহত উৎপাদনক্ষম হৈ উঠিব বুলি ভবা হৈছে। বাকী বৈতামাৰী আৰু গোলাঘাটত প্ৰতিষ্ঠিত হব ধৰা সূতা কল দুটা ১৯৮৮-৮৯ বছৰটোৰ শেষ ভাগত উৎপাদনক্ষম হৈ উঠিব বুলি আশা কৰা হৈছে।

অসমৰ সমবায় খণ্ডত বৰ্ত্তমান ২ টা চেনিকল উৎপাদনৰ ক্ষেত্ৰত কাম-কাজ চলাই আছে। যোৱা বছৰটোত এই চেনিকল দুটাই মুঠ ৬·৬৯ লাখ কুইন্টল কুহিয়াৰ পেৰি মুঠ প্ৰায় ৫০ হাজাৰ কুইন্টল চেনি উৎপাদন কৰে। এই চেনিকল দুটাৰ এটা হ'ল গোলাঘাটত আৰু আনটো নগাওঁৰ কামপুৰত।

সমবায় খণ্ডত দুটা ফলমূল প্ৰক্ৰিয়াকৰণ সমবায়ৰ উপৰিও ৩১ টা ধান কল, ১১ টা তেল কল সমবায় সমিতি আছে। এই গোট সমূহলৈ চৰকাৰে বিত্তীয় সাহায্য আগবঢ়াইছে আৰু পৰিচালনামূলক আৰু আন্তঃ সাংগঠনিক অসুবিধা দূৰিকৰণৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰিও ষ্টেটফেডৰ অধীনত এটা ভোগ্য তেল শোধনাগাৰ আৰু এটা অক্সি:জন উৎপাদন প্ৰকল্পৰ কাম প্ৰায় সমাধা হৈ আহিছে।

অসমৰ চহৰ অঞ্চলত সমবায়ৰ যোগেৰে নিত্য ব্যৱহাৰ্য্য সামগ্ৰী আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অন্তৰ্গত সুলভ মূল্যৰ নিয়ন্ত্ৰিত সামগ্ৰী সৰবৰাহৰ ক্ষেত্ৰত মুঠ ৩১ খন পাইকাৰী গ্ৰাহক সমবায় সমিতিয়ে তেওঁলোকৰ তলত থকা মুঠ ৩০৩ খন গ্ৰাহক সমবায় সমিতিৰ যোগেৰে কাম কাজ চলাই আছে।

এই সমবায় সমিতি সমূহে এই ক্ষেত্রত ১৯৮৬-৮৭ বছৰত মুঠ প্ৰায় ৬৫ কোটি টকাৰ সামগ্ৰী সৰবৰাহ কৰিছে।

সমবায় উৎপাদন আৰু উৎপাদকতাৰ লগত কৃষি সাৰৰ ব্যৱহাৰৰ ওতঃপ্ৰোতঃ ভাবে জড়িত। আধুনিক কৃষি কৌশলত সাৰৰ ব্যৱহাৰ অপৰিহাৰ্য্য। সেই কাৰণে সাৰ আৰু অন্যান্য কৃষি আহিলাপাতি বিতৰণৰ বাবে গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমিতি সমূহৰ সম্পদ আৰু ভেটি সুদৃঢ় কৰাৰ বাবে ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগম, ষ্টেটফেড আৰু ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগম, ইয়াকো এই দুখন আঁচনিৰ জৰিয়তে দুই লাখ খন গাওঁ পঞ্চায়ত সমবায় সমিতিক অন্তৰ্ভুক্ত কৰা হৈছে।

চৰকাৰে সমবায় সমিতি সমূহৰ গণতান্ত্ৰিক পৰিচালনা আৰু গণতান্ত্ৰিক চৰিত্ৰ অক্ষুন্ন ৰখাৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। এই নীতিৰ লগত সংগতি ৰাখি সমবায় সমিতি সমূহৰ বছৰেকীয়া সাধাৰণ সভা আৰু নিৰ্বাচন সম্পন্ন কৰাৰ বাবে সকলো সম্ভাৱনাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অভূতপূৰ্ব বানপানী আৰু খৰাং বতৰৰ দ্বাৰা পীড়িত হোৱাৰ পিছতো চলিত বছৰত বিগত বছৰতকৈ অধিকতৰ সংখ্যক সমিতিৰ নিৰ্বাচন সহ বছৰেকীয়া সাধাৰণ সভা অনুষ্ঠিত হোৱাটো উল্লেখযোগ্য।

সমবায় সমূহৰ সমতলীয় সম্বন্ধ স্থাপন আৰু স্থানীয় সংযুক্তিকৰণৰ আঁচনিৰ জৰিয়তে চৰকাৰে একীভূত সমবায় বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে যাতে প্ৰতিস্থানিক সাংগঠনিক আৰু দৃষ্টিভঙ্গীৰ পৰিবৰ্ত্তনৰ কাৰণে সমবায় গাঠনিটোক সুস্থ আৰু সবল কৰি তুলিব পৰা হয়। সেয়ে ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমে হাতত লোৱা একীভূত সমবায় বিকাশৰ আঁচনিখন কাৰ্য্যকৰী কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰথম পৰ্য্যায়ত নগাওঁ জিলাতে এই আঁচনি কাৰ্য্যকৰী কৰা হব। উক্ত আঁচনিৰ বাবে প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ ৰাষ্ট্ৰীয় উৎপাদকতা পৰিষদক দায়িত্ব দিয়া হৈছে।

সমবায়ৰ যোগেৰে গাওঁ অঞ্চলত অত্যাৱশ্যকীয় সামগ্ৰী "সংগ্ৰহ-মজুত বিতৰণ" আঁচনিৰ অংশ স্বৰূপে ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগম আৰু অসম চৰকাৰৰ সাহাৰ্য্যত অসমৰ সকলোবোৰ গাওঁ পঞ্চায়ত সমবায় সমিতিকে নিজস্ব গুদাম নিৰ্মাণৰ বাবে আৰ্থিক সাহাৰ্য্য আগবঢোৱাৰ ব্যৱস্থা হাতত লোৱা হৈছে আৰু ইতিমধ্যে এই আঁচনিৰ জৰিয়তে ৫০০ ৰো অধিক গাওঁ পঞ্চায়ত সমবায় সমিতিয়ে গুদাম নিৰ্মাণৰ ক্ষেত্ৰত আগবাঢ়িছে। এই আঁচনিৰ জৰিয়তে ষ্টেট-

ফেডলৈয়ো সহায় আগবঢ়োৱা হৈছে আৰু তেওঁলোকে ইতিমধ্যে কেইবাটাও গুদাম নিৰ্মাণৰ কাম সম্পাদন কৰিছে।

সমবায় আন্দোলনৰ প্ৰসাৰণৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসন ব্যৱস্থা জন-সাধাৰণৰ ওচৰ চপাই নিয়াৰ উদ্দেশ্যে যোৱা ১৯৮৭ চনত একোজন যুটীয়া পঞ্জীয়কৰ অধীনত মুঠতে ৬ টা সংমণ্ডল কাৰ্য্যালয় যথাক্ৰমে নগাওঁ, যোৰহাট, তেজপুৰ, কোকৰাঝাৰ, শিলচৰ আৰু ডিফুত খোলা হৈছে।

গতিকে এনেদৰে সমবায় বিভাগৰ কাম-কাজ বৰ্ত্তমান দুটা বছৰৰ আগ-বঢ়ালো। আৰু আপোনালোকে এই কথাটো নিশ্চয় স্বীকাৰ কৰিব লাগিব যে আজি ফাঁচী বজাৰত ১৯৮৬-৮৭ চনত বা এতিয়াও দেখিবলৈ পাইছে যে দাইলেই হওক, তেলেই হওক বা অন্যান্য নিত্য ব্যৱহাৰ্য্য সামগ্ৰীয়েই হওক দ্ৰব্য মূল্য আগৰ তুলনাত হ্ৰাস হৈ গৈছে। মূল্য বৃদ্ধি নহলেও অন্ততঃ সমতা ৰক্ষা কৰিব পৰা হৈছে। এই দামৰ সমতা ৰক্ষা কোনে কৰিছে? এইটো ষ্টেটফেডে কৰিছে। মই আজিও আশ্বাস দিব পাৰো যে ফাঁচী বজাৰে সহায় নকৰিলেও অকল ষ্টেটফেডেই অসমৰ ৰাইজক দাইল, তেল তিনি মাহৰ কাৰণে যোগাব পাৰিব। সমবায় বিভাগৰ এইটো এটা নিশ্চয় ভাল কাম হোৱা বুলি আপোনালোকে স্বীকাৰ কৰিব লাগিব। আজি হয়তো আপোনালোকে বহু কথাই ইয়াত কব পাৰে কিন্তু প্ৰকৃতাৰ্থত বাস্তৱত যিখিনি কাম কৰিব লগা আছে সেইখিনি কাম কৰিবলৈ লোৱা হৈছে। এতিয়া তিনিটা স্পীনিং মিল পুনৰ খোলাৰ কাম আৰম্ভ কৰা হৈছে যিটোৰ কাম আগতে হোৱা নাছিল। গেচ চিলিণ্ডাৰৰ কথা মাননীয় সদস্য মজুমদাৰ ডাঙৰীয়াই কৈছে, তাৰ এটা টেক্‌নিকেল বমিটি আছে। বেয়া বস্তু আনি আমি সমবায় ৰাইজক বিপদত পেলাব নোখোজো। গতিকে ইম্পৰ্ট কৰিবলৈ চেষ্টা কৰা হৈছে। ৰি-প্ৰেছ মেচিন বিলাক ভাৰতবৰ্ষৰ ভিতৰতে থকা আন ৰাজ্যৰ পৰা অনাৰ কাৰণে সেই বিলাকে আমাৰ কাম-কাজত যথেষ্ট হেঙাৰ পাইছো। গতিকে সেইটো যাতে পুনৰাবৃত্তি নহয় তাৰ কাৰণে ইম্পৰ্ট কৰি অনাৰ বাবে চেষ্টা কৰা হৈছে, মাননীয় সদস্য মজুমদাৰ ডাঙৰীয়াই কোৱাৰ দৰে নহয়। এই সমবায় আন্দো-লনটো গঢ়ি তোলাৰ কাৰণে আপোনালোকে যি পৰামৰ্শ আগবঢ়াইছে তাৰ কাৰণে ভাল পাইছো কিন্তু তাৰ কাৰণে প্ৰত্যেকেই দায়িত্ব আৰু কৰ্ত্তব্য পালন নকৰি অকল সমালোচনাই কৰি যায় তাৰ দ্বাৰা সমস্যা সমাধান নহব। সমালোচনা বিলাক গঠনমূলক হব লাগে। জাগীৰোডৰ স্পান মিলটো ১৯৮৫

চনৰ পিচত আমি আকৌ চালু কৰিলো। আগতে সেইটো বন্ধ হৈ আছিল। আমাৰ চৰকাৰৰ দিনত প্ৰতিশ্ৰুতি দিছিলো আৰু তাৰ কাম আৰম্ভ হৈছে। সেইদৰে ডেৰগাওঁৰ চেনি কলটোৱে লোকচান ভৰি আছিল। এতিয়া সেইটো লাভৰ ফালে আগবাঢ়ি আছে। কিন্তু ইমান দিনে থুপ খাই থকা লোকচান বিলাক দুটা বছৰতেই মেক্ আপ কৰিব নোৱাৰি। তথাপিতো লাভৰ ফালে এতিয়া কিছু আগবাঢ়িছে। অসমত এই বিভাগটোক অধিক সক্ৰিয় কৰি তুলিবৰ কাৰণে ৬ টা জোনত ভাগ কৰা হৈছে আৰু প্ৰতিটো জোনতেই একোজনকৈ জোনেল ৰেজিষ্টাৰ ৰখা হৈছে। তাৰ পিচত হাউচ ফেডৰ জৰিয়তে আমাৰ ৰাজ্যৰ যিসকল দুখীয়া মানুহ আছিল তেখেত সকলৰ ঘৰ-দুৱাৰ বান্ধি লোৱাত যাতে সহজ সাধ্য হয় তাৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, ইয়াৰোপৰি যিসকল দুখীয়া মানুহ আৰু জনজাতি লোক আছে, তেওঁলোকক সুবিধা দিয়া হৈছে। এই আঁচনিৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যোৱা দুবছৰত বহুত কাম সম্পূৰ্ণ কৰা হৈছে। আনহাতে ফিচফেডৰ যোগেদি বহুতো কাম কৰা হৈছে। কাকোদোঙা, নাহৰকটীয়া, আমিনগাওঁ আদিত আঁচনি লোৱা হৈছে।

উপাধ্যক্ষ মহোদয়, নিৰ্ব্বাচন পদ্ধতিত বাই-ল আছে। সেইমতে কাম-কাজ কৰিব লাগে। যিবিলাক পৰামৰ্শ আগবঢ়োৱা হৈছে সেই বিলাক চোৱা হব। ৰাইজৰ ভাল কৰিবলৈ যাওঁতে যদি বাই-ল সংশোধন কৰিবলগীয়া হয়, তেতিয়া হলে তাক কৰিব লাগিব। এই ক্ষেত্ৰত যিখিনি বাধা আছে তাক নাইকীয়া কৰিব লাগিব। অসমত সমবায় বিভাগৰ যিখিনি কাম-কাজ কৰিবলৈ লোৱা লৈছে সেইখিনি কৰা হব। সমবায় সমিতি লোকচান কৰা বুলি কোৱা হৈছে। কিন্তু প্ৰতিখন সমবায় সমিতিয়ে লোকচান কৰা নাই। তাৰে কিছু-মানৰ লাভ হৈছে। এই সমবায় সমিতি ৭ শ খনৰো অধিকে লাভ কৰা দেখিবলৈ পাইছো। সেই ধৰণে বাকী বিলাকেও কাম কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, সম্পাদকৰ দৰমহাৰ কথা কোৱা হৈছে। এজন সম্পাদকৰ আগতে ৩ শৰ পৰা ৫ শ টকা দৰমহা আছিল। সেই কাৰণে তেওঁলোকে দুৰ্নীতি কৰিছিল। সেইটো নাইকীয়া কৰিবৰ কাৰণে এতিয়া ৫ শ টকাৰ পৰিবৰ্ত্তে ১০৭৫ টকা লৈ দৰমহা বৃদ্ধি কৰা হৈছে। মই ভাল কথাখিনি গ্ৰহণ কৰিছো। এইখিনি যাতে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায় তাৰ কাৰণে যত্ন কৰিম। সকলোৰে সহায় সহযোগিতাত ৰাইজৰ কাম কৰিব

লাগিব। এই ক্ষেত্রত আমাৰ দায়িত্ব আৰু কৰ্ত্তব্য আছে আৰু সচেতন হব লাগিব। যদি সকলোৰে সহযোগ নেথাকে তেতিয়া হলে কাম বিলাক কৰাটো সম্ভব নহয়। এই বিভাগৰ যাতে ভবিষ্যতে উন্নতি হয় তাৰ বাবে যত্ন সহকাৰে সচেতন ভাবে কাম বিলাক কৰিব লাগিব। ( ভইচঃ ৰাইচ মিলৰ কি হব )? ৰাইচ মিলৰ ক্ষেত্ৰত জনাওঁ যে লেভি দিব লগা হব। এই ক্ষেত্ৰত শতকৰা ৫০ ভাগ লেভি দি কো-অপাৰেটিভৰ মিল চলাবলৈ যথেষ্ট সুবিধা হব। এই সম্পৰ্কে যোগান বিভাগৰ লগত কথা পাতি আছো।

উপাধ্যক্ষ মহোদয়, সদৌ শেষত মই মাননীয় বিৰোধী পক্ষৰ সদস্যসকলে যি কৰ্ত্তন প্ৰস্তাৱ উথাপন কৰিছে তাক যাতে উঠাই লয় আৰু আমাক কাম কৰিবলৈ সুবিধা দিব বুলি অনুৰোধ জনাই সকলোকে ধন্যবাদ দি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Mr. Speaker : Now Hon'ble member Shri Maziruddin Sheikh.

শ্ৰীমাজিৰুদ্দিন শ্বেখ : মাননীয় অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়ত বিলাক নতুন হ'ল। সমবায় বিলাক কেতিয়া নতুন হব সেইটোহে কৈছো। সমবায় বিলাক নতুন হলে ভাল হব।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যদিও গাওঁ পঞ্চায়ত দুই-তিনিখন নতুন হৈছে, সমবায় বিলাক একে ধৰণে থাকিলে অসুবিধা নহব।

শ্ৰীমাজিৰুদ্দিন শ্বেখ : অধ্যক্ষ মহোদয়, ( I do withdraw ) মই কৰ্তন প্ৰস্তাৱটো উঠাই লৈছো।

( The Cut Motion was withdrawn with the leave of the House )

Mr. Speaker : Now Hon'ble Shri Yusuf Ali Ahmed.

শ্ৰীইউচুফ আলি আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ভাল কথাখিনি গ্ৰহণ কৰা হব। সেইমতে কাম কৰা হব বুলি আশা ৰাখি মই মোৰ কৰ্তন প্ৰস্তাৱটো উঠাই লৈছো।

( The Cut Motion was withdrawn with the leave of the House )

Mr. Speaker : Now Hon'ble Shri Amrit Lal Basumatari.

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো যে আমাৰ কো-অপাৰেটিভ ছোচাইটিত যিবিলাক ৰাইচ্ মিল আছে সেই বিলাক চলাব নোৱাৰি। সেই বিলাক বিক্ৰী কৰাৰ ব্যৱস্থা কৰিব নেকি? কেদাৰ চেক্ৰেটাৰী লব নে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমাৰ কেদাৰ চেক্ৰেটাৰী দিয়া হোৱা নাই যদিও তাৰ ব্যৱস্থা কৰা হৈছে। ৰাইচ মিল চলোৱাৰ ক্ষেত্ৰত বাধাৰ কথা উল্লেখ কৰা হৈছে। মিল বিলাকৰ কাৰণে যোগান বিভাগৰ লগত আলোচনা বিলোচনা কৰিছো। তাৰ পিচত যি সিদ্ধান্ত লবলগীয়া হয় সেইটো লোৱা হব।

Shri Amrit Lal Basumatari : I beg to withdraw the cut motion.

( The cut motion was withdrawn with the leave of the House )

Mr. Speaker : Now Hon'ble Member Shri Ramendra De.

Shri Ramendra De : I beg to withdraw.

( The cut motion was withdrawn with the leave cf the House )

Mr. Speaker : Now, I put the main motion before the House. The motion is that a sum of Rs. 20,34,60,000 be granted to the Minister in-charge to complete the sum of Rs. 27,12,81,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1989 for the administration of "Co-operation".

( The Motion was adopted and the Grant was passed )

Now Grant No. 29, Hon'ble Health Minister.

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "চিকিৎসা আৰু জনস্বাস্থ্য" সম্পৰ্কীয় শিতানৰ

প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ৭৪,৬৬,৮২,০০০ পৰিমানৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৫৬,০০,১১,০০০ টকা মঞ্জুৰ কৰা হওঁক।

Mr. Speaker : There are six cut motions in this Grant. Now I would request Hon'ble Member Shri Aminul Islam to move his cut motion.

Shri Aminul Islam : Hon'ble Speaker, Sir, I beg to move that the total provision of Rs. 74,66,82,000 under Grant No. 29 in respect of "Medical and Public Health" at pages 3—94 of Volume II, Part VII be reduced to Re. 1.00 i. e...... ... the amount of the whole grant of Rs. 74,66,82,000 do stand to Re. 1.00.

Mr. Speaker : Now, Hon'ble Member Shri B. K. Basumatari. Absent. Now, Hon'ble Member Shri Shio Sambhu Ojha or Shri Mosir Uddin Sheikh.

শ্ৰীমচিৰ উদ্দিন শ্বেখ : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ সপ্তম অংশৰ ৩-৯৪ পৃষ্ঠাত থকা চিকিৎসা আৰু জনস্বাস্থ্য শিতানৰ ২৯ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ৭৪,৬৬,৮২,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৭৪,৬৬,৮২,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওক।

Hon'ble Speaker : Now Hon'ble Member Shri Ratneswar Sarkar.

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ সপ্তম অংশৰ ৩-৯৪ পৃষ্ঠাত থকা চিকিৎসা আৰু জনস্বাস্থ্য শিতানৰ ২৯ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ৭৪,৬৬,৮২,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৭৪.৬৬,৮২,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওক।

Mr. Speaker : Now Hon'ble Member Shri Ramendra De.

Shri Ramendra De : Mr. Speaker, Sir, I beg to move that the total provision of Rs. 74,66,82,000 under Grant

No. 29 in respect of 'Medical and Public Health' at pages 3—94 of volume – II, Part – VII of the Budget be reduced by Rs. 100.00 i. e. the amount of the whole grant of Rs. 74,66,82,000 do stand reduced by Rs. 100.00.

Mr. Speaker : Now Hon'ble Aminul Islam.

* শ্ৰীআমিনুল ইচলাম : মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি কেইটামান কথা কব বিচাৰিছো। স্বাস্থ্য বিভাগটো আমাৰ কাৰণে ইমানেই প্ৰয়োজন যে জন্ম প্ৰক্ৰিয়াৰ পৰা আৰম্ভ কৰি মৃত্যুৰ সময়লৈকে এই বিভাগটোৰ প্ৰয়োজন হয়। এইটো এটা ইমান গুৰুত্বপূৰ্ণ বিভাগ যে মানুহৰ প্ৰতিটো মুহূৰ্ত্ততে ইয়াৰ প্ৰয়োজন হৈ আহিছে। কিন্তু ইমান এটা গুৰুত্বপূৰ্ণ বিভাগ হোৱা স্বত্বেও বাস্তৱ ক্ষেত্ৰত দেখা গৈছে যে এই বিভাগটো যি পৰিমানে কাৰ্য্যক্ষম হব লাগিছিল সেই পৰিমানে কাৰ্য্যক্ষম হোৱা নাই। তথাপিও বৰ্ত্তমান চৰকাৰে যিবিলাক কাম হাতত লৈছে মই নিৰপেক্ষ ভাবে তাৰবাবে ধন্যবাদ জনাইছো। নিৰপেক্ষ ভাবে মই কবই লাগিব যে এই চৰকাৰ অহাৰ লগে লগে যিবিলাক অঞ্চলে কোনো দিনেই চিকিৎসাৰ সা-সুবিধা পোৱা নাছিল সেই বিলাক অঞ্চলতো চিকিৎসা সম্পৰ্কীয় কিছুমান কাম নোহোৱা নহয়। এই বিভাগটোৰ জৰিয়তে অসমত বহুত কেইখন চিভিল হস্পিতাল হৈছে, সেইদৰে ডিচ্‌পেনচাৰী হৈছে, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ হৈছে, চাব চেন্টাৰ হৈছে। কিন্তু অতি দুখেৰে সৈতে জনাবলগীয়া হৈছো যে চৰকাৰে ব্যাপক পৰিকল্পনা চিকিৎসা ব্যৱস্থাত গ্ৰহণ কৰিছে যদিও অসমৰ বিভিন্ন গাওঁ-ভূঁইত ৰাইজে যি পৰিমানে চিকিৎসাৰ সা-সুবিধা পাব লাগিছিল সেই পৰিমানে পোৱা নাই। চৰকাৰে সকলো অঞ্চলতে সমদৃষ্টি দিয়া নাই। মই এই সদনত এটা কথা আগতেও উল্লেখ কৰিছো যে আমাৰ মানকাচাৰ অঞ্চলত এখনো হস্পিতাল নাই। বিগত ৩৯ বছৰ কালত মানকাচাৰ অঞ্চলত এখনো হস্পিতাল হোৱা নাই। মোৰ বিশ্বাস যে এই চৰকাৰে মানকাচাৰ ৰাইজৰ বাবে এখন হস্পিতাল কৰি দিব। ইয়াৰ কাৰণে মই বিভাগীয় মন্ত্ৰী

* Speech not corrected.

মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। তেখেতে মোক আগতে আশ্বাস দিছিল যে তাত এখন হস্পিতাল দিব কিন্তু সেই আশ্বাস কেতিয়া প্ৰতিফলিত হব কব নোৱাৰো। অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যে তেখেতে তাত এখন হস্পিতাল দিব বুলি আশ্বাস দিব নে ?

তাৰোপৰি আৰু এটা কথা হৈছে যে মানকাচাৰ অঞ্চলত যিবিলাক ডাক্তৰ আগতে আছিল এই চৰকাৰ অহাৰ লগে লগে সেই সকলক তাৰ পৰা ট্ৰেন্সফাৰ কৰিলে। ফলত তাত ডাক্তৰ নোহোৱা হ'ল। এই সম্পৰ্কত মোক মন্ত্ৰী মহোদয়ে এটা আশ্বাস দিছিল যে তাত ডাক্তৰ দিয়া হব। কিন্তু মই এতিয়া খবৰ পাইছো যে যদিও মন্ত্ৰী মহোদয়ে ডাক্তৰ দিয়াৰ অৰ্ডাৰ কৰিছে তাত ডাক্তৰ গৈ পোৱা গৈ নাই। তেখেতৰ অৰ্ডাৰ বাস্তৱত পৰিণত কৰিবৰ কাৰণে অনুৰোধ জনালো। লগতে কওঁ যে বহুত বিলাক ডাক্তৰ গাৱঁলৈ যাবলৈ ইচ্ছা নকৰে চহৰতে থাকিব বিচাৰে, ট্ৰেন্সফাৰ কৰিলেও ষ্টে কৰায়। সেই কাৰণে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে অসমত যি ৩ খন মেডিকেল কলেজ আছে তাৰ চিটৰ কাৰণে অন্ততঃ প্ৰতিটো মহকুমাৰ পৰা ১০ জনকৈ ল'ৰাক চিট দিব লাগে। যাতে কোনোবা ডাক্তৰ সেই অঞ্চলৈ নগলে এই ল'ৰা বিলাকক দিব পৰা হয়। এইদৰে কৰিলে সেই বিলাক ল'ৰাই এই বিলাক অঞ্চললৈ যাবলৈ আপত্তি নকৰিব। এই ব্যৱস্থাটো কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

ইয়াৰ ওপৰিও মই আৰু এটা কথা কব বিচাৰিছো যে অবশ্যে এইটো কথা মই প্ৰশ্নোত্তৰ কালতো কৈছো যে টিবি চেন্টাৰ বিলাক জিলাৰ সদৰৰ পৰিবৰ্ত্তে মহকুমা সদৰত দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ভিতৰুৱা অঞ্চল বিলাকত যিবিলাক ডিচ্ পেনচাৰী আছে সেই বিলাকত প্ৰয়োজনীয় ঔষধ পোৱা নাযায়। যিখিনি ঔষধৰ যোগান ধৰে সেইখিনিও যথেষ্ট নহয়। এই ধৰণৰ যিবিলাক অভিযোগ আছে সেই বিলাক নিৰাময় কৰিবলৈ অনুৰোধ জনায় লগতে মানকাচাৰত এখন হস্পিতাল হব বুলি কামনা কৰি মই মোৰ কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিলো।

* শ্ৰীমচিৰুদ্দিন শ্বেখ : মাননীয় অধ্যক্ষ মহোদয়, সময় কম কাৰণে মই কেইটামান পৰামৰ্শ আৰু অভিযোগ উত্থাপন কৰিব বিচাৰিছো। কাৰণ প্ৰস্তুতি চলাওতেই মৰাশ গেলি যায় উদ্দেশ্যও সফল নহয়।

প্ৰথম কথা হৈছে যে মেলেৰিয়া পুনৰ ৰিভাইভ কৰিছে, ইৰাভিকচনৰ পুনৰ আঁচনি লব লাগে। আমাৰ ধুবুৰীত যিখন হস্পিতাল আছে তাত ষ্টাফ নাই। ষ্টাফ দিয়াৰ ব্যৱস্থা কৰা নাই। যদি অৰ্থনৈতিক কিবা অসুবিধা থাকে তেন্তে সেই বিলাক কথা ৰাইজক নোকোৱাই ভাল। ভেটি স্থাপন কৰিলেই সকলো বিলাক হৈ নাযায়। ভেটিটো স্থাপন হোৱাৰ পিচত কি হয় সেইটো নোচোৱাকৈ মই একো কব নোৱাৰো। আমাৰ হস্পিতাল বোৰত ডাক্তৰ নাই। এখন সদৰৰ হস্পিতালত প্ৰায় আধা ডাক্তৰ নাই। আধা ডাক্তৰ নোহোৱাকৈ কেনেকৈ এখন হস্পিতাল চলিব পাৰে? তাত ১১/১২ জনমান ডাক্তৰ নাই। ফলত টি-বি হস্পিতালৰ পৰা ডাক্তৰ আনি চিভিল হস্পিতালত দিছে আৰু চিভিলৰ ডাক্তৰ নি টি-বি হস্পিতালত দিছে। এইটো কথা কেনেকৈ হব পাৰে? যিজন টি-বি স্পেচিয়েলিষ্ট সেই জনে চিভিলত কি চিকিৎসা কৰিব আৰু যি জন টি-বি স্পেচিয়েলিষ্ট নহয় তেওঁ টি-বি চিকিৎসা কেনেকৈ কৰিব? চিভিল হস্পিতালৰ প্ৰয়োজন যদিও হেলথ অফিচাৰ ওৱান, তথাপিতো দক্ষতা থকা জনক দক্ষ বিভাগত দিব লাগে। দেখা যায় টি-বিৰ বিশেষজ্ঞ জনক জেনেৰেলত আৰু জেনেৰেলৰ জনক টি-বিত দিয়া হয়। জেনেৰেলৰ জনে যদিও টি-বিৰ চিকিৎসা কৰিব পাৰে, তথাপিতো টি-বিৰ বিশেষজ্ঞ জনৰ দৰে ভালকৈ কৰিব নোৱাৰে। বিভাগে এই বিলাক কি কাৰণে কৰে বুজি নাপাও। এই বিলাকলৈ লক্ষ্য ৰাখিবলৈ অনুৰোধ জনাই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ শিতানত অনা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন জনাই মই দুআষাৰ কবলৈ বিচাৰিছো। মোৰ দক্ষিণ অভয়াপুৰি সমষ্টিত অনুসূচীত লোকে বাস কৰা চলন্তাপাৰা নামে এখন ঠাই আছে। তাত এখন ৩০ খন বিচনা যুক্ত হস্পিতাল স্থাপনৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। অভয়াপুৰি টাউনত থকা ৰাজ্যিক চিকিৎসালয়খন ৩০ খন বিচনা যুক্ত হস্পিতাল হিচাবে ৰখাৰ কাৰ্য্যপন্থা হাতত

* Speech not corrected.

লবলৈ অনুৰোধ জনালো। কেইদিনমান আগতে মোৰ প্ৰশ্নোত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে অনুসূচীত লোক বাস কৰা অঞ্চলত ৩৩ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হব। সেই কেইখনৰ ভিতৰতে মোৰ তাতো এখন স্থাপন কৰিবলৈ অনুৰোধ জনালো। লগতে পাৰিলে আৰু অলপ টকা দিয়াৰ কাৰণে ব্যৱস্থা কৰাৰ অনুৰোধ জনাই ব্যক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীরামেন্দ্র দে ঃ অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগের উপর বেশ কিছু আলোচনা থাকা স্বত্বেও আজ আলোচনা সম্ভব নয়। সেজন্য মাত্র ২/১ টি কথা এই বিভাগ সম্বন্ধে উল্লেখ করেই আমার বক্তব্য শেষ করবো। মহোদয় আমরা দেখেছি যে সারা আসামে এই সরকারের স্বাস্থ্য বিভাগ কোন কোন ক্ষেত্রে কিছু উদ্যোগ নিয়েছেন বলে ধারনা করতে পারি। কারন, বিভিন্ন যায়গায় আজ ৩০ বেডেড্ হাসপাতাল হচ্ছে, পি এইচ সিহচ্ছে, সাব চেন্টার হচ্ছে এবং আসামের যে ৩ টি মেডিকেল কলেজ আছে তার উন্নতি করার জন্য একটা চেষ্টা এই বিভাগ চালাচ্ছে। আমি শুধু বলতে চাই যে এই প্রচেষ্টার ধারাবাহিকতা বজায় বজার রাখা প্রয়োজন এবং এটা বজায় রাখতে হলে কিছু Public Involvement ব্যাপক করা প্রয়োজন। তাছাড়া 'কন্স-ট্রাকশনের জন্য' এই বিভাগ থেকে প্রত্যেক বছর কয়েক কোটী টাকার কাজ করানো হয়। কিন্তু এই বিভাগে কোন নিজস্ব কারিকরী উইং নেই এই কাজ করার জন্য গতিকে আমি একটা প্রস্তাব রাখছি যেহেতু কয়েক কোটী টাকার কাজ এই বিভাগ থেকে করা হয় সেই হেতু এই বিভাগের একটা নিজস্ব কারিকরী বিভাগ খোলা দরকার। কারণ আমরা জানি এই বিভাগ ১৯৮৬ ইংরাজীতে বেশ কয়েকটি ৩০ বেডেড হাসপাতাল সেংশন করেছে, ১৯৮৭ ইংরাজীতে ফাইনেনসিয়েল সেংশন দিয়েছে, কিন্তু পি-ডব্লু-ডি বিভাগ এই হাস্পাতালগুলি এখনও কমপ্লিট্ করতে পারে নি। একটা বছর আমদের এমনিতেই কেটে গেল। স্বাস্থ্য বিভাগের এতে কোন দোষ আছে বলে আমার মনে হয় না। গতিকে এই বিভাগকে আরো শক্তিশালী করার জন্য এবং জনসাধারণকে এই বিভাগের সঙ্গে জড়িত করার জন্য একটা কারিকরী বিভাগ এই বিভাগের অধিনে খোলার জন্য অনুরোধ জানিয়ে আমার বক্তব্য শেষ করছি।

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ শিতানত যি দাবী মঞ্জুৰী অনা হৈছে তাত মই সমৰ্থন

জনাইছো। স্বাস্থ্য বিভাগত কি অভিলেস সৃষ্টি কৰা হৈছে সেই সম্পৰ্কত মই অলপ কব বিচাৰিছো। স্বাস্থ্য বিভাগৰ আজি কোনো পাৰচনেল পলিচি নাই। ট্ৰেন্সফাৰ পোচটিং সম্পৰ্কত এটা নিৰ্দ্ধাৰিত নীতি হব লাগে। জনসাধাৰণৰ মঙ্গলৰ কাৰণে বস্তু বিলাক কিনিব লাগে। জনসাধাৰণক স্বাস্থ্য বিভাগে বস্তু কিনিব দিব নালাগে। অসমত অসম মেডিকেল কলেজ, গুৱাহাটী আৰু শিলচৰ মেডিকেল কলেজ আছে। এই তিনিখন কলেজক সমান ভাবে আগবঢ়াই নিব লাগে। কিন্তু দুখৰ আৰু পৰিতাপৰ বিষয় যোৱা কালি আলোকপাত পেপাৰৰ বাতৰিত প্ৰকাশ পাইছে অৱহেলাৰ নাৰকীয় উদাহৰণ, অসম সিকিৎসা মহাবিদ্যালয়। দিপ্তী মহন্ত বৰুৱাই লিখিছে আৰু ছবিও প্ৰকাশ পাইছে। ছবিত প্ৰকাশ পাইছে সিকিৎসালয় বাৰাণ্ডাত এটা কুকুৰৰ পৰিয়াল ৰোগীৰ বিচনাৰ তলত চৰি ফুৰা কুকুৰৰ পোৱালী। তেনেকৈ আৰু আছে জাৰৰৰ দ'মৰ মাজত এটা ভঙা হাত ধোৱা বেচিন, এটা গাৰু আৰু তুডাল হাৰ। এই ধৰণৰ আৰু বিভিন্ন ছবি প্ৰকাশ কৰিছে। এই বিলাক বৰ দুখৰ কথা। এই ক্ষেত্ৰত চৰকাৰৰ অৱহেলা কৰা পৰিণতিত হৈছে। অসম মেডিকেল কলেজৰ ক্ষেত্ৰতো বিশেষ ভাবে চকু দিব লাগে। এই খিনিকে কৈ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now Hon'ble Heath Minister.

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ দাবীৰ ওপৰত ভালেকেইজন সদস্যই মতামত ব্যক্ত কৰিছে। মাননীয় সদস্য আমিনুল ইচলামৰ এগনি মই অনুভব কৰিছো আৰু তাত এখন ৩০ খন বিচনাযুক্ত হস্পিতাল দিয়া হব। কথা হৈছে আমি পইচাৰ অভাৱত টি-বি সিকিৎসা মহকুমা বা ব্লক পৰ্য্যায়লৈ বিকেন্দ্ৰিভূত কৰিব পৰা নাই। কেন্দ্ৰীয় চৰকাৰে আৰু ৰাজ্যিক চৰকাৰে ৫০ ভাগকৈ দিয়ে। পইচা হলে ব্লক লেভেললৈ যাব লাগে ইয়াত কোনো দ্বীমত নাই। ধুবুৰী সম্পৰ্কত সদস্য গৰাকীয়ে ব্যঙ্গ সুৰত কোৱাত দুখ পাইছো।

তাৰ পিছত মই ধুবুৰী সম্পৰ্কত কবলৈ বিচাৰিছো আৰু আমাৰ ধুবুৰী জিলাৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো আৰু দুখ প্ৰকাশও কৰিছো যে তেখেতক যিটো কথাত 'এচাৰট' কৰিছে সেইটোত কনফাৰ্ম হৈ এচাৰট কৰিব লাগে। তেখেত ধুবুৰীৰ পৰা আহিছে আৰু কৰিমগঞ্জৰ পৰা ডালিম ৰায় আহিছে, তেখেতসকলে ধুবুৰীলৈ মই যাওঁতে এখন নতুন হস্পিতেল

দিয়াৰ কথাটো কৈছিল। মই কিন্তু হস্পিতাল দিয়াটো অসুবিধা আছিল বুলি কৈছিলো।

(At 1-30 P.M. Hon'ble Speaker intervened and read out the Motion for guillotine).

Hon'ble Speaker : It is now 1-30 P.M. I now guillotine all the Cut Motions. I now put the remaining Demands for Grant Nos. 29, 65, 37, 30, 36, 61, 21, 3, 44, 23, 1, 2, 4, 5, 7, 8, 10, 11, 12, 13, 15, 16, 17, 18, 19, 20, 22, 24, 25, 27, 28, 31, 32, 33, 34, 35, 38, 39, 40, 42, 45, 46, 47, 50, 51, 59, 60, 66, 67, 68 and 69 for the approval of the House.

These who are in favour say "Ayes", those who are against Say "Noes". (vcices, vcices)

The Motion is passed, the Grant Nos. 29, 65, 37, 30, 36, 61, 21, 3, 44, 23, 1, 2, 4, 5, 7, 8, 10, 11, 12, 13, 15, 16, 17, 18, 19, 20, 22, 24, 25, 27, 23 31, 32. 33, 34, 35, 38, 39, 40, 42, 45, 46, 47, 50, 51, 59, 60, 66, 67, 68 and 69 are passed.

## Introduction Consideration and Passing of the Assam Appropriation (No. II) Bill 1988

Mr. Speaker : Now, item No. 3 Hon'ble Chief Minister. Now, Bill will be distributed.

(Bill was distributed)

Now, item No. 3 (a) – Hon'ble Chief Minister to move.

Shri Prafulla Kr. Mahanta, (Chief Minister) : Sir, I beg leave to introduce the Assam Appropriation (No. II) Bill, 1988.

Hon'ble Speaker : Is it the pleasure of the House to grant leave ? (voice 'yes') Leave is granted.

(Leave was granted)

**Here is a message from the Governor of Assam.**

Guwahati

Rajbhawan, 31-3-88

Under the provision of Article 207 (1) of the Constitution of India, I, Bhisma Narain Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation (No. II) Bill 1988.

Sd/- Bhisma Narain Singh,
Governor of Assam.

Hon'ble Speaker : Hon'ble Chief Minister to introduce the Bill.

Shri Prafulla Kr. Mahanta, (Chief Minister) : Sir, I beg to introduce the Assam Appropriation (No, II) Bill, 1988. (Secretary read out the title of the Bill)

Hon'ble Speaker : Now, item No. 3 (b). Here is a message from the Governor of Assam.

Guwahati

Rajbhawan, 31-3-88

Under the provisions of Article 207 (3) of the Constitution of India, I, Bhisma Narain Singh, Governor of Assam, recommend that the Assam Appropriation (No. II)

Bill, 1988, be taken into consideration by the Assam Legislative Assembly.

Sd/- Bhisma Narain Singh.
Governor of Assam.

Now, Hon'ble Chief Minister to move.

Shri Prafulla Kr. Mahanta, (Chief Minister) : Sir, I, beg to move that the Assam Appropriation (No, II) Bill, 1988 be taken into consideration.

Hon'ble Speaker : Now, Hon'ble Shri S. C. Sinha.

Shri S. C. Sinha : Mr. Speaker Sir, I want to speak a few words on Grant No. 38. The Grant No. 38 has been guillotined. Therefore, I want to speak on it. Sir, this Department – the Department of Welfare Scheduled Castes / Scheduled Tribes and Other Backward Classes— is administered for the welfare of the specific ethnic groups of people living in the State. Sir, the State of Assam is a unique state from that point of view. A large number of ethnic groups lives in this state. Now, for the welfare of the state. We shall have to be concerned with the welfare of the entire groups of the people. Sir, because wrong handling of this Department, unfortunately, there have been ethnic problems in defferent parts of the state. I refer, particularly, to the political situation that has arisen in the district of Kokrajhar and in other tribal areas of the state. Sir, this situation has arisen not because of anythings else but because of the wrong policy parsued by the Government and the wrong administrative measure. Government may not agree with us, but we have

the conviction and I am speaking with conviction that there has been a wrong handling of this department. Sir, the people leaving in the state want that there should be an impartial administration in the State. But we find from the day to day functioning of the Government that the administration is not impartial. It is because of the wrong administration, a misunderstanding has been created among the different sections of the people and because of the misunderstanding now we are facing so many problems in the State. As I understand sir, this department has failed to meet the backlog in different categories of Government services so far as the scheduled-castes and scheduled-tribes are concerned. Then sir, Government have not been able to deal with the problems of the administration free from political bias. Sir, we have not been able to solve the political problem. Sir, it is not a question to be solved merely by distributing materials benefits to the different or groups individuals. The wrong handling of the situation has created an emotional problem. At Kokrajhar, we find that a serious situation has arisen. A political problem has arisen. The Tribal people have their political aspiration. Now, if you look at the political demands, then you will find that all these demands are not based with facts. Sir, P.T.C.A. wants Udayachal. Here we find that the area demanded for Udayachal is not predominantly inhabited by the tribals but by the non-tribals as well. Similarly, they want a home land for the tribals. Here also we find that the area as demanded by them is not predominantly inhabited by the tribals but by non-tribals as well. Therefore, if we give the homeland to them, we find that ultimately that meet

their political ends. Sir, even if we divide the area on fifty/fifty basis, that will also not meet their political aspiration. Still they agitate and demand it. Their problems remain unsolved. It will not be possible to solve their problem in this way, because the feeling of misunderstanding that has been created in their minds has yet to be removed. They do not believe this Government. Sir, they do not believe that this Government is functioning impartially. They do not believe that this Government is working for their benefits. Sir, as there is a misunderstanding in there minds, it will be our duty to remove that misunderstanding from their minds first of all. If we can remove that I am sure, we shall be able to solve the problem. Unless and until we remove that feeling from their minds, it is not possible to solve the problem of the tribals-that we are facing today. Now, the question is how we can remove the misunderstanding ? We can remove the misunderstanding by creating an atmosphere congenial to all sections of people, living in the State. Sir, we shall have to restore the confidence and understanding not only to the tribals but to all sections of the people living in the State. But we cannot do this by merely distributing material-benefits. We shall have to resotre the emotional understanding. Sir, we have not been able to do anything as yet in this respect. We have not yet made any effort in this direction. People have lost all faith, because of the day to day functioning of the Government Sir, I do not like to give more details. But I am sure Government will understand that scheduled caste and

scheduled tribes people have a feeling that they have been deprived of their legitimate shares. They have been deprived of the shares due to them in various spheres in the matter of appointment, promotion and the like. So, unless the Government remove the apprehension that there has been no discrimination, emotional understanding is not possible. I would therefore, appeal to the Government to remove the feeling of misunderstanding for the betterment of the State. Sir, Government may agree or disagree with me but this is my submission. I do not like to take much time of the House to discuss this matter in further details. With these words, Sir, I conclude my Speech.

Mr. Speaker : Now, Hon'ble Member, Shri Altaf Hussain Mazumdar.

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir, I rise to make a few observation with regard to certain grants which were not discussed in the House. First of all, I will speak a few word relating to G.P.F. accounts of the State Government employees. Sir, this relates to Grant No. 23. Sir, the entire matter relating to G.P.F. accounts of the State Government employees is in a complete mess. Sir, in this matter a huge number of State Government employees are involved. If you look into the matter, then you will find that prior to 1985-86, the G.P.F. Accounts furnished by the Accountant General, Assam were mostly incorrect as the amounts contributed by a Government servant towards his G.P.F. account was seldom shown correctly. From 1985-86, no statements have been

furnished by the Accountant General, Assam. It is understood that the Finance Department has allowed the Accountant General, Assam to engage a Computor Company to compile the annual G.P.F. statements of the employees. But the annual statements of the All India Service Personal are being manually done in Accountant General's office. It is also gathered that the Computor Company because of incorrect data supplied by the A.G. Assam, is not in a position to compile the correct returns and hence there is absolutely no progress in compilation.

As you are aware, sir. G.P.F. is the major source of savings for the Government employees and absence of up-to-date and correct annual statments ultimately result in holding back the release of G.P.F. amounts to the retiring employees, thus depriving them from their hard earned money when they need it most. G.P.F. contribution being compulsory on the part of the Government servants, is it not incumdent on the part of the Government to keep correct accounts of their money contributed towards the General Provident Fund and release it when they need? In order to overcome the present anomalous position with regard to General Provident Fund accounts, there was a decision to introduce Pass Book system in every Department enabling the employees to know their up-to-date savings. Reportedly for introducing this system of introducing Pass-Book, some thousands of Pass-Books were printed by the Finance A.P.F. Department, but these have not been put to use as yet.

The Hon'ble Chief Minister said in reply to a Question (unstarred) No. 793 dated 25-4-88 that some G.P.F. statements have been despatched by the Accountant General of Assam. But as a matter of fact, most of the statements are inccmplte as out of 12 credits of a year, some have got only 4 credits and some two and so on and so forth. The G.P.F. contribution by the Government servants has been compulsory, So, it is the responsibility of the Government to account for the money to every paise contributed by the employees of the Government. So, Government must look into this metter of genuine grievances of the employees and it should be redressed.

Sir, regarding another grant of Labour Depertment there is a small observation. Particularly I am referring to a question which was replied by the Minister, Labour, when the Hon'ble Minister, Labour stated that there were no doctors appointed in the Hospitals of the tea gardens and that there was lack of water supply in the hospitals. All these things the Labour Minister admitted that doctors are not available, pharmacists are not available. His answer is like the representative of the TEA GARDENS. The Labour Minister should not allow the labourers to die. To provide minimum amenities, law is there and the Labour Minister is to see that the law is enforced and the labourers are not deprived of the benefits or the minimum amenities. Let the Management got it from America or elsewhere. But doctors must be provided. It is not the business to how the doctors are provided. The business is to see that the doctors and pharmacists are provied in

the hospitals of the tea gardens. So the Labour Minister should modify his answer and take a stand on it.

Then Sir, I was repeatedly giving questions in connection with supply of water to the tea labourers and for giving electric connections but I have not got the answer. The other day, the Labour Minister gave a Statement assuring that the labourers will be given connections. But most unfortunately, we have read a news that while the Labour Minister stated the labourers will have electric connections, the Garden authorities said 'No'. I want the Labour Minister must tell which is correct.

Now, Sir, I have just a few words to conclude. Sir, about employment, I purposely put many unstarred questions so that the Government cannot go back from the given written figures. Sir, the muslim minority's employment percentage is less then 20 percent of the State. Even for the post of Grade IV, Grade III or Police constables our people are deprived in this manner. Replies are given by the Chief Minister and in his absence by the Home Minister. But the reply has not inspired the people. The Muslim people are now thinking that their legitimate claims are undermined. We hope the Chief Minister will act in such a way that the people will give up this type of attitude. With thanks, I conclude.

Shri A. F. Gulam Osmani - Mr. Speaker Sir, we had a long budgetary discussions and inspite of the new procedure we could cover only 18 demands, rather two third of the demands is left out. I would like to talk on the

demand that is sought for district administration. But before that I hope much scope has been given in this session, which has made a history in the Assam Legis'a'ive Assembly that so many demands could be discussed. In its past records only about 8 demands could be discussed, In this session atleast we discussed the double. I have a feeling that a part of the bureaucracy is already apprehensive on the enlargement of scope of the legislators. I am being told that some of the bureaucrats have raised questions as to why such a long hours are devoted to discussing the grants by the legislators and by this developmental works will be disturbed. Why this sort of question should rice ? Sir, this is a very negative approach. So, Sir, I would not like to talk on that negative attitude.

Sir, detail discussion on the Government activities, really help the administration. Any way nothing is now left within the coffers of the Government. What we feel is that scope should be further enlarged. The enlarged scope is consultatius committee method, which is yet to be incorporated in she Assam Legislative Assembly. We have follcwed the procedure adopted in the Lok Sabha atleast on 'Question Hour'. Sir, now we are to have a Consultative committee attached to every Miuestry. Then Sir, we can avoid going in to so much of details. If the Minister really wants that the Members should co-operate because they represent a particular area of the State, then Sir, how to procure the services of the elected representatives of the people at the administrative leves ? Then Sir, it would be wise to have a consultative committee for every department. I would request the Executive as well as the Legis-

lative Wing of the Government and the Hon'ble Speaker to examine this aspect of the things because it will be effective so far implementation of the discussions are concerned. Sir, once we have constituted this type of Consultative Committee attached with a Minister of a particular Department, we can make suggestion affective. Sir this is my humble suggestion.

Sir, one more point to which the elder leader Hon'ble Sarat Chandra Sinha has stated and also by Mr. Altaf Hussain Mazumdar, I would like to draw the attention of the Government that discrimination is a thing which you can not practice selectively at all because you are committed to give Assam a stable and peaceful Government. Some parties have their political past. They have got some inhibitation, they have some limitation but atleast you are free from this type of past inhibitation. If you are really sincere in the integration and cohesion in our State, you should understand this point that discrimination is such a thing which as the great administrators have analysed that once you practise this against one community rest of the communities becomes apprehensive of your psychological approach. The great Aristotle also discussed in that line. Even if the King is most antocrative the slogan has been raised but the King is just, King is fountain of justice. So Sir, I do not say what my honourable friend Shri Mazumdar has said that you have practised this policy as was done in the past. Our country was partitioned because of this type of discrimination.

